# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): CHANDRA DHAR BARUAH | |
| Title: অসম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Āsaāma Saāhitāya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1935-36 (1857-58 Sak) | Edition: |
| Size: 22 cms. - 224 pages | Genre: Magazine |
| Volumes: 6th - 4 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য-সভা পত্ৰিকা

মাঘ—চ'ত, ১৮৫৭—৫৮ শক

ষষ্ঠ বছৰ | মুঠ সংখ্যা—২৮ | দ্বিতীয় সংখ্যা


## সম্পাদকৰ শৰাই

### আত্ম-কথা

বাহিৰৰ আৰু ভিতৰৰ কিছুমান আসোঁৱাহৰ বাবে বৰ্ত্তমান বছৰৰ পত্ৰিকাৰ দ্বিতীয় সংখ্যা উচিত সময়ত উলিয়াব পৰা নহল, তাৰ বাবে আমি কৰপুটে সকলোৰে ওচৰত ক্ষমা মাগিছোঁহক। প্ৰবন্ধৰ নাটনি, ছাপাখানাৰ বেমেজালি আৰু আমাৰ শাৰীৰিক অসুস্থতাৰ বাবে নিয়মিত সময়ত পত্ৰিকা প্ৰকাশ কৰিব নোৱাৰি আমি নিজে নিজেই কুণ্ঠিত হৈছোঁ আৰু আমাৰ অশেষ ত্ৰুটি স্বীকাৰ কৰিছোঁ। পত্ৰিকাৰ হিতাকাঙ্ক্ষী সুধীসকলে আৰু সাহিত্যিকসকলেও পত্ৰিকাৰ উপযোগী উন্নত সাহিত্য সম্ভাৰেৰে আমাৰ পূৰ্ব্বৰ গোহাৰি অনুসৰি আমাক আশাৰূপ সাহায্য কৰা নাই ইও দুখ লগা কথা—দৰাচলতে ই আমাৰ জাতীয় দুৰ্ভাগ্য বুলিলেও অত্যুক্তি নহয়।

ইয়াৰ ভিতৰতে সন্মিলন বহি যোৱাত, কাৰ্য্যকাৰক আৰু নিয়মতন্ত্ৰৰ সালসলনিত পত্ৰিকাৰ সম্পাদক নতুন, আৰু দুটীয়া গুচি গুটীয়া হয়। তিনিমহীয়া আলোচনী এখনৰ সম্পাদকৰ গাদীত দুজনক একেলগে যুটি দি বহুওৱাটোৱেই মাজখনতে বৰ আপচু কথা হৈছিল, এইবাৰৰ সন্মিলনত সেই ভুল শুধৰাই লোৱাটো সুবিবেচনা আৰু সু-অভিজ্ঞতাৰ কাম কৰা হৈছে। সাহিত্য সভাৰ দুৰঙ্গীত ভৱিষ্যতে এনে ভুলৰ নতুন অভিনয় নহব বুলিয়েই ভাবিছোঁহক।

আৰু এটি কথা। সভাৰ বৰ্ত্তমান আৰ্থিক অৱস্থাত সম্ভৱ নহলেও, ভৱিষ্যতৰ বাবে সভাই নিজৰ এটি ছাপা যন্ত্ৰ থাপনা কৰি কাম চলোৱাটোৰ কথা জল্পনা-কল্পনা কৰাটো একেবাৰে আকাশ-কুসুম সজা নহব। বৰ্ত্তমান ই অতি সৰহ পাঁচ-ছহাজাৰ টকাৰ কথা। তিনি হাজাৰ মান টকাৰ ছপা-যন্ত্ৰ আৰু বাকী টকাৰ আখৰ আদি সজুলি,—আৰম্ভ কৰিবৰ বাবে এয়ে প্ৰায় যথেষ্ট হয় আৰু সভাৰ এটি স্থায়ী সম্পত্তিও অৰ্জ্জন কৰা হয়। নিজা ছপা-কল নাথাকিলে যে সভাৰ কামৰ বাবে সদায় অলপ নহয় অলপ অসুবিধা হবই তাক সবাই জানে। বৰ্ত্তমান

বছৰৰ কাকতকে কোনো অসুবিধা হব নোৱাৰাকৈ চলাবলৈ বুলি, বছেৰেকৰ বাবে আগধৰি আটাইখিনি তুলাপাত কলিকতাৰ পৰা একেলগে আনি ভৰালত থৈ আৰু ছপা যন্ত্ৰৰ গৰাকীক আখৰ নাটনি বা ভগা-ছিগা আখৰৰ হাত সৰুৱাই আমাক সুন্দৰকৈ নিয়মিতৰূপে কাকত ছপাই দিবৰ বাবে, টকা আগধৰি জমা দি কলিকতাৰ পৰা নতুন আখৰ অনোৱায়ো, কাম আশানুৰূপ যে পোৱা নহল, তাক সকলোৱে দেখিছে। কিন্তু তাৰ বাবে গুটীয়াকৈ কোনো প্ৰেছৰ কৰ্ত্তৃপক্ষক জগৰ দিব নোৱাৰি, সৰহ-ভাকৰ প্ৰায় এনে ব্যৱসায়ীয়ে এনে দোষৰ হাত সাৰিব নোৱাৰে।

## পত্ৰিকাৰ প্ৰবন্ধাৱলী

যোৱা সংখ্যা কাকতত আমি আন আন প্ৰবন্ধৰ লগত আগৰ অপ্ৰকাশিত লক্ষীমপুৰ সাহিত্য সম্মিলনৰ সভাপতিৰ অভিভাষণ দুটি আৰু মঙ্গলদৈ সাহিত্য সম্মিলনৰ প্ৰধান সম্পাদকৰ কাৰ্য্যবিৱৰণীখন প্ৰকাশ কৰিছিলোঁ। সেইকেইটি প্ৰবন্ধ কাকতত ঠাই দিয়া বাবে দুই এজন পাঠকে মুখে মুখে আমাৰ জগৰ ধৰিছে, বোলে পত্ৰিকাত "নতুন" কথাইহে ঠাই পাব লাগে, 'পুৰণি' প্ৰবন্ধই তাত ঠাই পোৱা অযুগুত। আৰু এনেবোৰ কাৰণত হে হেনো আমাৰ কাকতবোৰ জনপ্ৰিয় হব নোৱাৰে।

এনে মত মনত পোহা সকলৰ প্ৰতি যথেষ্ট শ্ৰদ্ধা দেখুৱাই আমি কব খোজোঁ তেওঁলোকৰ তেনে ধাৰণা নিখুঁত নহয়। পোনতে, আগেয়ে সৰু পুথি বা প্ৰবন্ধ স্বৰূপে ছপা হৈ নোলোৱা সেই অভিভাষণবোৰ ছপাবলৈ আমি কৰ্ত্তব্য-বন্ধৱা। তাৰ পিছত, সাহিত্যত 'নতুন' আৰু 'পুৰণি' কথা দুটা সাধাৰণ ভাবত নাখাটে; তাৰ প্ৰমাণ স্বৰূপে, সাময়িক এখন কাকতত ছপা হৈ ওলোৱা অনেক প্ৰবন্ধ আন কাকতে তাৰপৰা আকৌ প্ৰকাশ কৰে; কুৰি, দুকুৰি, আঢ়ৈ কুৰি বছৰৰ আগেয়ে ওলোৱা আন বা নিজ কাকতৰ প্ৰবন্ধকে ঘূৰাই ছপোৱাৰ উদাহৰণ অনেক। তাৰ কাৰণ, সাহিত্যত 'নতুন" বস্তু মানেই আদৰণীয় আৰু 'পুৰণি' মাত্ৰই বাহী নহয়। তেনে প্ৰবন্ধৰ বিষয়-বস্তুৰ গুণাগুণৰ ওপৰত হে তাৰ মোল থাকে বা নাথাকে।

ছাপা-কলৰ অপদেৱতা (Printers, devil) বুলি এটা কথা সদায় আছে। ঘাইকৈ য'ত সেই কলৰ বন্দুৱা সকলে আখৰকেইটাৰ চুককেইটা কথমপি চিনে মাথোন, তাত এই অপদেৱতাৰ উপদ্ৰৱ সৰহ। আমাৰ অৱস্থাও এয়ে; আৰু অনেক সময়ত সম্পাদকে ছপাবলৈ আদেশ দিওঁতেও বহ খৰখেদা কৰিব লগা হয়। এনেবোৰ কাৰণত যোৱা সংখ্যা পত্ৰিকাত আমাৰ ছপাৰ দোষ কেইটিমান থাকি গল, তাৰ বাবে আমি দুখ পাইছোঁ। কিন্তু তাকে লৈ এজনে এখন কাকতত পেংলাই কৰিছিল; আৰু লগতে আমাৰ বৰ্ণবিন্যাস-নীতিৰ কেইটামান 'অপৰাধ' ধৰিছিল, যদিও সেইবোৰ আমি অপৰাধ বুলি মানিবলৈ অক্ষম। সম্প্ৰতি সচাই-মিছাই দুশাৰী কথাৰে এটা 'প্ৰবন্ধ' তৰি আকলুৱা কাকতৰ পেটৰ ..জুৰতি মাৰি নিজৰ নামটো আৰু লগে লগে বিস্তা 'জাহিৰ' কৰা এবিধ 'সাহিত্যিক' ওলাইছে; সেই 'প্ৰবন্ধ'ও এনে কোনো 'সাহিত্যিক'ৰে উদ্ভাৱনা নিশ্চয়; আৰু আওপাকে হলেও আমি যদি তেওঁৰ এই উদ্দেশ্য-সাধনত সহায় কৰিছোঁ, তাৰ বাবে আমি তেওঁৰ ধন্যবাদৰ পাত্ৰ নহয় জানো?

## "হিন্দী-অসমীয়া শিক্ষক"

যোৰহাটৰ আশাশুধীয়া নীৰৱ দেশকৰ্ম্মী শ্ৰীযুত কৃষ্ণনাথ শৰ্ম্মা বি-এল দেৱে হিন্দী-নজনা অসমীয়াই ভাৰতবৰ্ষৰ এই ভাবী ৰাষ্ট্ৰভাষা শিকিবৰ সুবিধাৰ কাৰণে এই পুথি দুখনি উলিয়াইছে। প্ৰথম ভাগ—৫৬ পৃষ্ঠা—হিন্দী ব্যাকৰণ ৯০—৫৬ = ৩৪ পৃষ্ঠা—দাম ।।০ অনা, দ্বিতীয় ভাগ—৫১ পৃষ্ঠা—দাম ।০ অনা। প্ৰথম ভাগ বাৰটা সাহিত্য পাঠত বিভক্ত আৰু ব্যাকৰণ ভাগ আঠোটা পাঠত বিভক্ত। সাহিত্য ভাগত সচৰাচৰ ব্যৱহাৰ্য্য হিন্দী শব্দবোৰৰ অসমীয়া আৰু ইংৰাজী প্ৰতিশব্দ দিয়া আছে আৰু তাৰ লগে লগে উক্ত শব্দবোৰৰ ব্যৱহাৰ বাক্য-যোজনাৰে বুজোৱা



হৈছে। এই বাৰটা সাহিত্যপাঠ আৰু আঠোটা ব্যাকৰণ পাঠৰ দ্বাৰাই লিখকে হিন্দীভাষা শিকাৰুক সহজে শিক্ষা দিবলৈ যত্ন কৰিছে। দ্বিতীয় ভাগত হিন্দী বাক্যাৱলীৰ অসমীয়া ভাঙনি দিছে। প্ৰথম পুথি খনি পঢ়ি অতোৱাৰ পিচত হিন্দী ভাষাৰ ক্ৰমোন্নত অনুশীলনৰ নিমিত্তে দ্বিতীয় পুথিখনি যুগুত কৰা হৈছে। এই দুই পুথিৰ দ্বাৰাই শৰ্ম্মাদেৱে তেখেতৰ অসমীয়া ভাই ভনীসকলক হিন্দী শিকাবলৈ যত্ন কৰিছে। লেখকৰ উদ্দেশ্য মহৎ আৰু যিসকলৰ বাবে লিখা হৈছে, সেই সকলে আদৰ কৰি নিশ্চয় লেখকৰ যত্ন সাৰ্থক কৰিব বুলি আশা কৰিলোঁ।

## সম্ৰাট পঞ্চম জৰ্জ্জৰ তিৰোভাৱ

সৌ-সিদিনা এইজন ৰজাৰ ৰজত-জয়ন্তী সমাধা হোৱাৰ বাতৰি আমাৰ কাকতৰ যোৱা সংখ্যাত ওলাইছিল। দ্বিতীয় সংখ্যাতে তেওঁৰ মৃত্যুৰ বাতৰি উলিয়াব লগা হল। সৰ্ব্বনিয়ন্তাৰ ইচ্ছা! যাৰ ৰাজ্যত বেলি মাৰ নাযায়, তেনে বৃটিছ্ সাম্ৰাজ্যৰ অধিকাৰীও আজি তেওঁৰ প্ৰজাৰ অতি নিঃকিনবো নিঃকিনজনৰ দৰে জননী-জঠৰত শয়ন কৰিছে। স্বৰ্গীয় আত্মাৰ সদ্গতি লাভতে আমাৰ সান্ত্বনা।

## সম্ৰাট অষ্টম এডৱাৰ্ড

পিতাকৰ পৱিত্ৰ দায়িত্বপূৰ্ণ আসনত সুযোগ্য বৰপুতেক অষ্টম এডৱাৰ্ড বহাত ৰাজ্যৰ সকলোৰে পৰম আনন্দ! ঘাইকৈ এইজনাই যুৱৰাজ স্বৰূপে যেতিয়া কেইবছৰমানৰ আগত ভাৰতবৰ্ষলৈ আহে, তেতিয়া তেওঁ অসমলৈ আহিব নোৱাৰিছিল যদিও অসম আৰু অসমীয়া প্ৰজাৰ মঙ্গল কামনা কৰি তেওঁ তেওঁৰ শুভ ইচ্ছা জনাইছিল। অসমৰ বুৰঞ্জীত ৰাজপৰিয়ালৰ কোনো লোকৰ মুখৰ পৰা অসম আৰু অসমীয়া প্ৰজাৰ হিতৰ অৰ্থে এয়ে প্ৰথম শুভ বাণী! আমি আশাকৰোঁ এইজন সম্ৰাটে সুদীৰ্ঘ জীৱন লাভ কৰি এই আহওতীয়া অনাদৃত অসমক অচিৰে স্নেহ আৰু আদৰত উন্নতিৰ চৰম অৱস্থা লাভ কৰা। দেখিবলৈ পাব।

## ৰুডিয়াৰ্ড কিপ্লিং।

আধুনিক ইংৰাজী সাহিত্যৰ এজন মনস্বী ৰুডিয়াৰ্ড কিপ্লিং অলপতে স্বৰ্গী হৈছে। এওঁ ভাৰতবৰ্ষত উপজিছিল আৰু ভাৰতীয় জীৱনৰ অনেক চিত্ৰই এওঁৰ সাহিত্যৰ অঙ্গ শোভা কৰিছিল। স্বৰ্গীয় আত্মাৰ শান্তি কামনা কৰোঁ।

## অসম বিশ্ববিদ্যালয়

অসমত যে এটি স্বকীয়া বিশ্ববিদ্যালয় লাগে, এই কথাত মতৰ বিভিন্নতা নাই। কিন্তু গৱৰ্ণমেণ্টে এই দাবি স্বীকাৰ কৰিও, বিলাতৰ পৰা খৰচ দি এজন বিষয়াক আনি ৰাইজৰ প্ৰতিকূল যি ভাবৰ এখন বিশ্ববিদ্যালয়ৰ আঁচনি কৰালে তাত অসমীয়া মাত্ৰই অসন্তুষ্ট! তেজপুৰ গুৱাহাটী আদি ঠাইত পতা বঙলা ওথ পঢ়াশালিৰ বিৰুদ্ধেও ৰাইজে একে মনোভাব পোষণ কৰা দেখা যায় যদিও কৰ্ত্তৃপক্ষই অসমীয়াৰ মঙ্গলৰ অনুকূল ভাবৰে দোহাই দি তেনে কৰিছে।

## সাহিত্য-সভাৰ বিপক্ষাচৰণ।

সচাই মিছাই (অৱশ্য সচাৰ নাম লৈ) "দৈনিক বাতৰিয়ে" সাহিত্য সভাৰ আজি ভালেমান দিন বিপক্ষাচৰণ কৰি আহিছে। সেই দুশ্চেষ্টাত শেষত সম্পূৰ্ণ বিফল মনোৰথ হৈও সম্মিলনৰ বাতৰি প্ৰকাশ কৰোঁতে কেবাটাও মিছা কথা প্ৰচাৰ কৰি সেই কাকতখনে শেষৰ মৰকামোৰ ধৰিছিল; কিন্তু প্ৰধান সম্পাদক আৰু স্বয়ং সম্মিলনৰ সভাপতিয়ে তাৰ যি প্ৰতিবাদ স্থানীয় আন আন বাতৰি কাকতত প্ৰকাশ কৰিলে ("বাতৰি"য়ে তাক প্ৰকাশ কৰিব পৰা সৎসাহ দেখুৱাব নোৱৰাত), তাৰ উত্তৰ দিবলৈ অৱশ্যে "বাতৰি"য়ে এতিয়ালৈকে সময় উলিয়াব পৰা নাই।

এই সুৰতে সুৰ ধৰি বছেৰেকীয়া "বৰদৈচিলাই" কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ কিবা কথাত লাজ পোৱা বুলি লিখিছে। কিন্তু উক্ত সমিতিয়ে প্ৰকৃততে তেনে কোনো লাজ পাব লগা কাম কৰা নাই যেতিয়া, "বৰদৈচিলাৰ" লাজ পাব পৰা শক্তিকে ধন্যবাদ জনাই আমি আশ্বাস দিছোঁ—"মাভৈঃ!"

## নতুন অসমীয়া কাকত।

আমাৰ এই দুই সংখ্যা কাকতৰ মাজৰ সুকুঙাতে “প্ৰতিভা”, “অসম বাইজ” আৰু বছেৰেকীয়া “অঞ্জলিৰ” জিলিঙনি দেখি ৰং পাইছোঁ। এই নতুন সহযোগী তিনিওৰে দীৰ্ঘ জীৱন কামনা কৰিছোঁ।

## সাহিত্য সভালৈ গৱৰ্ণমেণ্টৰ নতুন দান।

বৰ্ত্তমান বছৰত অসম সাহিত্য সভালৈ গৱৰ্ণমেণ্টে এহেজাৰ টকা মঞ্জুৰ কৰিছে বুলি জানি কৰ্ত্তৃপক্ষক আৰু সভাৰ হিতাকাঙ্ক্ষী কাউন্সিলৰ সভ্যসকলক আমি আন্তৰিক কৃতজ্ঞতা জনাইছোঁ, আৰু সভাই পোৱা আগৰ দান বছৰি তিনি হাজাৰ টকাকৈ অহা বছৰৰ পৰাই পুনৰ লাভ কৰা হব বুলি আশা কৰিছোঁ।

## তেজপুৰ ষোড়শ সাহিত্য সন্মিলন।

যোৱা ইষ্টাৰ বন্ধত তেজপুৰত ষোড়শ সাহিত্য সন্মিলন সমাৰোহেৰে পতা হল। তেজপুৰত এয়ে দ্বিতীয় সাহিত্য সন্মিলন। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ৰায় বাহাদুৰৰ আৰু সন্মিলনৰ সভাপতি শ্ৰীযুত ৰঘুনাথ চৌধুৰী দেৱৰ দুইখনি অভিভাষণেই সাৰুৱা আৰু সময়োপযোগী হৈছিল। ইয়াৰ বাহিৰেও, সঙ্গীত-সভাৰ সভাপতি জমিদাৰ শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী আৰু তাৰ আদৰণি সমিতিৰ সম্পাদক শ্ৰীযুত জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ অভিভাষণ দুখনিও সুন্দৰ হৈছিল।

অসম সাহিত্য সন্মিলনৰ সভাপতিৰ অভিভাষণ সম্পৰ্কে সদায় এটা কথা মনত পৰে। এই যোলখন সন্মিলনৰ সভাপতিৰ যোলখন অভিভাষণ একেলগে ললে দেখা যাব যে সেইবোৰৰ মাজত প্ৰভেদ অতি সামান্য; কিয়নো সৰহ-ভাগৰ আটাইকেইখনেই অসমীয়া সাহিত্য বিষয়ক একোখনি ৰচনা বুলিব পাৰি। সাময়িক প্ৰসঙ্গ দুই-এটিৰ আলোচনা থাকিলেও সি যথেষ্ট নহয়। আমাৰ মনেৰে, সাহিত্য সন্মিলনৰ সভাপতিৰ অভিভাষণত প্ৰতি বছৰেই অসমীয়া সাহিত্যৰ সাময়িক সমস্যা আৰু অভাৱ অভিযোগবোৰৰ বিশদ আলোচনা আৰু সুচিন্তিত নতুন কাৰ্য্য-পদ্ধতি এটিৰ আঁচনি দাঙি ধৰিব লাগে। বিষয়-বাছনি সমিতিত সেই বিষয়বোৰৰ বিষয়েই আলচ কৰি তাৰ কাৰ্য্য-ভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক অৰ্পণ কৰিব লাগে আৰু সন্মিলনৰ সভাপতিৰ গাতে নতুন সন্মিলন নহয় মানে সভাৰ গুৰিয়ালৰ বাব থাকিব লাগে। তেতিয়া গোটেই সভাখনে এটি নতুন গঢ় লব বুলি আশা কৰিব পাৰি।

বৰ্ত্তমান অৱস্থাত বিষয়-বাছনি সমিতিৰ যেনে গঠন, তাত কোনো কথা ভালদৰে বিবেচনা কৰিবৰ সম্ভাৱনা যে অতি তাকৰ, তাক সকলোৱে দেখিছে। ধীৰ স্থিৰ বিবেচনাতকৈ হুজুগ-প্ৰীতি ভাব-প্ৰৱণতা আদি বিপৰীত ভাবৰ প্ৰাধান্যই এই সমিতিত বিশেষকৈ দেখা দিয়ে। সদৌ অসমৰ সাহিত্য সন্মিলন এখনৰ নামত এনে অৱস্থা নিশ্চয় শোভা নাপায়, আৰু বাহিৰৰ লোকৰ চকুতো সভাৰ প্ৰতি লোকৰ আস্থা কমায়। তাৰ উপৰি বৰ্ত্তমান স্বীকৃত সাহিত্য-সভাবিলাকৰ সৰহভাগৰে, জামিতিৰ বিন্দুৰ দৰে, স্থিতি আছে, কিন্তু ব্যাপকতা নাই; সন্মিলনলৈ প্ৰতিনিধি পঠাবৰ বাবেহে এনে সভাবোৰৰ অস্তিত্ব থকা অসাৰ্থক। এনে অৱস্থাত সাহিত্য-সভাৰ কিছুমান গতি-বিধিৰ আমূল পৰিবৰ্ত্তন আৱশ্যক বুলি আমাৰ মনে ধৰে।

---

# অসম সাহিত্য সভা

## ১৬ শ বাৰ্ষিক অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱসমূহ

১। আমাৰ মহামান্য সম্ৰাট ভাৰতেশ্বৰ পঞ্চম জৰ্জ্জৰ তিৰোভাৱৰ বাবে, অসম সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰে; আৰু তেখেতৰ সজ আত্মাৰ উৰ্দ্ধগতিৰ কাৰণে জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি ৰাজ-পৰিয়ালৰ প্ৰতি ভক্তিভাৱেৰে আন্তৰিক সমবেদনা জনায়।

সভাপতি

২। এই সন্মিলনে ভাৰতৰ নতুন সম্ৰাট মহাৰাজ অষ্টম এডোৱাৰ্ডৰ প্ৰতি প্ৰগাঢ় ৰাজভক্তি জ্ঞাপন কৰে আৰু তেখেতৰ শান্তিপূৰ্ণ সুদীৰ্ঘ ৰাজত্ব কামনা কৰে।

সভাপতি

৩। আসাম সাহিত্য সভাৰ পৃষ্ঠপোষক হৈ আৰু আৰ্থিক সাহায্য কৰি, এই দেশহিতকৰ অনুষ্ঠানক উৎসাহিত আৰু সন্মানিত কৰা বাবে অসমৰ গৱৰ্ণৰ মাননীয় চাৰ মাইকেল কীন বাহাদুৰক এই সন্মিলনে সসন্মানে কৃতজ্ঞতা জ্ঞাপন কৰে।

সভাপতি

৪। সাহিত্য সন্মিলনৰ ভূতপূৰ্ব্ব সভাপতি প্ৰবীন সাহিত্যিক ৺অমৃতভূষণ অধিকাৰী দেৱ, শ্ৰদ্ধাস্পদ সুবিজ্ঞ সাহিত্যিক ৺ৰমাকান্ত বৰকাকতী ডাঙৰীয়া, লোকপ্ৰিয় জননায়ক সু-সাহিত্যিক, কৰ্ম্মবীৰ ৺নবীনচন্দ্ৰ বৰদলৈ, চিপাঝাৰ সাহিত্য সভাৰ সুযোগ্য সম্পাদক ৺মুক্তানন্দ গোস্বামী, সাহিত্যানুৰাগী সুশিক্ষক মুন্সী চোলেমান খাঁ, কৃতবিদ্য উৎসাহী ডেকা ৺বিষ্ণুচন্দ্ৰ গোস্বামীদেৱৰ মৃত্যুৰ বাবে এই সন্মিলনে আন্তৰিক শোক জ্ঞাপন কৰে; তেওঁলোকৰ শোকাতুৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনায়, আৰু মৃতক সকলৰ আত্মাৰ সদ্গতি কামনা কৰে।

সভাপতি

৫। ১৯৩৬-৩৭ চনৰ চৰ্কাৰী বজেটত অসম সাহিত্য সভালৈ ১০০০৲ টকা দান মঞ্জুৰ কৰাত গৱৰ্ণমেণ্টৰ প্ৰতি আৰু ব্যৱস্থাপক সভাৰ প্ৰতি এই সন্মিলনে শলাগ জনায় আৰু সাহিত্য সভাৰ আৰ্থিক দুৰৱস্থালৈ চাই এই দান যথেষ্ট নোহোৱা বাবে অহা বছৰৰ পৰা আগৰ দৰে পুৰা ৩০০০৲ টকাকৈ বাৰ্ষিক সাহায্য মঞ্জুৰ কৰিবলৈ অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

প্ৰস্তাৱক—ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা

সমৰ্থক—শ্ৰীযুত নীলমণি ফুকন

৬। যে হেতু অসম সাহিত্য সভাৰ পৰা প্ৰকাশিত নবদেৱ গ্ৰন্থাৱলীৰ অন্তৰ্ভুক্ত শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ আৰু শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰ পুথি দুখনে অনেক অসমীয়া ৰাইজৰ অন্তৰত বেদনা দিছে; আৰু যেহেতু আমাৰ ভিতৰত মনোমালিন্য সৃষ্টি কৰা সাহিত্য সভাৰ উদ্দেশ্য নহয়—সেই কাৰণে আজিৰ সভাই উক্ত পুথি দুখনৰ প্ৰচাৰ বন্ধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত হলধৰ ভূঞা

সমৰ্থক—শ্ৰীযুত পৰমানন্দ ওজা

৭। অধ্যাপক ডক্টৰ ময়িদুল ইচলাম বৰাই লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা আৰু অধ্যাপক ডক্টৰ বাণীকান্ত কাকতি দেৱে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি, এইচ, ডি, উপাধি লাভ কৰাত এই সন্মিলনে উভয়কে অভিনন্দন জনাইছে; আৰু সেই উপাধিৰ কাৰণে অসমীয়া ভাষাৰ বিষয়ে প্ৰবন্ধ লিখাৰ বাবে ডক্টৰ কাকতীদেৱৰ প্ৰতি শলাগ জ্ঞাপন কৰিছে।

সভাপতি

৮। প্ৰস্তাৱিত অসম বিশ্ববিদ্যালয়ৰ সম্পৰ্কে মিঃ কানিংহাম চাহাবৰ আঁচনি গ্ৰহনৰ সম্পূৰ্ণ অযোগ্য বুলি এই সন্মিলনে তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰে; আৰু অসমীয়া ৰাইজৰ নিশ্চিত জনমত এই যে—ঐতিহাসিক আৰু-

প্ৰত্নতাত্ত্বিক শিক্ষা আৰু অনুসন্ধানৰ প্ৰধান কেন্দ্ৰস্থল, চেড্‌লাৰ কমিচনৰ দ্বাৰা অনুমোদিত, গুৱাহাটী নগৰত অসম এচচিয়েচনৰ দ্বাৰা ইতিপূৰ্ব্বে প্ৰকাশিত আৰ্চ-নিমতে অসম বিশ্ববিদ্যালয় স্থাপিত হব লাগে আৰু তেনেহলেহে অসমীয়া ৰাইজ সন্তুষ্ট হব বুলি গৱৰ্ণমেণ্টক জনাবলৈ এই সম্মিলনে সিদ্ধান্ত কৰে।

প্ৰস্তাৱক—শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা
সমৰ্থক—শ্ৰীযুত মহীচন্দ্ৰ বৰা
অনুমোদক—শ্ৰীযুত ৰজনীকান্ত গোস্বামী

৯। (ক) বৈজ্ঞানিক পৰিভাষা-সঙ্কলনৰ নিমিত্তে তলত দিয়া বিশেষজ্ঞ সভ্যসকলেৰে এক সমিতি গঠিত হওক; এই সমিতিয়ে আৱশ্যক বুজি নতুন সভ্য মনোনীত কৰি লব পাৰিব; আৰু ছমাহৰ ভিতৰত এই সমিতিয়ে বিভিন্ন বিজ্ঞান বিষয়ক পৰিভাষা সঙ্কলন কৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিক দিব। (খ) উক্ত সমিতিৰ দ্বাৰা সঙ্কলিত পৰিভাষাৱলী "চন্দ্ৰকান্ত অভিধানৰ পৰিশিষ্টত অন্তৰ্ভুক্ত কৰিবৰ অৰ্থে কাৰ্য্যনিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হওক।

সভ্যঃ—
১। ডক্টৰ বাণীকান্ত কাকতী—সভাপতি
২। শ্ৰীযুত নন্দীপ্ৰসাদ কটকী
৩। শ্ৰীযুত সুশীল কুমাৰ বৰুৱা
৪। ,, মাধবচন্দ্ৰ দাস
৫। ,, ৰোহিণী কুমাৰ বৰুৱা
৬। ,, হিৰণ্য কুমাৰ ভূঞা
৭। ,, বিৰিঞ্চি কুমাৰ বৰুৱা—সম্পাদক

প্ৰস্তাৱক—শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা
সমৰ্থক— ,, দেৱেন্দ্ৰনাথ ভট্টাচাৰ্য্য

১০। অসম সাহিত্য সভাৰ জৰিয়তে মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য দেৱৰ "বৃত্তমঞ্জৰী" কিতাপখনি শীঘ্ৰে প্ৰকাশ কৰিবৰ অৰ্থে শ্ৰীযুত দেৱেন্দ্ৰনাথ ভট্টাচাৰ্য্য দেৱক ভাৰ দিয়া হ'ল।

প্ৰস্তাৱক—শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱা
সমৰ্থক— ,, কমলেশ্বৰ বুজৰবৰুৱা

১১। অসমৰ পৰ্ব্বতীয়া জিল্লাবিলাকৰ যি যি স্থলত ৰোমান আখৰ প্ৰচলিত হৈ আছে, তাত অসমীয়া আখৰ চলাবলৈ এই সম্মিলনে চৰ্কাৰক টানি অনুৰোধ কৰে।

প্ৰস্তাৱক—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা
সমৰ্থক—শ্ৰীযুত লক্ষ্মীনাথ দাস।

১২। অসম উপত্যকাৰ কাৰণে এখনি সঙ্গীত আৰু কলা বিদ্যালয় স্থাপন কৰা অতি আৱশ্যকীয় বুলি এই সম্মিলনে বিবেচনা কৰে; আৰু পুৰণি কালত সঙ্গীতৰ বাবে প্ৰসিদ্ধ আৰু বৰ্ত্তমান কালত অসমৰ মাজ ঠাই তেজপুৰ নগৰতে তেনে এখনি স্কুল অনতিপলমে স্থাপন কৰিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা
সমৰ্থক— ,, মাধবচন্দ্ৰ বেজবৰুৱা

১৩। স্বৰ্গীয় ৰায় বাহাদুৰ মহীধৰ ভূঞা ডাঙৰীয়াৰ দ্বাৰা সংগৃহীত আৰু স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ দ্বাৰা আংশিক সম্পাদিত অঙ্কীয়া নাটখিনি সাহিত্য সভাৰ জৰিয়তে শ্ৰীযুত চন্দ্ৰকমল ভূঞা ডাঙৰীয়াৰ খৰচত প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হওক আৰু পূৰ্ব্বে ছপা হৈ থকা নাট বা অংশখিনি আৰু মূল পুথিখিনি উদ্ধাৰ কৰিবলৈ যত্ন কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা
সমৰ্থক— ,, দেৱানন্দ শৰ্ম্মা

১৪। "দৈনিক বাতৰি"ৰ প্ৰতিষ্ঠাতা, এই সভাৰ সভ্য, দানবীৰ ৰায়বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ আৰোগ্য লাভৰ অৰ্থে এই সম্মিলনে জগদীশ্বৰ চৰণত সকাতৰে প্ৰাৰ্থনা কৰিছে।

সভাপতি

১৫। অসম উপত্যকাৰ কোনো স্কুলত অসমীয়া ভাষাত বাজে আন ভাষা শিক্ষাৰ বাহন হলে তেনে স্কুলত বিভাগীয় মঞ্জুৰী (Dapartmental Recognition) নিদিবলৈ এই সম্মিলনে চৰ্কাৰক টানি অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত মহীকান্ত দাস,
সমৰ্থক— ,, পদ্মকান্ত শৰ্ম্মা,



১৬। অসমৰ পোন প্ৰথম দৈনিক বাতৰিকাকত "দৈনিক বাতৰি" উলিয়াই দেশৰ এটি মহৎ অভাৱ পূৰণ কৰা বাবে অসম সাহিত্য সম্মিলনে ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙৰীয়াক; আৰু পোন প্ৰথম অসমীয়া কথাছবি "জয়মতী" উলিয়াই চিত্ৰ-শিল্প প্ৰতিষ্ঠানৰ সুন্দৰ চানেকি দাঙি ধৰা বাবে "চিত্ৰলেখা মোভিটোন" কোম্পানীৰ গুৰিধৰোঁতা শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা দেৱক; আৰু নাৰায়ণী সন্দিকৈ হল প্ৰতিষ্ঠা আৰু উদ্বোধন কৰি ঐতিহাসিক তথ্যানুসন্ধানৰ সুবিধা কৰি দিয়া বাবে দাতা ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া আৰু শ্ৰীযুতা নাৰায়ণী সন্দিকৈ আইদেউক এই সম্মিলনে আন্তৰিক কৃতজ্ঞতা আৰু সম্বৰ্দ্ধনা জনায়।

প্ৰস্তাৱক—শ্ৰীযুত ৰত্নকান্ত বৰকাকতী
সমৰ্থক— ,, হলধৰ ভূঞা

১৭। অসম উপত্যকাৰ সকলো শ্ৰেণীৰ স্কুলসমূহৰ নিমিত্তে পূৰ্ব্বৰ দৰে অসমীয়া পুথি-বছাসমিতি পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু উক্ত সমিতিত এই সভাৰ পৰা অন্ততঃ তিনিজন প্ৰতিনিধি লবলৈ এই সম্মিলনে গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত ৰজনীকান্ত গোস্বামী
সমৰ্থক— ,, বিৰিঞ্চিকুমাৰ বৰুৱা

১৮। অসমীয়া ভাষাৰ সাহিত্যৰথী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক এটি উপযুক্ত সাহিত্যিক পেঞ্চন দিবৰ নিমিত্তে অথবা অন্য কোনো প্ৰকাৰে উপযুক্ত অৰ্থ সাহায্য মঞ্জুৰ কৰি অসমীয়া ভাষাৰ আৰু অসম প্ৰদেশৰ ঐতিহাসিক আৰু প্ৰত্নতাত্ত্বিক অনুসন্ধান আৰু আলোচনাত তেখেতক নিযুক্ত বা উৎসাহিত কৰিবলৈ সুবিধাজনক ব্যৱস্থা কৰিবৰ নিমিত্তে গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা
সমৰ্থক—শ্ৰীযুত নীলমণি ফুকন
অনুমোদক—"পূৰ্ণানন্দ শৰ্ম্মা

১৯। নিভাঁজ পুৰণি অসমীয়া আখৰৰ প্ৰচলন কাৰ্য্যকৰী কৰিবলৈ অসম সাহিত্য সভাৰ পৰা ৰাইজৰ মত আহ্বান কৰা হওক। প্ৰস্তাৱক—শ্ৰীযুত গুণাভিৰাম শৰ্ম্মা সমৰ্থক—শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱা ,, অনুমোদক—মহীচন্দ্ৰ বৰা

২০। খৃষ্টান মিছনাৰীসকলে অসমীয়া ভাষাৰ জৰিয়তে শিক্ষা বিস্তাৰ কৰাৰ চেষ্টা কৰাত অসম সাহিত্য সভাই তেওঁ লোকক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰস্তাৱক—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা
সমৰ্থক—শ্ৰীযুত মহীকান্ত দাস

২১। স্বৰ্গীয় সুসাহিত্যিক ভাৰতচন্দ্ৰ দাস ডাঙৰীয়াৰ দ্বাৰা প্ৰণীত "অসমীয়া সাহিত্যৰ বা ভাষাৰ বুৰঞ্জী" গ্ৰন্থ খনি সাল-সলনি নকৰাকৈ সাহিত্য সভাৰ জৰিয়তে প্ৰকাশ কৰিবৰ অৰ্থে তলত নাম দিয়া সভ্যসকলেৰে সৈতে এটি সমিতি গঠিত হওক; আৰু এই কাৰ্য্য সম্পাদনৰ নিমিত্তে শ্ৰীযুত লক্ষ্মীনাথ দাস দেৱে স্বৰ্গীয় গ্ৰন্থকাৰৰ নাবালক পুত্ৰগণৰ স্বাৰ্থ-ৰক্ষা-কৰণ উদ্দেশ্যেৰে সমুদয় খৰচ বহন কৰিবলৈ স্বীকাৰ কৰিছে—আৰু এই সম্মিলনে অনুমোদন কৰিছে। প্ৰকাশ থাকে যে কিতাপৰ স্বত্ব আৰু উপস্বত্ব ( Copy right ) স্বৰ্গীয় গ্ৰন্থকাৰৰ নাবালক পুত্ৰ সকলৰ হকে সম্পূৰ্ণ ৰক্ষিত হৈ থাকিব।

সভ্যসকল
( ১ ) ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা সভাপতি।
( ২ ) শ্ৰীযুত ৰঘুনাথ চৌধাৰী—সম্পাদক ১৬শ সাহিত্য সম্মিলনৰ সভাপতি )
( ৩ ) শ্ৰীযুত কালিৰাম মেধি, এম-এ,—ডেপুটী কমিচনাৰ, নগাওঁ
( ৪ ) শ্ৰীযুত জলতিৰাম লহকৰ
( ৫ ) ,, হৰমোহন দাস
( ৬ ) ,, লক্ষ্মীনাথ দাস

প্ৰস্তাৱক—শ্ৰীযুত চন্দ্ৰনাথ শৰ্ম্মা
সমৰ্থক—শ্ৰীযুত কমলেশ্বৰ বুজৰবৰুৱা

২২। ভাৰতীয় পব্লিক্ চাৰ্ভিচ্ কমিচনৰ দ্বাৰা পৰিচালিত ভাৰতীয় চিভিল চাৰ্ভিচ্ পৰীক্ষাৰ বিষয়-তালিকাৰ "এ" বিভাগতহে অসমীয়া ভাষাই ঠাই পাইছে; কিন্তু উক্ত বিষয়-তালিকাৰ "বি" বিভাগত আমাৰ ভাষাই এতিয়াও ঠাই পোৱা নাই।

গতিকে তাৰ প্ৰতিকাৰৰ অৰ্থে পতা গৱৰ্ণমেন্ট আৰু পব্লিক চাৰ্ভিচ কমিচনক অসম সাহিত্য সভাৰ পৰা অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত মহীচন্দ্ৰ বৰা,

সমৰ্থক—শ্ৰীযুত তুলসী নাৰায়ণ শৰ্ম্মা,

২৩। নিয়ম-পৰিবৰ্ত্তন

নিয়মাৱলীৰ চতুৰ্থ ছেদ—( কাৰ্য্য-নিৰ্ব্বাহক সমিতি ) ৪ৰ্থ পৃষ্ঠা ২নং—তলত লিখা দৰে হ'ব:—

( ক ) অসম উপত্যকাৰ প্ৰত্যেক মহকুমাৰ পৰা দুজন

( খ ) যি মহকুমাৰ পৰা সম্পাদক নিৰ্ব্বাচিত হয়, সেই মহকুমাৰ পৰা ১৪ জন আৰু যোৰহাটৰ পৰা দুজন অধিক; আৰু তলত লিখা ট্ৰাষ্ট্ ফণ্ডৰ পৰা একোজনকৈ

(১) চন্দ্ৰকান্ত ট্ৰাষ্ট্ ফণ্ড; (২) নধদেৱ ট্ৰাষ্ট্ ফণ্ড; (৩) কমলা দেৱী ট্ৰাষ্ট্ ফণ্ড। ৪ নং নিয়মত—"পত্ৰিকাৰ এজন সম্পাদক হব। ৫ ম পৃষ্ঠাত ১২ নং নিয়মত নতুনকৈ যোগ হ'ব। ১২। কাৰ্য্য-নিৰ্ব্বাহক সভাৰ কাৰ্য্যবিবৰণীবোৰ বাৰ্ত্তা কাকতৰ যোগে কাৰ্য্যনিৰ্ব্বাহক সমিতি বহাৰ দহ দিনৰ ভিতৰত প্ৰচাৰ কৰিব। যদি বাতৰি কাকতে প্ৰকাশ নকৰে তেন্তে এমাহৰ ভিতৰত স্বীকৃত সভাবিলাকলৈ পঠাব।

পঞ্চম ছেদ—৬ষ্ঠ পৃষ্ঠাৰ ৪নং নিয়ম তলত লিখা দৰে হ'ব:—

৪। প্ৰত্যেক স্বীকৃত সভাই ৬৲ ছয় টকাকৈ বাৰ্ষিক বৰঙণি সন্মিলনৰ আগতে আদায় কৰিব লাগিব।

নিয়মাৱলীৰ অন্যান্য সংশোধন কৰিবৰ নিমিত্তে তলত লিখা ৭জন সভ্যোৰে এটি সমিতি গঠিত হওক।

১। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, ২। যুত পূৰ্ণানন্দ শৰ্ম্মা, ৩। শ্ৰীযুত নীলমণি ফুকন, ৪। মৌঃ জেহিৰুদ্দিন আহমদ, ৫। অনৰেবোল শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা ৬। ৰায়বাহাদুৰ শ্ৰীযুত ৰাধানাথ ফুকন ৭। শ্ৰীযুত তুলসী নাৰায়ণ শৰ্ম্মা

—:•:—

# প্ৰাদেশিক সাহিত্য সমূহৰ মিলন

ইংৰাজী 'নেছন্' শব্দই ভাষা-সাহিত্য, স্বাৰ্থ, আকাঙ্ক্ষা আদি নানা ভাবত একে ব্ৰতৰ ব্ৰতী এখন দেশৰ লোক সমূহক বুজায়, আৰু সেই অৰ্থত ইংৰাজ, জাৰ্ম্মান ফৰাচী আদি একোটি 'নেচন্'; কিন্তু ভাৰতীয় সকলে তেনে এটি নেছন্ গঠন নকৰে। ভাষা-সাহিত্য বিষয়ৰ অমিল আৰু পিঠিয়া-পিঠি তাৰ আন এটি কাৰণ। ভাষা আৰু সাহিত্য বৰ্ত্তমান ভাৰতীয় প্ৰদেশ সমূহৰ পৃথক হওক, কিন্তু পৰস্পৰৰ লগত পৰস্পৰৰ চা-চিনাকি আদান-প্ৰদান আদি সম্বন্ধ নথকাটোহে অতিকৈ শোক-লগা। এই দৰে কোনেও কাৰো কাটিহ নসহা অৱস্থাটো গুচাই, সম্প্ৰতি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰাদেশিক সাহিত্য সমূহক এক মিলন ভূমিলৈ আনিব লাগে—অনেক ভাৰতীয় মনস্বীয়ে এই কথালৈ মন কৰিছে আৰু "হংস" নাম হিন্দী কাকত এখনে এই উদ্দেশ্যেৰেই জন্ম লৈছে। এই কাকতত হিন্দী ভাষাত বিভিন্ন প্ৰাদেশিক সাহিত্যৰ বৰ মূলীয়া প্ৰবন্ধ আদি প্ৰকাশ কৰা হয়। অসমৰ এজন হিন্দী প্ৰচাৰকে অসমীয়া কাকতৰ দুই এটি প্ৰবন্ধ তাত প্ৰকাশ কৰিছে বুলি জানি আমি সন্তোষ পাইছো। সাধু আৰু আন প্ৰবন্ধতকৈও, পুৰণি অসমীয়া সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ গৌৰৱ মূলক প্ৰবন্ধ এই কাকতত নিয়মিতভাৱে উলিয়াবলৈ কোনো লেখকে যত্ন কৰিলে প্ৰকৃততে অসমীয়া সাহিত্য তথা অসমীয়া জাতিৰ কল্যাণ সাধন কৰা হব। উক্ত কাকতৰ কৰ্তৃপক্ষক আমি আন্তৰিক শলাগ জনাইছোঁ।

—•—

# আয়ুৰ্ব্বেদৰ প্ৰাচীনত্ব।

## কবিৰাজ শ্ৰীযুত দেবেন্দ্ৰনাথ সাংখ্য—কাব্যতীৰ্থ।

পুৰণি কালত পুণ্যভূমি আমাৰ এই ভাৰতবৰ্ষই দৰ্শন পুৰাণ, কাব্য, অলঙ্কাৰ, জ্যোতিষ, ভূ-বিদ্যা, উদ্ভিদ-বিদ্যা, বিজ্ঞান আৰু আয়ুৰ্ব্বেদৰ অনুশীলনৰ দ্বাৰা সমগ্ৰ পৃথিবীৰ শীৰ্ষস্থান অধিকাৰ কৰিছিল।

যেতিয়া জগতৰ সকলো দেশ অজ্ঞান এন্ধাৰৰ ভিতৰত সোমাই আছিল আৰু ৰোগ যন্ত্ৰনাত প্ৰাণীসকলে অকালতে প্ৰাণ হেৰুৱাইছিল, সেই অতি পুৰণি কালতো ভাৰতবৰ্ষত আয়ুৰ্ব্বেদৰ যথেষ্ট প্ৰচলন থকা কথা ইতিহাসত পোৱা যায়।

কাত্যায়ন মুনিয়ে চৰণ-ব্যূহ-গ্ৰন্থত আয়ুৰ্ব্বেদ ঋক্-বেদৰ উপবেদ আৰু "আয়ুৰ্ব্বেদৰ অন্তৰ্গত শস্ত্ৰবিদ্যাও অথৰ্ব্ববেদৰ উপবেদ বুলি উল্লেখ কৰিছে—"ঋক্‌বেদস্যায়ুৰ্ব্বেদ উপবেদঃ"। চৰক মুনিয়ে সূত্ৰস্থানত লিখিছে যে চাৰিখন বেদৰ ভিতৰত চিকিৎসকসকলে অথৰ্ব্ববেদকেই আয়ুৰ্ব্বেদ বুলি কয়—"চতুৰ্ণাং বেদানাং আত্মনোঽথৰ্ব্ববেদে"। এইদৰে সুশ্ৰুতৰ সূত্ৰস্থানতো লিখা আছে যে আয়ুৰ্ব্বেদ অথৰ্ব্ব বেদৰ উপাঙ্গ"—আয়ুৰ্ব্বেদো নাম যদুপাঙ্গমথৰ্ব্ববেদস্য"। সৃষ্টিৰ যেনেকৈ আদি নিৰ্ণয় কৰিব নোৱাৰি সেইদৰে আয়ুৰ্ব্বেদৰো আদি নিৰ্ণয় কৰা বৰ কঠিন। আয়ুৰ্ব্বেদ চিকিৎসা জগতৰ প্ৰাচীন আৰু প্ৰধান বিদ্যা বুলি সকলোৱে স্বীকাৰ কৰে। যি যন্ত্ৰৰ সহায়েৰে আয়ুৰ ( শৰীৰ ইন্দ্ৰিয় আৰু আত্মাৰ সংযোগৰ নাম আয়ু, অৰ্থাৎ জীৱন কালৰ শুভ, অশুভ আদি জানিব পৰা যায় তাৰ নাম আয়ুৰ্ব্বেদ।

জগতৰ যাবদীয় জীৱক নিৰোগী কৰি ৰখাৰ বাবে পুৰণি কালৰ পৰা আৰ্য্য ঋষিসকলে আয়ুৰ্ব্বেদোক্ত নানা প্ৰকাৰ সুপৰীক্ষিত ঔষধ, ৰোগৰ নিদান, ক্ৰিয়া কৌশল আদি প্ৰস্তুত প্ৰকৰণ শ্ৰেণীবদ্ধ কৰি ৰাখি গৈছে। তেওঁলোকৰ সতি-সন্ততি আৰু শিষ্যসকলে ক্ৰমান্বয়ে সেই বিষয়বোৰ আলোচনা কৰি নানা প্ৰকাৰ শাখা প্ৰশাখাত বিভাগ কৰি ক্ৰমনিম্ন মানৱসকলৰ আয়ত্তাধীন কৰাৰ কাৰণে সৰলৰূপে শৃঙ্খলাবদ্ধ কৰি ৰাখিছিল; আৰু উদ্ভাৱনী শক্তিৰ দ্বাৰা আয়ুৰ্ব্বেদোক্ত বিজ্ঞানৰ পৰা নতুন নতুন ৰোগৰ চিকিৎসা-প্ৰণালী আবিস্কাৰ কৰি জগতৰ কল্যাণ সাধন কৰিছিল। আজি আমি তেওঁলোকৰেই উত্তৰাধিকাৰী হৈ গৃহসঞ্চিত মহাৰত্ন আয়ুৰ্ব্বেদীয় জীৱনক অনাদৰ কৰি বিদেশীয় ভূক্তাৱশিষ্ট প্ৰসাদ লাভৰ কাৰণে অকাতৰে হাত পাতি বহি আছোঁ! পুৰণি কালৰ আৰ্য্য ঋষিসকলৰ বহু পৰ্য্যালোচনা-মূলক চিকিৎসা বিজ্ঞান আজি আমাৰ অলসতাৰ ফলত লুপ্তপ্ৰায় হৈছে, ইয়াতকৈ দুঃখৰ বিষয় কিবা আছেনে?

### আয়ুৰ্ব্বেদৰ সম্প্ৰদায় বিভাগ:-

প্ৰথমতে আদিদেৱ ব্ৰহ্মাই এখন আয়ুৰ্ব্বেদ-সংহিতা ৰচনা কৰি দক্ষ প্ৰজাপতিক দিয়ে, প্ৰজাপতিয়ে অশ্বিনী কুমাৰক, অশ্বিনী কুমাৰে ইন্দ্ৰক, ইন্দ্ৰই শল্যাঙ্গপ্ৰধান আয়ুৰ্ব্বেদ আৰু কায়-চিকিৎসা প্ৰধান আয়ুৰ্ব্বেদ-ভেদে দুটা সম্প্ৰদায়ৰ সৃষ্টি কৰে।

ৰাজৰ্ষি ক্ষত্ৰকুলপ্ৰদীপ ধন্বন্তৰি ( দিবোদাস ) সকলো প্ৰকাৰ বিদ্যাৰ পীঠ কাশীধামত বাস কৰি সুশ্ৰুত, ঔপধেনৱ, ঔৰভ্ৰ, বৈতৰণ, পৌষ্কলাৱত, কৰবীৰ্য্য গোপুৰ ৰক্ষিত, ভোজ বৈতৰণ আদি ক্ষত্ৰিয় বংশধৰ শিষ্যসকলক স্বভাৱৰ অনুকূল শল্যাঙ্গমূল আয়ুৰ্ব্বেদ শিক্ষা দিছিল। ইয়াকেই ধন্বন্তৰি সম্প্ৰদায় বা সুশ্ৰুত সম্প্ৰদায় বোলে।

ব্ৰাহ্মণ কুলৰ শ্ৰেষ্ঠ মহৰ্ষি ভৰদ্বাজ মুনিয়ে পুনৰ্ব্বসু আৰু আত্ৰেয়ক শিক্ষা দিছিল। আত্ৰেয় মুনিয়ে পঞ্চাল-ক্ষেত্ৰ কাম্পিল্য ৰাজধানীত আশ্ৰম খুলি ব্ৰাহ্মণবংশধৰ, অগ্নিবেশ, ভেল, জতুকৰ্ণ, পৰাশৰ, হাৰীত আৰু ক্ষাৰপাণি এই ছয় জন শিষ্যক স্বভাৱৰ অনুৰূপ কায়-চিকিৎসা প্ৰধান আয়ুৰ্ব্বেদ শিক্ষা দিছিল। ইয়াকেই ভৰদ্বাজ সম্প্ৰদায় বা আত্ৰেয় সম্প্ৰদায় বোলে। আয়ুৰ্ব্বেদৰ ভিতৰত এই দুটাই হৈছে প্ৰধান অঙ্গ।

উক্ত সম্প্ৰদায় দুটাৰ অসংখ্য গ্ৰন্থ আছিল, তাৰ ভিতৰত বহুগ্ৰন্থ আজি কালৰ গৰ্ভত বিলীন হৈ পৰিছে, কেৱল নাম মাত্ৰহে আছে।

প্ৰায় দুই হেজাৰ বছৰৰ আগত পুষ্পমিত্ৰৰ ৰাজত্ব কালত চৰকনামধাৰী ভগবান্ পতঞ্জলি জীৰ্ণাৱশিষ্ট "অগ্নি বেদসংহিতা" ( চৰকসংহিতা ) আৰু বৌদ্ধৰ আচাৰ্য্য নাগাৰ্জ্জুনে সুশ্ৰুত সংহিতা সংস্কৰণ কৰে। সেই সময়ত আয়ুৰ্ব্বেদ-বিজ্ঞানৰ যথেষ্ট উন্নতি সাধিত হয়। অষ্টাঙ্গ বৈদ্যক সংগ্ৰহীতা বাগ্‌ভটাচাৰ্য্য, সংগ্ৰহকাৰ বৃন্দমাধৱ, বৈদ্যক শাস্ত্ৰ ব্যাখ্যাকাৰ জেজ্জট, গয়দাস, ব্ৰহ্মদেৱ, চক্ৰপাণি দত্ত আৰু সুশ্ৰুতৰ টীকাকাৰ ডল্লন আদিৰ দ্বাৰা জগতত আয়ুৰ্ব্বেদৰ প্ৰচাৰ হয়।

বৰ্ত্তমান চিকিৎসা বিজ্ঞান বিষয়ত পাশ্চাত্য পণ্ডিতসকলে বিশেষ উৎকৰ্ষ সাধন কৰিলেও কোনো কোনো ভাগ্যধৰ পাশ্চাত্য-পণ্ডিতে ঋষিপ্ৰৱৰ সুশ্ৰুত-প্ৰণীত সুশ্ৰুত-সংহিতা পাঠ কৰি অশেষ প্ৰশংসা কৰাৰ প্ৰমাণ পোৱা যায়। সুশ্ৰুতত অস্ত্ৰ-প্ৰস্তুত-প্ৰণালী ও প্ৰয়োগ আদি সুস্পষ্ট কৈ লিখা আছে। আজি পাশ্চাত্য চিকিৎসাত অস্ত্ৰ-চিকিৎসাৰ যি অদ্ভুত শক্তি দেখিবলৈ পাওঁ তাৰ মূলবীজ সুশ্ৰুত সংহিতা।

ঋষিসকল ত্ৰিকালদৰ্শী আছিল—কোন সময়ত কি ৰোগ হব, তাৰ কি ঔষধ ইত্যাদি বিষয় আগতেই লিপিবদ্ধ কৰিব পাৰিছিল। আলোচনা কৰি চালে পোৱা যায় আয়ুৰ্ব্বেদত কোনো বিষয় অভাৱিত হৈ থকা নাই। আজি নতুন তথ্য যি বোৰ প্ৰকাশ হ'বলৈ ধৰিছে, সেইবোৰ আয়ুৰ্ব্বেদৰ ভিতৰতেই আছে।

"জীবানুকাৰণবাদ" আয়ুৰ্ব্বেদৰ বিষয় নহয় বুলি বহুতে বিশ্বাস কৰে, কিন্তু—আলোচনা কৰি দেখিলে এই বিশ্বাসৰ বিৰুদ্ধে যথেষ্ট প্ৰমাণ পোৱা যায়। বাগ্‌ভট্টত লিখা আছে—

> "ৰক্তবাহী শিৰাস্থানা ৰক্তজা জন্তবোঽনবঃ।
> অপাদা বৃত্ততাম্ৰাশ্চযৌক্ষ্যাৎ কেচিদদৰ্শনাঃ॥
> কেশাদা লোমবিধ্বংসা লোমদ্বীপা উড়ুম্বৰাঃ।
> ষট্‌তে কুষ্ঠৈক কৰ্ম্মানঃ সহসৌৰসমাতৰঃ॥

অৰ্থাৎ তেজৰ পৰা জন্মা ক্ৰিমিবোৰ তেজবোৱতী শিৰতে থাকে। ইহঁত অতি সূক্ষ্ম, পাদৰহিত, গোলাকাৰ আৰু তাম বৰণীয়া। ইহঁতৰ ভিতৰত কিছুমান ইমান সূক্ষ্ম যে সিহঁতক চকুৰে মনিব নোৱাৰি। ৰোমবিধ্বংস লোমদ্বীপ, উড়ুম্বৰ, সৌৰস আৰু মাতৃনামে প্ৰসিদ্ধ। সুশ্ৰুততো লিখা আছে "ৰক্তাধিষ্ঠানজান্ প্ৰায়ো বিকাৰাণ্ জনয়ন্তিতে" অৰ্থাৎ তেজ-বোৱতী শিৰাত থকা ক্ৰিমিবোৰে কুষ্ঠ বাতৰক্ত আদি ৰোগ জন্মায়।

> "প্ৰসঙ্গাৎ গাত্ৰ সংস্পৰ্শাৎ নিঃশ্বাসাৎ সহভোজনাৎ।
> এক শয্যাসনাশ্চাপি বস্ত্ৰ মাল্যানুলেপনাৎ।
> কুষ্ঠং জ্বৰশ্চ শোষশ্চ নেত্ৰাভিষ্যন্দ এবচ॥
> ঔপসৰ্গিক ৰোগাশ্চ সংক্ৰামন্তি নৰাৎ নৰং॥"

অৰ্থাৎ মৈথুন, গাত্ৰসংস্পৰ্শ, নিঃশ্বাস, এক ঠাইত ভোজন, একশয্যাত শয়ন, ৰোগীৰ বস্ত্ৰ মাল্য আৰু অনুলেপন ( চন্দনাদি ) ব্যৱহাৰ, এইবোৰ কাৰণে কুষ্ঠ, গ্ৰন্থিক সন্নিপাত আদি জ্বৰ, ৰাজ-যক্ষ্মা, চকুউঠা আৰু বসন্ত আদি ৰোগ এজনৰ পৰা আন জনত সংক্ৰামিত হয়, অৰ্থাৎ এইবোৰ ৰোগ সংক্ৰামক। যত সংক্ৰামক ৰোগ, তাতেই জীবাণু, য'ত জীৱাণু নাই তাত সংক্ৰামক ৰোগো নাই। জীৱাণুবোৰ তেজ আৰু কফৰ লগত থাকে।

পূৰ্ব্বকালৰ আৰ্য্যসকলে যম নিয়মাদি পালন কৰিছিল, সেই অনুপাতে তেওঁলোকৰ শৰীৰৰ শক্তি যথেষ্ট আছিল গতিকে তেওঁলোকৰ শৰীৰত জীৱাণু প্ৰবেশ কৰি ৰোগ জন্মাব পৰা নাছিল। আমি সেই যম নিয়মাদি বৰ্জ্জন কৰি স্বেচ্ছাচাৰী হোৱা বাবে আমাৰ শৰীৰত নানাবিধ সংক্ৰামক ৰোগৰ সৃষ্টি হবলৈ ধৰিছে।

এক সময়ত আমাৰ এই অসম দেশে আয়ুৰ্ব্বেদৰ আলোচনাত পৃথিবীৰ সকলো দেশৰেই শীৰ্ষস্থান অধিকাৰ কৰিছিল। আমাৰ দেশৰ প্ৰাচীন ৰাজবৈদ্যসকলৰ ঘৰত থকা সাঁচিপতীয়া সংস্কৃত ভাষাত লিখা আয়ুৰ্ব্বেদ-কল্পতৰু, আয়ুৰ্ব্বেদসাৰ সংগ্ৰহ, আয়ুৰ্ব্বেদ-দৰ্পণ, মুক্তাৱলী, পঞ্চ-ৰত্ন, ৰাজ-বল্লভ আদি পুথিবোৰ উপৰোক্ত কথাৰ জলন্ত সাক্ষী। এইবোৰ পুথি আনকোনো দেশতেই নাই। লক্ষ্মীসিংহ ৰজাই কামদেৱ ব্ৰাহ্মণৰ দ্বাৰাই কল্পতৰু লিখাইছিল। কল্পতৰুৰ বিষয়ে পিচত যথেষ্ট আলোচনা কৰি পৃথক প্ৰবন্ধ লিখিবৰ ইচ্ছা থাকিল। "ৰাজ-বল্লভ" পূজনীয় শ্ৰীযুত তাৰানাথ



কাব্য-বিনোদ মহাশয়ৰ দ্বাৰা অসমীয়া অনুবাদেৰে সৈতে প্ৰকাশ হৈ ওলাইছে। পঞ্চ-ৰত্নবো বৰ্ত্তমান তেওঁতে অনুবাদ কৰিবলৈ ধৰিছে। কল্পতৰু, সাৰ-সংগ্ৰহ এই দুখন বৃহৎ আকাৰৰ পুথি; এই পুথি দুখন গজপুৰীয়া বেজবৰুৱাৰ বংশধৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত শশীকান্ত বেজবৰুৱাৰ হাতত আছে, তেখেতৰ সৈতে উক্ত পুথি দুখনৰ বৰ্ত্তমান শুদ্ধ নকল কৰিবলৈ আৰম্ভ কৰা হৈছে।

আমি সদৌ ৰাইজৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ—যদি প্ৰাচীন আয়ুৰ্ব্বেদৰ কিবা পুথি আছে, তেন্তে আমাক বা উক্ত কাব্য-বিনোদ মহাশয়ক জনায় যেন। আমাৰ দেশৰ মূল্যবান প্ৰাচীন সম্পত্তি যেন লোপ হৈ নাযায় সেইবাবে অসমীয়া ৰাইজে যথেষ্ট যত্নৰ ত্ৰুটি নকৰে যেন। ৰাজ-ঘৰত যিবোৰ ঔষধৰ দ্বাৰা চিকিৎসা অসমৰ বৈদ্যৰাজসকলে কৰি সুখ্যাতি লভিব পাৰিছিল সেই ঔষধবোৰ উক্ত পুথিৰ ভিতৰত আছে, সেইবোৰ আন কোনো দেশতেই নাই।

যিহক, আয়ুৰ্ব্বেদ শাস্ত্ৰ অনন্ত অমৃত-ভাণ্ডাৰ সুবিশাল সুধা-সাগৰ। আয়ুৰ্ব্বেদ হিন্দুৰ ধৰ্ম্মানুমোদিত আয়ুৰ্ব্বেদ শাস্ত্ৰ প্ৰচাৰৰ সময়ত পৃথিবীৰ আন কোনো ঠাইতেই এনে সমুন্নত সৰ্ব্বাঙ্গসুন্দৰ চিকিৎসা শাস্ত্ৰ নাছিল। ইংৰাজসকলে জ্যোতিষ, চিকিৎসা-শাস্ত্ৰ, গণিত-শাস্ত্ৰ আৰু আৰব দেশৰ পৰা সংগ্ৰহ কৰিছিল; আৰু আৰব দেশে ভাৰতৰ পৰা সেইবোৰ সংগ্ৰহ কৰিছিল। অষ্টম শতাব্দীত ভাৰতবৰ্ষীয় পণ্ডিতসকলে বোগদাদৰ ৰাজসভাত চিকিৎসা-শাস্ত্ৰ শিক্ষা দিছিল। যিহক, আয়ুৰ্ব্বেদশাস্ত্ৰ অতি প্ৰাচীন, আৰু তাৰ জন্ম এই ভাৰতবৰ্ষতেই হৈছিল তাৰ হেজাৰ হেজাৰ প্ৰমাণ পোৱা যায়। প্ৰাচীন ৰোম আৰু গ্ৰীচ যেতিয়া সভ্যতাত উদ্ভাসিত হৈছিল, সেই সময়ত মিশৰ আৰবদেশে to be retained প্ৰাচীনত্বৰ বৃথা অভিমান কৰি মতলীয়া হৈছিল। ইউৰোপ যেতিয়া অসভ্যতাৰ ঘোৰ অন্ধকাৰৰ ভিতৰত সোমাই আছিল তেতিয়া সভ্যতাৰ মাতৃভূমি এই ভাৰতবৰ্ষতেই আয়ুৰ্ব্বেদৰ প্ৰচাৰ আৰম্ভ হৈছিল। মাতৃভূমিয়ে চিকিৎসা শাস্ত্ৰ প্ৰচাৰ বিষয়ত প্ৰাচীন জগতত প্ৰথম পথ দেখুৱাই দিছিল আৰু মানুহৰ বল, বুদ্ধি, মেধা স্মৃতি-শক্তি আৰু পৰমায়ুৰ ৰক্ষণ-বিধিৰ আকৰস্বৰূপ চিকিৎসা-শাস্ত্ৰ সমগ্ৰ জগতক উপহাৰ দি সকলো জগতকেই ঋণ-বান্ধোনেৰে বান্ধি ৰাখিছিল।

দেশবাসী ভ্ৰাতৃসকল, আপোনালোকৰ সৰ্ব্বমঙ্গল কৱচস্বৰূপ আয়ুৰ্ব্বেদ-শাস্ত্ৰৰ উন্নতিৰ বাবে যত্ন কৰি জন্মভূমিৰ গৌৰৱ ৰক্ষা কৰাটো আপোনালোকৰ কৰ্ত্তব্য নহয় নে? ওঁতৎসৎ।

—:•:—

# ভাষা, সাহিত্য আৰু সমাজ।

## [অসম সাহিত্য সভাৰ পঞ্চদশ সন্মিলনত পঠিত—সাৰাংশ]

সাহিত্য হৈছে ভাৱৰ অভিব্যক্তি বা মানুহ জীৱনৰ ব্যাখ্যা আৰু সমাজে এই সাহিত্যৰ সৃষ্টি কৰে। (অতএব সমাজেই সাহিত্যৰ জীৱন আৰু সাহিত্যৰ জীৱন সমাজ)। সমাজৰ উন্নতিয়েই সাহিত্যৰ উন্নতি আৰু সাহিত্যৰ উন্নতিয়েই সমাজৰ উন্নতি। যি ভাষাত শব্দৰ সংখ্যা বেচি আৰু নিচেই সূক্ষ্ম মনৰ ভাববিলাক প্ৰকাশ কৰিব পৰা শব্দ আছে সেই ভাষাই চহকী। আমি অসমীয়া—আমাৰ ভাষা অসমীয়া। আমাৰ সাহিত্য আৰু সমাজৰ উন্নতি কৰিবলৈ হলে প্ৰথমতে আমাৰ ভাষাৰ উন্নতি হব লাগিব। ইংৰাজসকলে নিজৰ ভাষাক চহকী কৰিবলৈ গ্ৰীক্, লেটিন্, হিব্ৰু ইত্যাদি ভাষাৰ পৰা বহুত শব্দ লৈ নিজৰ সাঁচত পেলাই নিজা কৰি লৈছে। আমাৰ ভাষা চহকী কৰিবলৈ হলেও আমিও তেনেকৈ অন্য ভাষাৰ পৰা শব্দ আনি নিজৰ জাতিগত সাঁচত পেলাই নিজা কৰি লব লাগিব

উগ্ৰমূৰ্ত্তি নাই। আমাৰ অসমীয়া সমাজখনিও এই প্ৰকৃতিৰ বুকুতে স্থাপিত। সেইদেখি আমাৰ সমাজ শান্তি প্ৰিয়, আমাৰ ভাব কোমল আৰু ভাষাও কোমল। এই কোমলতাৰ ওপৰত আমাৰ আক্ষেপ কৰিব লগীয়া একো নাই, বৰং গৌৰব কৰিব লগীয়াহে আছে। মানুহৰ ভাববোৰে সিহঁতক আগুৰি থকা বস্তুবোৰ অতিক্ৰম কৰি যাব নোৱাৰে, সেইহে আমাৰ প্ৰত্যেক পদতে প্ৰকৃতিৰ উপমা। সাধাৰণ হাবিৰ নামতো এই উপমা। এই প্ৰকৃতিৰ লগত তুলনা ৰাখি কবিতা নিলিখিলেই যেন আমাৰ ভাবে খাপ নেখায়। য'তে এই তুলনা ত'তে এটি মনমোহা ভাব। সেইহে আমি দেখিবলৈ পাওঁ যে শ্ৰেষ্ঠ কবি ৰবীন্দ্ৰয়ো তেখেতৰ নিজ সমাজস্থিত প্ৰকৃতিৰ ভাব দেই যাব পৰা নাই। সেইহে পদ্মানৈত বা হুগলী নৈত পালতৰা নৌকাৰ উপমা যেনে :—

"লেগেছে অমল ধবল পালে মন্দ মধুৰ হাওয়া"
দেখি নাই কভু দেখি নাই এমন তৰণী বাওয়া"
কোন সাগৰেৰ পাৰ হতে আসে, কোন সুদূৰেৰ ধন,
ভেসে যেতে চায় মন, যেতে চায় ঐ কিনাৰায়,
সব চাওয়া সব পাওয়া"।

আৰু সেইহে আমাৰ কবিৰো পৰ্ব্বতৰ ঢেকিয়াৰ উপমা যেনে :—

পৰ্ব্বতৰ ঢেকিয়া লিহিৰি-পতীয়া বতাহতে হালে জালে
কলা ডাৱৰত বগে জাকপাতি উৰা মাৰে কৰবালে।

• • • •

পখিলি উৰিলে উৰিব ডালিমী লগৰে লগৰী পাই
মনৰে ঘোৰাটি ছুটি মেলি যাব কেনিও উৰাদিহ নাই"।

এই দুইটিৰে উদ্দেশ্য একে—মনক অনন্তত বিলীন কৰা। এটি জগত বিখ্যাত কবিৰ ৰচনা আৰু আনটি আমাৰ এজন কবিৰ ভাবৰ প্ৰকাশ। তথাচ যেনে আমাক নিৰ্ম্মল পালতৰা নৌকাতকৈ পৰ্ব্বতৰ ঢেকিয়াইহে বেচিকৈ আকৰ্ষণ কৰে। ইয়াৰ কাৰণ কি? কাৰণ আমাৰ নিজৰ প্ৰকৃতি। যদি নিজৰ সমাজগত নাটকৰ নিমিত্তে দৃশ্য নাই, দৃশ্য কৰি লোৱা। কানি-খোলা ভাঙ্গা, লোৰোপা নহবা মূৰ দাঙ্গি বুকু ফিন্দাই নিজৰ ভৰিৰ ওৰপত ভৰ দি থিয় হোৱা, দেখিবা তোমাৰ বীৰত্ব আছে, তোমাৰ কথাতো তেজ তপত হয়। বঙলা নাটকৰ পৰা তৰ্জ্জমা কৰি ৫০০ বছৰৰ আগৰ মোগল বা ৰাজপুতৰ ভাৱৰীয়া সাজিবলৈ গৈ অসমীয়া সমাজক হীন নেদেখুৱাবা; যাতে বঙ্গৰ ভাইসকলে আৰু কবলৈ নাপায় যে অসমত তেওঁলোকৰ জ্ঞান আৰু সভ্যতাৰ নিচান (Cultural conquest) উৰাবলৈ বেচি দিন নেলাগিব।

অৱশেষত কওঁ, আমাৰ মুছলমান ভাইসকলেতো অসমীয়া সাহিত্যৰ ফালে একেবাৰে পিঠি দি বহি আছে। তেওঁলোকৰ ধৰ্ম্ম, ইতিহাস আৰু আচাৰ-ব্যৱহাৰ বেলেগ হলেও একে অসমীয়া সমাজতে তেওঁলোকৰ স্থিতি। তেওঁলোকে কয় বোলে তেওঁলোকৰ নিজৰ ধৰ্ম্ম ইতিহাস ইত্যাদি লৈ এটা বিশেষত্ব আছে। কিন্তু এই বিশেষত্বৰ ফালে হিন্দুভাইসকলেও পিঠি দি বহি আছে। আৰু বোলে যদিওবা কোনোবা হিন্দু লেখকে তেওঁলোকৰ বিষয়ে কোনো কথা লিখে, তাতো যেন এটা হেয় তাচ্ছিল্য ভাব বিৰিঙি থাকে। আৰু কয় বোলে তেওঁলোকৰ লৰাছোৱালীয়ে প্ৰথমতে পাঠশালাত পঢ়িবলৈ আৰম্ভ কৰোতেই বুজে যে এই অসমীয়া ভাষাত ৰামায়ণ মহাভাৰতৰ কথাৰ বাহিৰে, হিন্দু মহাপুৰুষসকলৰ জীৱনীৰ বাহিৰে তেওঁলোকৰ কোনো কথাৰে ঠাই নাই। তেতিয়াই ঘটা ভাব অন্তৰত সোমাই যায় যে অসমীয়া সাহিত্য তেওঁলোকৰ বাবে নহয় আৰু যেতিয়া ডাঙৰ হৈ কলেজত ইংৰাজী পঢ়ে তেতিয়া বঙলা ভাষাৰ পৰা অনা অসমীয়া নাটকৰ ভাৱনা দেখি সেই লৰাকালৰ ভাব দূৰ হৈ পৰে আৰু তেওঁলোকে ভাবিবলৈ বাধ্য হয় যে যদিও হিন্দু সমাজ অসমীয়া আৰু তেওঁলোকৰ সমাজো অসমীয়া তথাচ দুয়ো পৃথক। আৰু তেওঁলোকে কয় যে হিন্দুৰ সমাজত তেওঁলোক 'গৰিয়া'। তেওঁলোকৰ সকলো কথাই ঘৃণাৰ পাত্ৰ; আৰু সেই দেখি তেওঁলোকৰ আন আন ঠাইৰ মুছলমানৰ ওপৰত হে চকু। এতিয়া মই



আমাৰ হিন্দু ভাইসকলক কওঁ যে এই অসম মাতৃৰ একে স্তন্য পান কৰি ডাঙৰ দীঘল হোৱা মুছলমান ভাইটিহঁতক অকৰ্ম্মণ্য বুলি এৰি নিদিব। তেওঁলোকৰ ধৰ্ম্মত, তেওঁলোকৰ ইতিহাসত তেওঁলোকৰ আচাৰ-ব্যৱহাৰত বহুত কথা আছে— যাক চৰ্চ্চা কৰিলে অসমীয়া সাহিত্যৰ কলেৱৰ বৃদ্ধি হব। আৰু মুছলমান ভাইসকলকো কওঁ যে, তেওঁলোকে হাত সাবটি বহি থাকিলে নহব। তেওঁলোকেও অসমীয়া সাহিত্যক দান কৰিব লগীয়া বহুত আছে। অসমীয়া ভাষা, অসমীয়া সাহিত্য তোমালোকৰ বুলি জ্ঞান কৰা। এতিয়া যদি বিশ্ব-বিদ্যালয়ে নিজৰ মাতৃভাষাত শিক্ষা দিবলৈকে থিক কৰিলে তেনেহলে এই ভাষা চৰ্চ্চা নকৰিলে তোমালোকৰ নিস্তাৰ নাই। তোমালোকতকৈ কেইদিন মানৰ আগতে বা পাছতে অহা হিন্দুস্থান চহৰৰ কনৌজৰ বামুণ কেইজনৰ বংশধৰ সকলে বা তেওঁলোকৰ শিষ্যবৰ্গই যদি তোমালোকক গৰিয়া বুলি হাহেঁ আৰু তোমালোকৰ তাতে গা বেজায় তেন্তে তোমালোকেও কব পাৰিব লাগিব যে আমাৰো পূৰ্ব্ব পুৰুষসকল সেই একে হিন্দুস্থানৰ চহৰৰ দিল্লী মহানগৰীৰ পৰা অহা মানুহ বা তেওঁলোকৰ শিষ্যবৰ্গ। অতএব এই হিন্দুভাইসকলৰ অসমীয়া ভাষাত অসমীয়া সাহিত্যত অসমীয়া সমাজত যেনে দখল আমাৰো তেনে দখল। মুছলমান ভাই সকল! এইকথা কেৱল মুখেৰে কলে নহয় কাৰ্য্যত দেখুৱাব লাগিব। যদি তাকে নোৱাৰা তেন্তে গৰীয়া বুলিলে বেজাৰ পোৱাৰ একো অৰ্থ নাই। "গৰিয়া" বুলিলে যদি তোমালোকৰ বেজাৰ তেন্তে তোমালোকৰ মনুষ্যত্ব প্ৰকাশ কৰা। তোমালোকৰ 'গাফিলি' ভাবটোৱেই অসমীয়া সাহিত্যৰ এটা অঙ্গ খোৰা কৰি থৈছে। সচাকৈয়ে যদি কোনো কাৰিকৰে অসমীয়া সাহিত্যৰ এটি প্ৰতিমূৰ্ত্তি গঢ়ে তেন্তে ইয়াৰ এটা কাণ নাইকিয়া বা এটা চকু কনা বা এখন হাত কোঙ্গা বা এখন ভৰি খোৰা কৰিব লাগিব। এই প্ৰতিমূৰ্ত্তিক সৰ্ব্বাঙ্গসুন্দৰ কৰি গঢ়িবলৈ হলে মুছলমান সকলকো সমানে টানি নিব লাগিব। হিন্দু মুছলমান দুইৰো দায়িত্ব সমান।

এতেকে সৰ্ব্বশেষত মোৰ কবলগীয়া এয়েই যে আমাৰ ভাষা প্ৰকৃতিজাত, আমাৰ সকলো শব্দই স্বকীয়া আৰু মৌলিক। আমাৰ সমাজৰ নিজ ভাববোৰ ইহঁতে যেনেকৈ প্ৰকাশ কৰিব পাৰে আন ভাষাৰ পৰা অনা কোনো শব্দই তেনেকৈ নোৱাৰে। যিটো ভাব বা কথাৰ অসমীয়া প্ৰতিশব্দ নাই আৰু আমাৰ নিজৰ স্বকীয়া শব্দ ব্যৱহাৰ কৰিলে যথাযথ অৰ্থ প্ৰকাশ নকৰে আৰু যি বোৰ কথা গোটেই জগতে একে শব্দেৰে প্ৰকাশ কৰে তেনে শব্দৰ বাহিৰে কোনো শব্দই (কি সংস্কৃত, কি পাৰ্চ্চী, কি ইংৰাজী) আমাৰ সাহিত্যত যেন ঠাই নেপায়। হিংসা বিদ্বেষৰ বশবৰ্ত্তী হৈ যেন কোনেও সাহিত্যত হাত নিদিয়ে। সচাকৈয়ে সমাজ উন্নত কৰিবলৈ হলে সাহিত্য ওখ ধৰণৰ আৰু সৰ্ব্বাঙ্গসুন্দৰ হব লাগিব। ইয়াত জাতি ধৰ্ম্ম সাম্প্ৰদায়িকতাৰ চেকা থাকিব নেলাগিব আৰু সুন্দৰ ৰূপেই সুন্দৰ পৰিকল্পনাই সাৰ হব লাগিব। এনেকুৱা নিৰ্ম্মল সাহিত্যই একতাৰ বান্ধ দৃঢ় কৰিব আৰু তাৰ লগে লগে সমাজৰ পৰিপুষ্টি সাধন কৰি অসমীয়া সমাজক এক নতুন প্ৰাণেৰে গঢ়িব। ভাষাৰ উন্নতিয়েই এই সাহিত্যৰ উন্নতি আৰু সাহিত্যৰ উন্নতিয়েই সমাজৰ উন্নতি।

মহম্মদ মহিবুল্লা, বি, এ,
এ চি, এ।

——:•:——

# বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি। *

সেইটি জয়ধ্বজ শৰ্ম্মা বোপানে? আহাঁ আহাঁ, মোৰ ওচৰতে গোটেই মোৰ কাষ চাপি বহাঁহি। সিদিনা তুমি মোৰ সমাধি অৱস্থাত আহিছিলা দেখি অলপ আহুকাল পাইছিলা। আজি সমাধি ভাগি জৰ্জ্জৰীয়া হৈ বহি আছোঁ। এইটো শুভক্ষণ। আৰু কাষ চাপি আহাঁ; বৰ জাৰ; অলপ উম লাগক।

জয়ধ্বজ। —— দেখি সন্তোষ পালোঁ যে আজি ডাঙৰীয়াৰ মনত ৰং।

বৰবৰুৱা। —— মোৰ মনত সদায় ৰং।

মাজেসময়ে খং উঠে, ৰং দি কথা কৈ ফুৰা মানুহ দেখিলে, আজি তোমাৰ নিচিকে মন যায় মোক প্ৰশ্ন কৰি পুতি থব পাৰা। মোৰ উত্তৰত খং, ৰং আৰু ৰং একো নাথাকে, যদিও মই অলপতে ৰংপুৰৰপৰা আহিলোঁ; থাকিব মাথোন সন্তোষ।

জয়ধ্বজ। —— ৰংপুৰৰপৰা অহাৰ পিছতো যে ডাঙৰীয়াৰ মনত ৰং নাথাকে, শুনি চুণিত হলোঁ।

বৰবৰুৱা। —— থাকিব নোৱাৰিলে। কাৰণটো কওঁ। আজি আৰু আগৰ সেই ৰংপুৰ নাই। আগৰ ৰংপুৰ ছন পৰিল। আজিৰ ৰংপুৰ শোকপুৰ হল। শিৱসাগৰৰ বৰপুখুৰীটোত আজি আগৰদৰে সেই ফটিকৰ ধাৰ যেন নিৰ্ম্মল পানী নাই। বৰপুখুৰীটো আজি শিৱসাগৰীয়াৰ চকুৰ লোৰেহে পূৰ হৈ আছে। শিৱসাগৰীয়াৰ দুৰ্দ্দশাৰ গুৰিত অনেক গ্ৰহ উপগ্ৰহৰ উৎপাত। তাৰ শান্তিৰ অৰ্থে গ্ৰহযজ্ঞ, তিলহোম প্ৰভৃতি কৰিবলৈ শিৱসাগৰীয়াৰ হাতত পইচা নাই; গাত উত্তম নাই। কোন কোন দুষ্টগ্ৰহৰ দোষত শিৱসাগৰীয়াৰ এনে দুৰ্গতি ঘটিল, সেইবোৰৰ লেখ গনি-পঢ়ি থিৰাং কৰি থৈছোঁ। কিন্তু কবলৈ গলে ঘাই ঠাই আৰু অনেক পালি ঠাইত জগৰ লাগিব। তাতে আজিকালি "অৰ্ডিনেঞ্চৰ" দিন। সেই দেখি মৌনং হি শোভনং।

জয়ধ্বজ। —— সাহিত্য সভাত আপোনাক বেজবৰুৱা ডাঙৰীয়াৰ পিছতে বহি থকা দেখি সন্তোষ পাইছিলোঁ। আপুনি তেখেতৰ কাষত থাকিলে আমাৰ বুকুখন ডাঠ হৈ থাকে।

বৰবৰুৱা—কিয় ?

জয়ধ্বজ। — পাৰ্থ মহাৰথী। কিন্তু পাৰ্থ সৰাপি কাষত নাথাকিলে পাৰ্থৰ হাতৰ পৰা গাণ্ডীব ধনু থন গুৱালৰ লৰাই কাঢ়ি নিয়ে। পাৰ্থই ৰক্ষা কৰি ইন্দ্ৰপ্ৰস্থলৈ আনোতে কৃষ্ণপত্নীসকলকো গৰখীয়া লৰাই কাঢ়ি নিছিল। এইকথা অৰ্জ্জুনে নিজেই যুধিষ্ঠিৰৰ আগত কৈ কান্দিছিল :—

"কিবা সোধা ৰাজা আমাত কথা।
কেনে নো নভৈল মোৰ অৱস্থা ॥
ৰাখিয়া আনো কৃষ্ণ-পত্নীজাক।
গোৱালে কাঢ়ি নিলে তাসম্বাক ॥"

সেইদেখিহে ডাঙৰীয়া কৃপাবৰক আমি সেইজন কাষত বিচাৰোঁ। বাৰু ডাঙৰীয়াক সোধোঁচোন, সভাখন কেনে দেখিলে ?

বৰবৰুৱা। —— ভাল দেখিলোঁ। দেখি সন্তোষ পালোঁ। শিৱসাগৰৰ নিচিনা আজি এধামৰা ঠাই এনেকৈ নতো লৰা, ডেকা, বুঢ়া, ছোৱালী, ডেকেৰী, বুঢ়ীৰ মুখত যি দেশপ্ৰীতি আৰু সেৱাৰ তেজে মুখকেখন ফুটি যাওঁ ফুটি যাওঁ কৰা দেখি মোৰ হিয়াখন জুৰ পৰি গৈছিল। যেয়ে যিহকে কওক, অসমীয়া জাতিটোৰ লক্ষণ মৰিবলৈ যোৱাৰ নহয়। আজি অসমীয়াই পৰি থকা মাটিতে ভেজা দি ককাল পোনাই লৈ আকৌ উঠিবলৈ চেষ্টা কৰিছে। আজি যদিও ঘৰে ঘৰে নানা বিপদৰ প্ৰভাৱ, তথাপি অসমীয়া মহিলাসকলৰ মুখত ধৈৰ্য্য গাম্ভীৰ্য্য আৰু প্ৰশান্তিৰ হাঁহি দেখিলে ভবিষ্যতৰ দুৰ্ভাবনা দূৰ হয়। সকলো জাতিৰ ভিতৰত মহিলাসকলেই শিলৰ খুটি। সেই খুটিতো হেলেক দুলেক নহলে সেই জাতিটোক পেলায় কোনে



? সেদিনা সভাত মোৰ অসমৰ অসমীয়া আই সকলৰ মুখৰ আগত আঁৰ-কাপোৰ নাই; মূৰৰ ওপৰৰ পৰা অন্তাৰলৈ নামি অহা ওৰণী-বাহুৰ সৰ্ব্বগ্ৰাহ গ্ৰহণ নাই। মাতৃভূমিৰ মঙ্গলৰ কথাত পুৰুষৰ মুখতকৈও তেওঁলোকৰ মুখ প্ৰদীপ্ত। ন-দহ বছৰীয়া ছোৱালীয়ে নিঃসঙ্কোচে সভামণ্ডপত থিয় হৈ সুললিত কণ্ঠেৰে সুমধুৰ অকৃত্ৰিম অসমীয়া সঙ্গীত গাইছে, আৰু সংগত নৃত্যৰ ভঙ্গীৰে সেই সঙ্গীতৰ সুকোমল টীকা আৰু ভাষ্য কৰি তাক উজ্জ্বলিত কৰিছে—ঠিক যেন শ্ৰীমদ্ভাগৱতৰ শ্ৰীধৰ স্বামীয়ে কৰা মৰ্ম্মভেদী আৰু ৰসস্ৰাৱী টীকাহে। অতিথিক অমৃত-বৰষা উৰুলিৰ ধ্বনিৰে আনন্দ দি উল্লসিত কৰিছে, আৰু তেওঁৰ প্ৰশস্ত কপালত সুশীতল চন্দনৰ ফোট, ডিঙিত সুগন্ধ ফুলৰ মালা, আৰু মূৰত কণ্ কণ্ ধৰা যেন আখৈ সিঁচি দি তেওঁক আদৰিছে। দৃশ্যটো মধুৰতো সুমধুৰ নহয়নে ? অসমীয়া মহিলাসকলৰ এনেকুৱা কাৰ্য্যকলাপে যেন দৃঢ় কণ্ঠেৰে কৈছিল,—ঈশ্বৰৰ ইচ্ছাত আমাৰ যি দুখ-দুৰ্গতি হৈছে, হওক; তাতে আমি ভাগৰি নাযাওঁ; ঈশ্বৰৰ কৰুণাত আমি আকৌ উঠিমহঁক।

অভ্যাগতক অভিনন্দন পত্ৰ দিয়া হ'ল— স্বদেশৰ শিল্পকলাবিমণ্ডিত শৰু পেৰা এটাৰ ভিতৰত অসমীয়া নিজৰ সাঁচীপাতৰ পুথিত সেইখন ছপা কৰি। সেই পেৰাটো ইংৰাজী গঢ়েৰে বাহৰ চুঙাৰ "কেস্কেট" নহয়। শাকৰ আৰু চুণা দিয়া শৰাইৰ ভিতৰত সুমাই তাক আগবঢ়োৱা হৈছিল। প্ৰাচীন কালত নৈমিষাৰণ্যৰ ঋষিসত্ৰত পুৰাণবক্তা সৌনকৰ আসনৰ নিচিনা অভ্যাগতৰ আসন। তেওঁৰ সমুখত ধূপ, ধুনা, প্ৰদীপৰ শাৰী আৰু ফুলৰ শৰাই। অভ্যাগত এনে আসন আৰু সম্মানৰ যোগ্য নে অযোগ্য সেইটোলৈ নচাওঁ, মাথোন ইয়াকে কওঁ,— কি পবিত্ৰ দৃশ্য!

মহাত্মা গান্ধীকে প্ৰমুখ্য কৰি মনিষীসকলৰ ব্যৱস্থা যে দেশত পুনৰ প্ৰাণ-প্ৰতিষ্ঠা কৰিবলৈ হলে স্বদেশতে স্বদেশী সূতাৰে কাপোৰ-কানি বৈ কাটি ল'ব লাগিব। আমাৰ এধা-মৰা অসমত স্বভাৱতে সেই কাৰ্য্য আজিৰ দিনতো অনেক পৰিমাণে বৰ্ত্তমান। কথেকীয়া বিদেশী মোহত যদিও অসমীয়া মহিলাসকল কিছুদিনলৈ পৰি নিজৰ শক্তি-সামৰ্থ্যত বিশ্বাস হেৰুৱাইছিল, আজি সেই মোহ গুছিল বুলিব লাগে। আত্মশক্তি অৱলম্বনৰ দ্বাৰাই আত্মপ্ৰতিষ্ঠাৰ ভাব আকৌ আজি অসমত উন্নতি আহিছে। ভাৰতৰ আন আন প্ৰদেশে যিবোৰ অহিতকৰ ব্যৱস্থা আৰু অৱস্থাত পৰি থাকি, সেইবোৰ আঁতৰাবলৈ প্ৰাণপণে চেষ্টা কৰিছে, সেইবোৰৰ সৰহ ভাগৰ অস্তিত্ব আসামত নাই। বাল্য-বিবাহ বিধৱা-বিবাহৰ নিষেধাত আসামে পুৰণিকালৰে পৰা ভাঙি আহিছে। অস্পৃশ্যতাৰ উৎকট অত্যাচাৰৰ গাত শ্ৰীমন্ত শঙ্কৰৰ ধৰ্ম্ম-শিক্ষাই অনেক কালৰে পৰা বৰকুঠাৰ মাৰি তাক নিশকতীয়া কৰি থৈছে। তাক একেবাৰেই ভূমিস্যাৎ কৰিবলৈ আজিৰ শিক্ষা-দীক্ষাৰ বাগিকুঠাৰৰ দুকোৰ একোৰ মাথোন আৱশ্যক। হিন্দু মুছলমানৰ মিল নহলে ভাৰতে স্বৰাজ লাভ কৰিব নোৱাৰে। এই কথা আজি ভাৰতত হিমালয়ৰ পৰা কুমাৰিকালৈকে আৰু পুষ্কৰৰ পৰা কুণ্ডিললৈকে মুখৰিত। কিন্তু আমাৰ আসামত এই সমস্যা নাই। আশা কৰোঁ আগলৈকো যেন এই সমস্যা আসামত নোসোমায়। মই দেখা কথা :— তোমালোকৰ সভাত নিৰ্ম্মালি পোৱা বেজবৰুৱাৰ পিতৃদেৱতা ডাঙৰীয়া দীননাথ বেজবৰুৱাই শিৱসাগৰত হায়েৎখাঁ নামেৰে তেওঁৰ মুছলমান কাৰ্য্যকাৰক এজনক যাৱজ্জীৱন পেঞ্চন দি পুহিছিল। আৰু কৃতজ্ঞতাৰ আনন্দত গাজাদ হায়েৎখাঁ তেখেতৰ ঘৰলৈ আহিলে, তেখেতে হায়েৎখাঁক যথেষ্ট সমাদৰ কৰিছিল। এই দিনিতে মন কৰিব লগীয়া যে দীননাথ বেজবৰুৱা ডাঙৰীয়া অতি নৈষ্ঠিক ব্ৰাহ্মণ আৰু হিন্দুৰো হিন্দু আছিল। আসামৰ বাহিৰে আন অনেক দেশত, অপৰূপ ভাবাপন্ন অনেক মুছলমানৰ মুখত শুনিছোঁ,— আমি নবাব বাদশ্বাহৰ জাতৰ; আৰু সিদিনালৈকে আমি ভাৰতৰ ৰজা আছিলোঁ; আন কি ইউৰোপৰ স্পেইনলৈকে আমি জয় কৰিছিলোঁ, ইত্যাদি ইত্যাদি। ইয়াৰ উত্তৰতো তেনেকুৱা অপৰূপ ভাবাপন্ন হিন্দুৰ মুখতো শুনিছোঁ, যে আমি হিন্দু একালত সপ্তদ্বীপা পৃথিৱীৰ অধীশ্বৰ আছিলোঁ; মনু, সগৰ,

গয়, মান্ধাতা, যযাতি, চন্দ্ৰগুপ্ত আৰু অশোকৰ ৰাজ্যৰ পৰিধি আৰু প্ৰভাৱৰ কথা কোনে নাজানে? মাথোন সময়ৰ অগা-পিছাৰ কথা ইত্যাদি ইত্যাদি। দুই পক্ষৰ কথাবোৰত সত্য থাকিলেও, দেশ কাল পাত্ৰ বুজি এইদৰে ওফাদাইং মাৰি ফুৰাটো যে শোভন কাৰ্য্য নহয়, তেওঁলোকে অলপ দ-কৈ ভাবি চালেই বুজিব পাৰিব। অশোকৰ নাতি, আলমগিৰৰ নাতি আৰু পুৰন্দৰ সিংহৰ নাতি আজি একেখন বৰ জাপৰ তলতে। মিছা ফকৃফকনিত লাভ একো নহয়; বৰং বৰজাপৰ ওপৰত বৰকঁথাৰ নিহালি আৰু খনচেৰেক পৰিবৰ সম্ভাৱনা। দেখি বৰ সুখ পালোঁ যে অসমীয়া হিন্দুৱে বুজে "আই মোৰ আসাম," অসমীয়া মুছলমানে বুজে "আই মোৰ আসাম" আৰু আন আন বিভিন্ন ধৰ্ম্মাৱলম্বী অসমীয়াইও বুজে "আই মোৰ আসাম"; আৰু বুজে যে "আইৰ সেৱাই মোৰ পৰম কৰ্ম্ম"। মোৰ অসম আইৰ সন্তানসকলৰ এনে লক্ষণ দেখি মোৰ হিয়াত আশাই ভালকৈ ঠাই লৈছে যে অসমে জগতত আকৌ শ্ৰেষ্ঠ আসন ল'ব। সাহিত্য সভাত তিনি চাৰিজন বিশিষ্ট অসমীয়া মুছলমান ভদ্ৰলোকে বক্তৃতা দিলে। তেওঁলোকৰ কথাত উদাৰতা আৰু ব্যৱহাৰত সৰলতাই মোৰ মনত বৰ সুখ দিলে। আনদেশৰ দৰে কোনোজনৰ কথাত ডাংকোপ, বিদ্বেষ আৰু অভিমানৰ লেশ মাত্ৰ নাছিল। আছিল মাথোন জননী জন্মভূমিৰ সেৱাৰ ঐকান্তিক ভাব।

মুঠতে সাহিত্য সভা মই বৰ সন্তোষেৰে চাই উভতি ৰেলগাড়ীত উঠিলোঁ। শিমলুগুৰিৰ পৰা আহি সন্ধ্যা লাগি ভগাৰ পিচত এটা ষ্টেস্যন পালোহি তাৰ নাম শুনিলোঁ "বড়পাথাৰ।" বুজিলোঁ, আমাৰ বৰপথাৰ বঙলুৱা হৈ তেনেকৈ ওলাইছে। তাৰ পিছত আৰু এটা ষ্টেস্যনত গাড়ী ৰলহি। ঘোপ্‌মৰা এন্ধাৰত ষ্টেস্যনৰ নামটো পঢ়িব নোৱাৰি, ৰেলৰ যাত্ৰীক পানী দিয়া অসমীয়া মানুহ এটাক সুধিলো "হেৰ, এইটো কোন ষ্টেস্যন অ?" সি উত্তৰ দিলে "দেউতা, চকপথাৰ! (অৰ্থাৎ চক পথাৰ)। সি ভাবিছিল সি যেতিয়া ৰেল কোম্পানীৰ এটা মাতঃবৰ কৰ্ম্মচাৰী, তাৰ ওপৰৱালা বঙালী বাবু সকলে যেনেকৈ সেইটো উচ্চাৰণ কৰে, সেইদৰে "শুদ্ধ" উচ্চাৰণ কৰাটোহে তাৰ কৰ্ত্তব্য। হৰি হৰি! অসমত অসমীয়াৰ ঠাইবোৰৰ নাম পৰ্য্যন্ত বিদেশীৰ প্ৰভাৱত কেনেকৈ দূষিত হৈছে!

জানা জয়ধ্বজ, আজি অসমীয়াৰ আত্মসন্মান ৰক্ষাৰ নিমিত্তে আত্মপ্ৰতিষ্ঠা বৰ আৱশ্যকীয় হৈ পৰিছে। •

কৃপাবৰ।

—(:•:)—

# আমাৰ প্ৰাথমিক শিক্ষা।

দেশৰ জনসাধাৰণে যাতে সহজতে বিনা মাচুলে প্ৰাথমিক শিক্ষা পাব পাৰে তাৰ কাৰণে প্ৰত্যেক স্বাধীন উন্নত দেশতে সুব্যৱস্থা আছে। জাপানৰ প্ৰাথমিক শিক্ষাত শিক্ষিত বা লিখিব পঢ়িব জনা শিক্ষিতৰ সংখ্যা প্ৰায় শতকৰা নৰৈ জন আৰু সেই কাৰণেই জাপান আজি ইমান উন্নত আৰু জাপান জাতি ইমান পৰাক্ৰমী আৰু সভ্য হৈ উঠিব পাৰিছে। ৰাছিয়াত চভিয়েট গৱৰ্ণমেণ্ট হবৰে পৰা ৰাছিয়াৰ জনসাধাৰণৰ শিক্ষাৰ এনে ব্যৱস্থা হল যে ৰাছিয়াৰ প্ৰায় সকলোৱেই শিক্ষিত (লিখিব পঢ়িব পৰা) হৈ পৰিছে। জাৰ্ম্মানীত জাৰ্ম্মান গৱৰ্ণমেণ্টে প্ৰাথমিক শিক্ষাৰ কাৰণে এনে যত্ন আৰু ব্যৱস্থা লৈছে যে দুখীয়া ছাত্ৰক কিতাপ পৰ্য্যন্ত বিনামূল্যে চৰকাৰৰ পৰা দিয়া হয় হেনো। জাতিৰ যদি প্ৰায় আটাইবোৰ মানুহ অজ্ঞান আন্ধাৰতে ডুবগৈ থাকিল, লিখিব পঢ়িবকে নজনা হৈ থাকিল, তেনেস্থলত মুষ্টিমেয় কেইজনমান অগাধ পণ্ডিতেই হ'ল যেনিবা আৰু তেওঁলোকে বিশ্ববিদ্যালয়ত গৱেষণা কৰি থাকিলেইবা, তাৰ পৰা জাতিৰ সমূহ উন্নতি একো নহয়। সামাজিক ব্যৱস্থাত "Maximum happiness of the maximum number" যেনেকৈ হব লাগে তেনেকৈ শিক্ষা সম্পৰ্কেও "maximum education of the maximum number" হ'ব লাগিব তেহে আমাৰ সমাজ বা জাতিৰ উদ্গতি হ'ব।

অকল বিশ্ববিদ্যালয়েই জাতিৰ উন্নতি আনিব নোৱাৰে। ভাৰতৰ যুক্তপ্ৰদেশতে পাঁচখনকৈ বিশ্ববিদ্যালয় আছে। কিন্তু যুক্তপ্ৰদেশৰ মানুহৰ কিমান উন্নতি হৈছে? এহাতে কেইজনমান মুষ্টিমেয় জমিদাৰ বা ধনী মালিক আভিজাত্য বি সকল বিলাস হিল্লোলতে নাচি আছে আৰু আনহাতে হাজাৰ হাজাৰ খাবনোপোৱা, লিখাপঢ়া নজনা অজ্ঞ ৰায়ত যিবিলাকক উক্ত অভিজাতসকলে শোষণ কৰিছে। পাঁচখন বিশ্ববিদ্যালয় থকা স্বত্বেও এই হাজাৰ হাজাৰ মানুহ (শতকৰা নৰৈ জন মানেই হব) অজ্ঞানতাৰ আন্ধাৰত পৰি আছে আৰু জঘন্য জীৱন যাপন কৰিছে। অসম বিশ্ববিদ্যালয়ৰ কাৰণ অতি আগ্ৰহী বা ৰৰকৈ চিঞৰ বাখৰ কৰা সকলে যেন এই কথাটোলৈ মন কৰে আৰু তেওঁলোকে পদে পদে সাবধান হৈ এই বিশ্ববিদ্যালয় পাতিব লাগিব। গাঁৱলীয়া কৃষকসকলৰ খাজনাৰ টকাৰ ওপৰতে নিৰ্ভৰ কৰি আৰু তেওঁলোকৰ টকাৰেই নগৰত কেইজনমান ধনী মানুহৰ লৰাৰ সুবিধাৰ কাৰণে বা ডিগ্ৰিহোল্ডাৰ কিছুমান অদ্ভুত মানুহৰ সৃষ্টি কৰা বৰ্ত্তমান প্ৰণালীৰ কলঘৰৰ নিচিনা বা তথাকথিত পৰীক্ষা পাচৰ পাচপোৰ্ট বিতৰণ কৰা অফিচৰ দৰে বিশ্ববিদ্যালয় পাতিলে যদি জনসাধাৰণৰ শিক্ষাৰ প্ৰচাৰ বন্ধ হব বা তাত বাধা হব লাগিল তেনেহলে তেনেকুৱা বিশ্ববিদ্যালয় নহলেই ভাল। দেশৰ নেতাসকলে আৰু শিক্ষা বিষয়ে আগ্ৰহী লোকসকলে যেন আমাৰ নিৰক্ষৰ জনসাধাৰণৰ মাজত সাধাৰণ শিক্ষা প্ৰচাৰৰ কাৰণেও এতিয়াৰ পৰাই বিশ্ববিদ্যালয়ৰ লগে লগেই আনকি বিশ্ববিদ্যালয় অহাৰ আগডোখৰতেই যত্নৱান আৰু সচেতন হৈ কাম কৰে, সেই কাৰণেহে এই কথা আগবতৰতে উল্লেখকিয়ালোঁ। ইয়াত যেন আমাক ভুল নুবুজে, আমি অসম বিশ্ববিদ্যালয়ৰ বিৰোধী বা বিৰুদ্ধে প্ৰচাৰ কৰা আন কি কোনো বিধৰ লোক নহয়, বৰং এজন আন্দোলনকাৰীহে; কিন্তু এই সম্পৰ্কে আমাৰ বহুতো ভাবিবৰ আৰু কৰিবৰ আৰু সাবধান হ'বৰ আছে।

ভাৰতত মহামতি গোখেলেই পোন প্ৰথমতে জনসাধাৰণৰ শিক্ষা নহলে যে ভাৰতৰ সামাজিক, ৰাষ্ট্ৰনৈতিক, অৰ্থনৈতিক একো উন্নতিয়েই কৰা সম্ভৱপৰ নহয়, এই কথা বুজি, জনসাধাৰণৰ শিক্ষাৰ কাৰণে আন্দোলন চলায়। তেওঁ ১৯১১ চনতে ইম্পিৰিয়েল্ লেজিচ্‌লেটিভ্ কাউন্সিলত বাধ্যতামূলক প্ৰাথমিক শিক্ষা বিলৰ অৱতাৰণা কৰে। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা তেতিয়াৰে পৰা ভাৰতত বিশেষভাৱে এটি সাধাৰণ দাবী আৰু অত্যাৱশ্যকীয় সমস্যা হৈ উঠিছে।

ভাৰতত তলত দিয়া প্ৰদেশবিলাকত তলত দিয়া সময়মতে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্ত্তনৰ আইন নিজ নিজ কাউন্সিলবিলাকত গৃহীত হৈছে। বাৰ্ম্মাৰ বাহিৰে ভাৰতৰ সকলো প্ৰদেশতে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্ত্তন আইনৰ দ্বাৰা কাউন্সিলত গৃহীত কৰোৱা হৈছে। মাদ্ৰাচ-১৯২০, পাঞ্জাব্-১৯১৯, বোম্বে-১৯২৩, যুক্তপ্ৰদেশৰ-১৯২৬, বিহাৰ-উৰিষ্যা-১৯১৯, মধ্যপ্ৰদেশ আৰু বেৰাৰ-১৯২০ ইত্যাদি। উপৰোক্ত প্ৰত্যেকখন প্ৰদেশতে অন্ততঃ অলপ অচৰপকৈ হলেও আইনমতে এই বাধ্যতামূলক শিক্ষাৰ পৰীক্ষা চলোৱা হৈছে। দিল্লীয়ে এই বিষয়ে বেচ যত্ন কৰিছে আৰু বহুতো ঠাইত বাধ্যতামূলক শিক্ষা চলাইছে।

আমাৰ অসমতো বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আইন ১৯২৬চনতে অসম কাউন্সিলত পাচ হৈ গৈছে। আৰু বিল গৃহীত হৈ আইন হোৱাৰ লগে লগেই অসম গৱৰ্ণমেণ্টে প্ৰাথমিক শিক্ষা সম্পৰ্কে বেচ আগ্ৰহ দেখুৱাই বিশেষভাৱে এজন বিশেষ বিষয়া (Special officer for

• ধনৰ অভাৱত পত্ৰিকা বন্ধ হোৱাৰ আগতে পোৱা এই প্ৰবন্ধটি শিৱসাগৰ সাহিত্য সন্মিলনৰ পিচত লিখা বুলি সহজে বুজিব পাৰি। —সম্পাদক।

primary education ) নিযুক্ত কৰি ছিলঙৰ শৈল শিখৰত কিবা গবেষণা আৰু কাৰ্য্যপদ্ধতি (Scheme) কৰাইছিল হেনো। পচে উক্ত আইন পাচ হবৰ প্ৰায় অলপতে ১০ দহ বছৰ হবহিয়েই কিন্তু ক'তা অসমৰ এখন গাঁৱঁতো চৰকাৰে বাধ্যতামূলক শিক্ষা প্ৰচলন-চেষ্টা কৰি চোৱা দেখা নাপালোঁ। স্কিমেই বা ক'ত গ'ল গবেষনাই বা কি হ'ল ? ছিলঙৰ কোনোবা অফিচৰ পুৰণা ফাইলৰ ৰেকত সেইবোৰ ফাইল চাগৈ পচি যাবৰেই হ'ল। তাতোকৈ আশ্চৰ্য্যৰ বিষয় ৰাইজৰ প্ৰতিনিধি তথা দেশভক্ত "কাউন্সিল মেম্বৰ" সকলৰ এই সম্পৰ্কে উদাসীনতা দেখি। তেওঁলোকে জনসাধাৰণৰ উন্নতি বা মঙ্গলামঙ্গলালৈ লক্ষ্য ৰখা হলে ( কাউন্সিল মেম্বৰ পদবীটোত হে বেচি মনোযোগী যেন হ'ব পায় ) এনেকুৱা এখন পাচ হৈ যোৱা জনসাধাৰণৰ অতি আৱশ্যকীয় বিষয়ৰ আইন সম্পৰ্কে অন্ততঃ একো নকৰিলেও কাউন্সিল ঘৰত কিছু গৰম বক্তৃতা দি চৰকাৰক শুনাব পাৰিলেহঁতেন।

অসম বিশ্ববিদ্যালয় কথাটো জনপ্ৰিয় হৈ উঠাত বহুতে ভাবিছে যে এই সম্পৰ্কে খুব আন্দোলন কৰা হ'ল চৰকাৰে বিশ্ববিদ্যালয় সম্পৰ্কে হেনো কিবা কাৰ্য্যপদ্ধতিও কৰিব. তাৰ কাৰণে অজস্ৰ ধন ব্যয় কৰি বিলাতৰ পৰা উচ্চ বেতনৰ বিলাতী বিষয়াও অনা হল। বেচ কথা ইমানতে বিশ্ববিদ্যালয় হলনে আৰু এই আন্দোলনৰ সাৰ্থকতা হলনে ? প্ৰাথমিক শিক্ষাৰ স্কিমৰ দৰে হোৱাটোও একো আচৰিত নহয় ; এতিয়া বিশ্ববিদ্যালয়ৰ আন্দোলনকাৰী নেতাসকলে যেন অসমাগত সমস্যাবোৰ সমাধা কৰি বিশ্ববিদ্যালয়-স্থাপনৰ কাৰণে বদ্ধপৰিকৰ হয় আৰু কাৰ্য্যকৰী পন্থা অৱলম্বন কৰে। চৰকাৰলৈ আশা পালি মনে মনে বহি থাকিলেই নহব।

অলপতে হেনো কিবা শিক্ষা সন্মিলন এখন হৈ গল আৰু তাত প্ৰাথমিক শিক্ষা সম্পৰ্কেও কিবা আলোচনা কৰিলে। এই আলোচনা ছিলঙৰ বাহুদাহাৰত চৰকাৰৰ উদ্যোগত হৈ গল। পিচে এইবাৰ বা আমাৰ জনসাধাৰণৰ মাজত কিমান শিক্ষা প্ৰচাৰ হয় ? এইবিলাক আৰম্ভ কৰোতেই আমাৰ বহুতো কাম আৰম্ভণীৰ আনন্দতেই যায়—আৰম্ভ বা কাম সম্পূৰ্ণ হৈ কোনো দিনে নুঠে। চকৰাৰেনো বেলেগে আকৌ প্ৰাইমেৰী বোৰ্ড গঠন কৰিব কিয় লাগে, লোকেল বোৰ্ড মিউনিচিপেল্ বোৰ্ড বোৰে জানো সেই কাম কৰা নাই আৰু টকা হলে কৰিব নোৱাৰিব ? ৰাইজক আৰু চৰকাৰকো জনসাধাৰণৰ প্ৰাথমিক শিক্ষা সম্পৰ্কে ভাবিবলৈ আৰু আলোচনা কৰিবলৈ অনুৰোধ কৰি এইখিনি কথা লিখিলো। আমাৰ সৎ উদ্দেশ্যলৈ লক্ষ্য ৰাখি যেন আমাক কেৱে ভুল নুবুজে। এই সম্পৰ্কে বিস্তৃত আলোচনা কৰা "অসমত বিশ্ববিদ্যালয় আৰু প্ৰাইমেৰী শিক্ষা" নামৰ প্ৰবন্ধ ওলালে আমাৰ মত আৰু ভালকৈ জনাজাত হ'ব।

শ্ৰীমান প্ৰফুল্ল গোস্বামী,
যোৰহাট, ১অক্টোবৰ, ১৯৩৪।

——:※:——

# নৰকাসুৰ।

প্ৰবলপ্ৰতাপী কামৰূপৰ ৰজা নৰকাসুৰৰ বিষয়ে সকলো কথা থৰচি মাৰি জনা সম্ভৱ নহয়। তথাপি পুৰাণ ভাগৱত আৰু নানা পণ্ডিতৰ মত আদিৰ পৰা যি জনা যায়, তাৰ পৰা এই কথা ঠাৱৰাব পাৰিলে নৰকাসুৰ এজন দেৱভাবাপন্ন আৰ্য্য ৰজা আৰু কামৰূপ ৰাজ্য গঠন কৰোঁতা।



কিন্তু ই বৰ দুখৰ কথা যে ইতিহাস লিখকসকলে এই নৰকাসুৰক অনাৰ্য্য আখ্যা দিবলৈকো কুণ্ঠিত নহল। কিন্তু আমি কওঁ নৰকাসুৰ অনাৰ্য্য বা কদাচাৰী কেতিয়াও নাছিল। এওঁ আৰ্য্য আৰু সদাচাৰীয়েইহে আছিল। পুৰাণৰ অলৌকিক কথা কিছুমানকে সাবটি নধৰি সেই অলৌকিককে লৌকিকলৈ পৰিণত কৰিলে নৰকাসুৰক দেৱতা বুলিবলৈ বাধ্য হওঁ। পুৰাণৰ মতে এওঁৰ জন্ম হৈছিল বিহাৰ প্ৰদেশত বিষ্ণুৰ ঔৰসত ৰজস্বলা পৃথিবীৰ গৰ্ভত। এই কথাৰ পৰা আমি ইয়াকে ঠাৱৰাব পাৰোঁ যে কোনো মহাপুৰুষৰ ঔৰসত আৰু কোনো সহনশীলা সতীৰ গৰ্ভত এওঁৰ জন্ম হয়। অৱশ্যে পিতৃ মাতৃৰ অবৈধ সহবাসৰ ফলত জন্ম পোৱাত মহাপুৰুষৰ সন্তান হৈয়ো অসুৰৰ নাম পালে।

ৰজস্বলায়া গোত্ৰায়া গৰ্ভে বীৰ্য্যেন পোত্ৰিনঃ
জাতো জাত সুতোভূৎ দেৱপুত্ৰোঽপি সোঽসুৰঃ॥
( কালিকাপুৰাণ )।

নৰকাসুৰৰ গাৰ এচুকত থকা এই খুদকণা কালিমাই কাৰো কাৰো চকুত শেহলৈ আকাশ-ঢকা কলা-মেঘ হবলৈ পালে। এই কথাৰ সত্য অনুসন্ধানত প্ৰবৃত্ত হৈ ৰাজবংশাৱলীয়েও থিৰাং কৰিছে যেঃ—

"পিতৃ মাতৃৰ দোষে নৰকৰ কালে।
নামত নৰকাসুৰ জন্মিলন্ত ভালে॥"

কিন্তু আমি দ্বৈপায়ন ব্যাসদেৱৰ শকুন্তলাৰ আৰু আমাৰ এই নৰকাসুৰৰ জন্মৰ কথা একে শাৰীতে পৈছোঁ। গতিকে আমি দেখাত জন্ম লৈ তেওঁলোকৰ দোষ গুণ বিচাৰ কৰাটো আমাৰ ক্ষমতাৰ বাহিৰ।

জন্ম-হোৱাৰ পিচতে নৰকাসুৰ মুকলি পথাৰত অনাথৰ দৰে কিছুকাল পৰি আছিল। সেই পথাৰত তেওঁৰ মুৰটো এটা মৰা মানুহৰ মুৰৰ ওপৰত পৰি আছিল। সেই কাৰণে তেওঁৰ নাম নৰক, নৰ—মানুহ—ক—মুৰ—

"নৰস্য শীৰ্ষে স্বশিৰো নিধায় স্থিতবান যতঃ
তস্মাত্তস্য মুনিশ্ৰেষ্ঠো নৰকং নাম বৈদ্যধাং॥"
( কালিকাপুৰাণ )।

নৰকৰ নামৰ লগত জাপ-লৈ থকা অসুৰ উপাধিটোৰ বিষয়ে ভালকৈ আলোচনা কৰিলে বহুকথা মীমাংসা হবৰ সম্ভৱ। অসুৰ পদৰ অৰ্থ-হৈছে সুৰবিৰোধী। ন-সুৰ অসুৰ নঞৰ অৰ্থ সাদৃশ্যৰ অভাৱ, বিৰোধ আদি ছটা। এই "অ"ই বিৰোধ অৰ্থ প্ৰকাশ কৰিছে। অৰ্থাৎ অসুৰবিলাক সুৰ-বিৰোধী। এক কশ্যপৰ ঔৰসত দিতিৰ গৰ্ভত সুৰবিলাকৰ আৰু অদিতিৰ গৰ্ভত অসুৰবিলাকৰ জন্ম হয়। জন্মৰে পৰা উভয়েই উভয়ৰ বিৰোধী হল। ভাগ্যবলে সুৰবিলাকে জগতত প্ৰাধান্য লাভ কৰিলে। এই প্ৰাধান্যৰ বলেৰেই অসুৰ অৰ্থাত তেওঁলোকৰ বিৰোধী মাহী মাকৰ পুতেক ভায়েকহঁতক যাগ যজ্ঞ পূজা সেৱাৰ অমৃত আদিৰ পৰা বঞ্চিত কৰি দিনক দিনে হেচিবলৈ ধৰিলে। এক কশ্যপৰ পুত্ৰ হলেও অসুৰ উপাধিটো ঘৃণাব্যঞ্জক হল। প্ৰহ্লাদৰ দৰে অদিতিৰ কুলতিলকৰ জন্ম হলেও সেই ঘৃণাভাব নুগুচিল। আমি কও ইন্দ্ৰাদি দেৱতাৰ বিৰোধী বুলিয়েই যে অসুৰবিলাক আমাৰ ঘৃণাৰ পাত্ৰ হব লাগে, ই কদাপি হব নোৱাৰে। অসুৰৰো দেৱত্বত অধিকাৰ আছে। তেও বিলাকো কশ্যপৰ পুত্ৰ আৰ্য্য। ইন্দ্ৰৰ বিৰোধী সকলেই যে অসুৰ, এইটো Rigvedic India বোলা কিতাপত স্পষ্ট লিখা আছে।

Indra having been regarded as the all powerful anb benevolent dev, those that were not opposed to his worship were naturally put down to be benevolent, and those not siding with Vritra and his host, were as such called—Asuras . The nomadic Ar[illegible]ns who harassed the settled Aryans were regarded as Asuras and those that opposed the worship of Indra, though they were not so barbarous as the nomads, were as advanced in civilisation as the vedic Aryans and were called Aryan enemies.

অদিতিৰ কানৰ কৰীয়া অনা নৰক যে ইন্দ্ৰৰ বিৰোধী আছিল ই সত্য ।

পুৰণি কালত যে ইন্দ্ৰৰ বৰকৈ পূজা হৈছিল সেইটো ধ্ৰুৱপ। বৃত্ত আৰ্য্য হলে নৰকো আৰ্য্য হব। বুৎপত্তি গত অৰ্থৰ পৰাও অসুৰ পদটো উচ্চ অৰ্থতেই ব্যৱহাৰ হৈছিল বুলি বুজিব পাৰি। "অসুন্ প্ৰাণান্ ৰাতি দদাতীতি অসুৰঃ।" এই অৰ্থতেই "ড" প্ৰত্যয় হৈছে। অৰ্থাৎ যি প্ৰাণ দান দিয়ে তেঁৱেই অসুৰ।

এওঁৰ জন্ম হৈছিল উত্তৰ বিহাৰত। এই বিহাৰ আৰু প্ৰাচীন কামৰূপৰ সম্বন্ধ পুৰণি কালত বৰ বেচি আছিল। যি কালত দক্ষিণ বঙ্গভূমিয়ে বঙ্গোপসাগৰৰ তলৰ পৰা ভুমুকিও মৰা নাছিল, যি কালত বঙ্গদেশলৈ "তীৰ্থযাত্ৰাংবিনা গচ্ছন্ পুনঃ সংস্কাৰমৰ্হতি" আছিল, যি কালত পৰিব্ৰাজক হুৱেন্‌চাঙে বঙ্গদেশৰ ফুটকে নাপাইছিল, সেই কালতে বিহাৰ আৰু প্ৰাচীন কামৰূপ প্ৰদেশ ভাষা সাহিত্য আৰু ৰীতি-নীতি আদিৰে বৰ মিল আছিল। তেতিয়া কামৰূপৰ পৰা বিহাৰৰ ফালে যোৱা উত্তৰ বঙ্গ পৌণ্ড্ৰবৰ্দ্ধন নামে বাট স্বৰূপে আছিল। নৰকাসুৰ এই বিহাৰতে জন্ম লৈ বিদেহ ৰজাৰ দ্বাৰাই প্ৰতিপালিত হৈছিল।

আমি আগতে কৈ আহিছোঁ যে এওঁ কোনো পুৰুষ শ্ৰেষ্ঠৰ ঔৰসত জন্ম গ্ৰহণ কৰিছিল। এই পুৰুষৰ-শ্ৰেষ্ঠকে শাস্ত্ৰকাৰে বিষ্ণু-নাম দি বৰ জটিল কৰি থৈছে। সি যি হওক প্ৰথম অৱস্থাতে তেওঁ বিদেহ ৰজাৰ দ্বাৰাই প্ৰতিপালিত হৈ যাৱদীয় নৃপোচিত গুণবিলাক আৰ্জ্জিবলৈ সুচল পালে। ক্ৰমে এওঁ কাৰ্য্যদক্ষ হোৱাত তেওঁৰ জনকে কামৰূপত ৰজা হোৱাত সহায় কৰে। নৰকাসুৰ আৰু তেওঁৰ পিতা উভয়েই গঙ্গাইদি আহি কামৰূপ ৰাজ্যত ওলায়হি। নৰকাসুৰে বাহুবলেৰে কৰতোয়া নদীৰে পৰা দিকৰাইলৈকে এই বিশাল কামৰূপ ৰাজ্য গঠন কৰিছিল।

কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিক্কৰবাসিনীম্
উত্তৰাস্যাং কঞ্জগিৰিঃ কৰতোয়াস্তু পশ্চিমে
কামৰূপ ইতি খ্যাত সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ॥ (যোগিনী তন্ত্ৰ)।

এইদৰে নৰকে ভাৰতৰ পূব অঞ্চলত এক বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি প্ৰজাৰ মঙ্গলৰ নিমিত্তে সকলো কামতে চকু দিবলৈ ধৰিলে; দেশৰ সকলো অংশতে দ'ল দেৱাল প্ৰতিষ্ঠা কৰিবলৈ ধৰিলে; কামাখ্যা মন্দিৰ নিৰ্ম্মান কৰি তাত সজ বেদজ্ঞ ব্ৰাহ্মণ থাপিলে।

তস্মাৎ কিৰাতাম্যুৎসাৰ্য্য বেদশাস্ত্ৰাতিগান্ বহুন্।
দ্বিজাতীন্ বাসয়ামাস তত্ৰ-বৰ্ণান সনাতনান্॥
বেদাধ্যয়নদানাদি সততং বৰ্ত্ততে যথা।
তথা চকাৰ ভগবান্ মুনিভিৰ্বাসয়ন্ বিভুঃ।
বেদবাদৰতা সৰ্ব্বে দানধৰ্ম্মপৰায়ণাঃ।
নাচিৰাদভবদ্দেশঃ কামৰূপাহ্বয়স্তদা॥
( কালিকাপুৰাণ )

অৰ্থাত কামৰূপৰ পৰা কিৰাতবিলাকক খেদি বেদশাস্ত্ৰই বহুত ব্ৰাহ্মণ আদি উচ্চবৰ্ণ বহুৱালে। ভগবানেও মুনি সকলক স্থাপন কৰি কেনেকৈ সদায় বেদপাঠ দান আদি কাৰ্য্যত চলি থাকে তাৰ চেষ্টা কৰিবলৈ ধৰিলে। সেই ঠাইৰ ব্ৰাহ্মণবিলাক বেদবাক্যৰত আৰু দানধৰ্ম্মপৰায়ণ বুলিয়েই দেৱতাসকলো কামৰূপ এৰি থাকিব নোৱাৰা হৈছিল। সেইগুণে বিষ্ণুৱে কামাখ্যাৰ মাহাত্ম্য বখানি নৰকক কৈছে।—

অত্ৰ স্বয়ং মহাদেৱো ব্ৰহ্মাচাহং ব্যৱস্থিতঃ।
চন্দ্ৰ সূৰ্য্যশ্চ সততং বসতোঽত্ৰ চ পুত্ৰক॥
( কালিকাপুৰাণ )।

অৰ্থাৎ এই ঠাইতে স্বয়ং মহাদেৱ ব্ৰহ্মা আৰু মই নিজে সদায় থাকোঁ। আৰু চন্দ্ৰ সূৰ্য্যও সদায় আছে। এই একে কথাকে আন পুৰাণতো পোৱা যায়।—

অত্ৰ ব্ৰহ্মাচ বিষ্ণুশ্চ দিক্‌পালাশ্চাৰণাদয়ঃ।
স্বলোকেভ্যঃ সমাগত্য সেৱন্তেঽহৰহঃ সতীম্॥
( বৃহদ্ধৰ্ম্মপুৰাণ )।

সি যি হওক নৰকাসুৰে কামৰূপ ৰাজ্যৰ শাসন দণ্ড হাতত লৈয়েই কামাখ্যাৰ ফালে বৰকৈ চকু দিবলৈ ধৰিলে। শাস্ত্ৰমতে এই ভাব তেওঁ পিতৃ বিষ্ণুৰ পৰা



পাইছিল। তেওঁ কামাখ্যা পীঠৰ ওপৰত এটি সুন্দৰ মন্দিৰ নিৰ্ম্মান কৰি দিয়ে। এই নৰকেই যে প্ৰথমে কামাখ্যা মন্দিৰ নিৰ্ম্মান কৰিছিল তাক পাশ্চাত্য পণ্ডিত সকলেও স্বীকাৰ কৰিছে। Robinsons m s ত লিপিছে "It is not improbable that the temple was originally erected by Noraka". পুৰাণৰ মতে নৰক এজন বেদ শাস্ত্ৰত পাৰ্গত, ব্ৰাহ্মণ্যনীতিকুশল বদান্য আৰু দানতৎপৰ ৰজা, কামাখ্যাৰ আশাশুধীয়া ভক্ত।

নৰকোঽপি তদা ধীমান্ বেদ শাস্ত্ৰাৰ্থপাৰগঃ।
ব্ৰাহ্মণ্যনীতিকুশলো বদান্যো দানতৎপৰঃ॥
কামাখ্যাপূজনৰতো নীলকূটে মহাগিৰৌ।
( কালিকাপুৰাণ )।

বাস্তৱতে এইটো আমাৰ বৰ গৌৰৱৰ বিষয়হে যে প্ৰাচীন কামৰূপৰ এজন ৰজাৰ সুযশ হিন্দু শাস্ত্ৰই এনে ভাবে নৱৰ্ণনাই পৰা নাই। এতিয়া এই নৰকক সৰ্ব্ব গুণসম্পন্ন দেৱতা বুলিবলৈ কোনো বাধা নাই। সেই গুণেৰেইহে এওঁৰ সন্তিসন্ততিবিলাকে শ শ বছৰৰ পাচলৈকো কামৰূপ ৰাজ্য ধৰ্ম্মেৰে শাসন কৰিব পাৰিছিল। ৰত্নপালৰ তামৰ ফলিত উল্লেখ কৰিছেঃ—"এবং ক্ৰমেণ ক্ষিতিমথ ভুক্ত্বাং নাৰকানাম্"। এওঁৰ দিনতেই তন্ত্ৰ ধৰ্ম বৰকৈ প্ৰচাৰিত হৈছিল। এই নৰকে তন্ত্ৰনিৰ্দিষ্ট উপায়েৰে ৺ ভগৱতীৰ অৰুণ চৰণ প্ৰান্তত উপনীত হৈছিল। সেই কাৰণেইহে নানা অলৌকিক কাহিনীৰে পৰিপূৰ্ণ নৰকাসুৰৰ জীৱনী।

নৰকাসুৰে কামাখ্যাক বিয়া কৰাবৰ ইচ্ছা কৰে। তেতিয়াই কামাখ্যাই প্ৰস্তাৱ দিয়ে যে নৰকাসুৰে একে ৰাতিৰ ভিতৰতে তেওঁক এটা মন্দিৰ সাজি দিব পাৰিলে তেওঁক স্বামীৰূপে গ্ৰহণ কৰিব। নৰকেও সেইমতে একে ৰাতিৰ ভিতৰতে মন্দিৰ শেষ কৰি শেহৰ থট্ থটি কৰোতেই ৰাতিপুৱাৰ চিন স্বৰূপে কুকুৰাই ডাক্ দিয়ে। বাক্য ৰাখিব নোৱাৰি নৰকে বৰ লাজ পালে আৰু ডাক দিয়া কুকুৰাজনী তেতিয়াই কাটি পেলালে। য'ত কুকুৰা কাটিছিল সেই ঠাইক এতিয়াও কুকুৰাকটা চকি বোলে। এনে অলৌকিক কথাৰ মাজতে যে এটি বিশ্বাস যোগ্য সঁচা ঘটনা লুকাই আছে তাক ভাবিলেও আচৰিতহে হব লাগে। নৰকাসুৰৰ এই ঘটনাটো আমিও এনেদৰে বুজিব লাগে। ব্ৰহ্মাক উপাসনা কৰা হয় ব্ৰহ্মত্ব লাভৰ কাৰণে, ব্ৰহ্ম অভিন্ন হবৰ কাৰণে। শঙ্কৰ দেৱে কৃষ্ণক উপাসনা কৰি চাৰিওপিনে কৃষ্ণকে দেখিছিল। প্ৰহ্লাদে স্ফটিকৰ স্তম্ভৰ পৰাই কৃষ্ণক উলিয়াইছিল। তেনেকৈ নৰকাসুৰেও শক্তিৰ কামাখ্যা মূৰ্ত্তিকেই পিতৃ মাতৃ বা স্ত্ৰী ভাব কৰা আৰু সেইদৰেই তেওঁক সন্তোষ দিবলৈ অসুৰৰ এটা আকুল হাবিয়াস প্ৰকাশ কৰা একো আচৰিত হব লগা কথা নহয়। গতিকে নৰকেও সাধনাৰ ধন কামাখ্যাক বিয়া কৰাব খোজা প্ৰস্তাবো আমি এনে লৌকিক কথাৰে বুজিবলৈ বৰ সুচল। ৺ভগৱতীক সন্তুষ্ট কৰিবলৈ সাধকে এটি মন্দিৰ নিৰ্ম্মান কৰি দিয়া কথাত আৰু সেই মন্দিৰ মোমাই কটা গড়ৰ দৰে একে-ৰাতিৰ ভিতৰতে সমাধা কৰি দিয়া কথাত আমাৰ হিয়া গৌৰৱত ওফন্দি পৰে। ইয়াত আচৰিত হ'ব লগা কথা এচুলি মানো নাই। নৰকাসুৰে বৰ সমাৰোহেৰে সেই সময়ত প্ৰসিদ্ধ কুণ্ডিল ৰজাৰ কন্যাক বিবাহ কৰায়। সেই কালত হিমালয় প্ৰদেশক স্বৰ্গ বোলা হৈছিল। সেই স্বৰ্গলৈ অসমেদিয়েই যোৱাৰ সুচল আছিল। বোধ কৰোঁ সেই বাট দৰং জিল্লাইদি আছিল। তেতিয়া দৰঙ্গক দ্বোঃ অঙ্গ অৰ্থাৎ স্বৰ্গৰ অঙ্গ বোলা হৈছিল। এতিয়া তাৰ পৰা দৰং নাম পাইছে। নৰকাসুৰে হিমালয় প্ৰদেশ স্বৰ্গলৈ গৈ সেই উন্নত আৰু সমৃদ্ধিসম্পন্ন দেশবোৰ জয় কৰি তাত তেওঁৰ নামেৰে কোনো ৰাজ্য স্থাপন কৰা কথা সঁচা বুলি মনে ধৰে। তেওঁ সেইদেশ বোৰৰ পৰা তাত উৎপন্ন হোৱা নানা অলঙ্কাৰ ৰাজ্‌-আভৰণ আৰু ৰূপৱতী কন্যাবিলাক আনি নিজৰ দেশত স্থাপন কৰিছিল। ইয়েই হৈছে অদিতিৰ কাণৰ কৰীয়া আৰু ১৬০০ কন্যা অনা কথাৰ গুৰি।

কোনো এদিন নৰকাসুৰে কামাখ্যা মন্দিৰত প্ৰবেশ কৰি উপাসনা কৰি থাকোতে মুনি বশিষ্ঠ ও পূজিবলৈ

আহি পুৰ দ্বাৰত উপস্থিত হল। নৰকে তেনে সময়ত বশিষ্ঠক কামাখ্যা পূজা কৰিবলৈ দিয়াতো অসম্ভব মানি তেওঁক বাৰণ কৰিলে।

কামাখ্যা মণ্ডলে তাৱং পুৰদ্বাৰে সমাগতঃ।
তত্র তং বাৰয়ামাস নৰকো ব্রহ্মসম্ভবম্॥

তন্ত্র মতে সাধনা গোপনীয় হব লাগে। এইমতে উপা-সনাৰ সময়ত পিতৃ মাতৃৰো প্রবেশ নিষেধ। এনেস্থলত নৰকে একচিত্তে কামাখ্যা উপাসনাত ৰত থাকোতে মুনি বশিষ্ঠ বা আন কোনোৱে তাত প্রবেশ কৰিবলৈ সুচল নোপোৱা নাইবা নৰকৰ দ্বাৰাই বাধা পোৱা কথা একো আচৰিত হব লগা নহয়। মাত্র থঙ্গাল মুনি বশিষ্ঠই আগ-পিচ নুগুণি শাপ দিয়া কথাহে বৰ দুখ লগা। বশিষ্ঠৰ নিচিনা এজন প্রধান মুনিয়ে অপমান স্বীকাৰ কৰি তিলকে তাল কৰি গোটাই আৰ্য্যা বৰ্ত্ততে নৰকৰ কুযশ ৰটিবলৈ ধৰিলে। বশিষ্ঠই সুকীয়া কামাখ্যা নির্ম্মান কৰি উপাসনাত বহিল। বশিষ্ঠৰ এই চেষ্টাতেই কামাখ্যা যাত্রী অহাত কিছু দিনলৈ বাধা পৰিল। অৱশ্যে শাস্ত্রত এই শাপৰ অন্ত দি থৈছে।

কিন্তু কলৌ মহেশানি বর্ষানাঞ্চ শতত্রয়ম।
ব্রহ্ম শাপো মহেশানি ফলিষ্যতি সুনিশ্চিতম্॥
(যোগিনী তন্ত্র)।

যদিও এই শাপৰ অন্ত পৰিল কিন্তু বুৰঞ্জী লেখকসকলৰ কৃপাত নৰকৰ মিছা অপবাদ নুগুচিল। গেইটে লিখিছে At first he was pious prosperod but afterwards ........................ ... ...... ... grew irreligious and presumplutous. বশিষ্ঠৰ বিৰুদ্ধাচৰণেই শাস্ত্রকাৰ আৰু বুৰঞ্জী লিখকসকলৰ মনত শেহলৈ নৰকক অপদাৰ্থ কৰি পেলালে। কিন্তু যুক্তিৰে বিচাৰ কৰিলে নৰকাসুৰ কোনো মতেই দোষী হব নোৱাৰে।

পূর্ব্ব ভাৰতৰ বাহুবলী ৰজা নৰকাসুৰৰ প্রতাপৰ কথা গোটাই ভাৰতত্তে জনাজাত হল। সেইকালৰ ভাৰতৰ ভালেমান প্রদেশেই সমৃদ্ধিশালী এই কামৰূপ খনি জয় কৰি ধন-বস্তু লুণ্ঠনৰ আশাত মত্ত হৈ আছিল। বিশেষতঃ বশিষ্ঠৰ প্রৰোচনাত নাইবা তেওঁৰ অসন্তোষ কথা জনাজাত হলত সেই আশা দুগুণে বাঢ়িবলৈ ধৰিলে। অন্তত শ্রীকৃষ্ণই সুদূৰ গুজৰাটৰ পৰা আহি কামৰূপ আক্রমণ কৰে। এই আক্রমণতে নৰকাসুৰে শ্রীকৃষ্ণ হাতত প্রাণ হেৰুৱায়। নৰকে তেওঁৰ ৰাজধানী প্রাগ্জ্যোতিষপুৰ বৰ্ত্তমান গুৱাহাটী ৰক্ষা কৰিবৰ নিমিত্তে অশেষ যত্ন কৰিছিল। কিন্তু সেই সকলো যত্ন নিষ্ফল হ'ল। শ্রীকৃষ্ণই এই দেশ জয় কৰি হেজাৰ হেজাৰ হাতী ঘোৰা বই-বস্তু ধন-সোণ পালে। সেই সকলো বিলাক 'নজৰ দেশলৈ ভাৰ বান্ধিলে। ইতি পূৰ্ব্বে নৰকে হিমালয় প্রদেশ জয় কৰি অনা সুন্দৰী তিৰোতা বিলাকো নিবলৈ নাপাহৰিলে। ইয়াৰ ভিতৰত এটি বৰ ডাঙৰ মন কৰিব লগা কথা এই যে শ্রীকৃষ্ণই এই বস্তু বিলাক নিবলৈ তেওঁৰ দেশৰ পৰা মানুহ লৈ অহা নাছিল। নাইবা তেওঁৰ সৈন্য সামন্তৰ দ্বাৰায়ো নিওৱা নাছিল। নিয়াইছিল, আমাৰ এই দেশৰ মানুহৰ হতুৱাই। বেচেৰা লগুৱাইঁতে গুজৰাটলৈ এই দিকচৌ বাট বুলি বৰ কষ্ট পাইছিল চাগৈ। মানইঁতেও এই নিয়মকে পালিছিল।

ৰত্নানি নৰকা বাসাজ্জগ্রাহ মুনিসত্তমাঃ
কন্যাপুৰে স কন্যানাং ষোড়শাতুলবিক্রমঃ।
শতাধিকানি দদৃশে সহস্রাণি দ্বিজোত্তমাঃ॥
চতুর্দংষ্ট্রান সজাং শ্চোগ্রান্ ষট্ সহস্রাণি দৃষ্টবান্
কম্বোজানাং তথানাগাংস্তানশ্বান দ্বাৰকাপুৰীম্
প্রাপয়ামাস গোবিন্দঃ সদ্যো নৰককিঙ্কৰৈঃ।
(ব্রহ্ম পুৰাণ)

এই নদ নদী পৰ্ব্বত কুন্তলা পৃথিবীৰ অন্ত আছে। চন্দ্র সূৰ্য্যৰো অন্ত আছে গতিকে নৰকৰো অন্ত হল। কিন্তু কামৰূপ ৰাজ্য গঢ়োতা এই মহাপুৰুষৰ জীৱনী বেলিৰ পোহৰলৈ আনি সভ্য সমাজত চিনাকি কৰি দিব লগা আমাৰ কৰ্ত্তব্য আজিও বৈ আছে।

শ্রীচাৰুচন্দ্র গোস্বামী ব্যাকৰণশাস্ত্রী

# বিষাদিনী ভাৰত *

অতুল ঐশ্বৰ্য্যে ভৰা যাৰ ভূমিখনি
ধনে-ধানে ভৰপুৰ, নানা শস্যময়,
সোণালী ক্ষেত্রৰ মাজে তুলি 'কুলু' ধ্বনি
বই আছে সৰু সৰু ৰূপোৱালী নই।
শুভ্র-শৈল-শৃঙ্গ ভেদি মুক্ত কৰি পথ
হই প্রৱাহিত কত নদ-নদীচয়,
নিজ নিজ গতি ধৰি কৰিছে উৰ্ব্বৰা
অলেখ কৃষিৰ ক্ষেত্র—যাৰ শস্যময়।
আজি কিয়, তেনে হায়! ভাৰত আমাৰ
ঐশ্বৰ্য্যশালিনী হৈও দৰিদ্রতাময়?
চিকিমিকি তাৰকাৰে মুকুতাবুলীয়া
অতি মনোৰম যাৰ সুনীল আকাশ,
নদ-নদী, গিৰি, বন সুন্দৰ সকলো
জলে-থলে সকলোতে সৌন্দৰ্য্য প্রকাশ;
কৰিছে বিশাল ভূমি যাৰ মনোৰম
তপনে সোণালী জ্যোতি কৰি পৰকাশ;
আজি কিয়, তেনে হায়! ভাৰত আমাৰ
অতি মনোৰমা হৈও সম্পূর্ণ নিৰাশ?
জ্ঞান-বিজ্ঞানৰ খনি আছিলে জিলিকি
জুৰি বিশ্ব-গৰিমাৰে একালত যাৰ,
পূজি পূৰ্ব্ব সুসন্তানে জ্ঞানদাত্রী-পদ
লভিছিলে মহাজ্ঞান দেবী কৰুণাৰ;
কমলবনত যাৰ বাজি বীণ হাতে
ভাৰতীয়ে তুলিছিলে বীণাৰ ঝঙ্কাৰ;
আজি কিয়, তেনে হায়! ভাৰত আমাৰ
জ্ঞান-জ্যোতি হীনা, ম্লানা, অজ্ঞানে আন্ধাৰ?
ৰুদ্রসম মহাতেজা বীৰ পুত্রগণে
ৰক্ষা কৰিছিলে যাৰ মান একালত,
উৰিছিলে গৌৰবৰ বিজয় নিচান—
ক্ষিতি কৰি প্রকম্পিত সিহেন কালত;
শুনি যাৰ মহাদৰ্প অজ্ঞাত কতনো
জাতিয়েও নমিছিলে মহা আতঙ্কত;
আজি কিয়, তেনে হায়! ভাৰত আমাৰ
মুক্তকেশী, উন্মাদিনী ঘোৰ বিষাদত?
অন্তৰ গলিত যাৰ শান্তি ঢালিছিলে
সতী সাধ্বী ৰমণীয়ে শোভি কোলাখনি,
স্বৰ্গীয় বিমল আভা আনি সিসকলে
জন্মভূমি মুখশ্রীত দিছিলেহি সানি;
সৰ্ব্বগুণান্বিতা তেনে যাৰ কন্যাগণ
দেবী স্বৰূপিনী বুলি উঠিছিলে ধ্বনি;
আজি কিয়, তেনে হায়! ভাৰত আমাৰ
শান্তি-কান্তিহীনা হল, অশান্তিৰ খনি?
অতীতৰ দৰে যাৰ সন্তান-সন্ততি
যদিওবা যোগ্য নোহে হলে প্রেতাকৃতি,
তথাপি তথাপি আছে ধৰ্ম্মত বিশ্বাস
স্বধৰ্ম্মতে ৰত ধৰ্ম্মপ্রাণ সকলোটি;
বিমলেন্দু কান্তি জিনি যাৰ অন্তৰত
ফুটি আছে ই ভাবৰ সুপৱিত্র জ্যোতি;
আজি কিয়, তেনে হায়! ভাৰত আমাৰ
ধৰ্ম্মপ্রাণা হৈও পাপ-সমাচ্ছন্না অতি?
অতীত কীৰ্ত্তিৰে ভৰা গৌৰৱে মণ্ডিতা
নাই আজি ভাৰতৰ তেনে মুখখনি;
কোনেনো অভয় দিব ইহেন ক্ষণত,
আঁতৰিলে ভাগ্যকৰ্ত্রী অভয় দায়িনী।
কেনি গল চিৰপূজ্যা ৰক্ষাকৰ্ত্রী দেবী
অজেয় শকতিদাত্রী দনুজ-দলনী?
শূন্যৰ কোলাত আজি উঠিছে কেৱল
এনে দৰে এটি যেন বিষাদৰে ধ্বনি;
"সৰ্ব্বহাৰা, দৈন্যেভৰা, দুখুনী ভাৰত
অশ্রুজলে সিক্তা হায়! ঘোৰ বিষাদিনী"।

শ্রীদেৱেন্দ্রনাথ চক্রবৰ্ত্তী

* The new age নামৰ ইংৰাজী আলোচনী এখনৰ Indians' Sorrow নামৰ এটি কথা-কবিতাৰ আভাস এই কৱিতাত সোমাইছে। লিখক।

# কথা ভাগৱত ।

## [ ভট্টদেৱ ]

[ ভট্টদেৱ এজনা অগাঢ পণ্ডিত আছিল। তেওঁ কবিৰত্ন আৰু ভাগৱত-ভট্টাচাৰ্য্য উপাধি লাভ কৰিছিল। ভট্টদেৱে মহাপুৰুষ ৺শ্ৰীশ্ৰীদামোদৰদেৱৰ পৰা ধৰ্ম্ম গ্ৰহণ কৰিছিল আৰু আজীৱন ধৰ্ম্মচৰ্চ্চা কৰি কাল কটাইছিল।

৺শ্ৰীশ্ৰীদামোদৰদেৱৰ পাচত ভট্টদেৱ ৺পাট বাউসী ধামৰ অধিকাৰ হয় আৰু জীৱনৰ শেষ দিনলৈকে ধৰ্ম্ম প্ৰচাৰ কৰে। তেওঁ সংস্কৃত ভাষাত 'ভক্তিসাৰ" আৰু "ভক্তিবিবেক" আৰু পুৰণি কামৰূপীয় গদ্যত "প্ৰসঙ্গমালা" "গীতা", "ভাগৱত" "গুৰুবংশাৱলী" আদি পুথি ৰচনা কৰে।

"কথা গীতা" খন আগেয়ে দুবাৰো ছপা হৈ গৈছে; কিন্তু আনবোৰ গ্ৰন্থ এতিয়ালৈকে ছপা হৈ ওলোৱা নাই। 'কথাভাগৱতৰ' আৰম্ভৰ পৰা কিছু অংশ মাত্ৰ ইতিপুৰ্ব্বে "আসাম বান্ধৱত" প্ৰকাশ হৈছিল; পাচত "আসাম বান্ধৱ" বন্ধ হোৱাৰ লগে লগে কথাভাগৱতৰ ছপা কামো বন্ধ হয়। আমি ইয়াত কথাভাগৱতৰ দশম স্কন্ধৰ পৰা ছপা কৰিবলৈ আৰম্ভ কৰিলোঁ।

কেইবছৰমানৰ আগতে ৺দক্ষিণপাট সত্ৰৰ পৰা আমি 'কথাভাগৱতৰ' কিছু অংশৰ নকল আনিছিলোঁ; বৰপেটাৰ ওচৰৰ ৺কেওটকুছি সত্ৰৰ পৰাও এটা ছবহু নকল সংগ্ৰহ কৰি ৰাখিছোঁ। দুয়োটা নকল মিলাই কেওটকুছি সত্ৰৰ পুথিৰ বানানকে ৰাখি ইয়াত প্ৰকাশ কৰিলোঁ। ]

### দশম স্কন্ধ

যো লোকমোক্ষায় যশোবিতত্যৈ
চকাৰ লীলাং ব্ৰজবাসিভূত্যৈ
তং গোপবেশং প্ৰণমামি কৃষ্ণং
তৎকীৰ্ত্তিগীতোদ্ধতগোপযুষ্টং ॥

শ্ৰীকৃষ্ণপাদযুগলাব্জসুলুব্ধভৃঙ্গা
গায়ন্তি যজ্জনমনোহৰশাস্ত্ৰযুক্তৈঃ
তৎ সম্প্ৰদায়কথয়া কথয়ামি গাথাং
স্বভক্তবৃন্দৰতয়ে মতয়ে জনানাং ॥
যো ভূমিভাৰান্ প্ৰজহাৰ লীলয়া
যশো বিতত্যাপি জনানতাৰয়ৎ
তং পূৰ্ণব্ৰহ্মামৰসেব্যমব্যয়ং
বন্দে পৰং প্ৰাণভৃতামধীশ্বৰং ॥ *

কথা— জি ভগৱন্তক নৱ লক্ষণে লক্ষিত কৰে: নৱ ভক্তিতো লক্ষিত হয়। হেন পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণক মঞি কোটিবাৰ প্ৰণাম কৰো। দশম স্কন্ধত নৱতি অধ্যায়ে দুষ্ট ৰাজাসৱৰ নিৰোধ কহিবা। তাত প্ৰথম চাৰি অধ্যায়ে প্ৰসঙ্গ সমে শ্ৰীকৃষ্ণৰ জন্ম কথা: পঞ্চত্ৰিংশ অধ্যায়ে গোকুলৰ লীলা: এক অধ্যায়ে অক্ৰূৰৰ স্তুতি: একাদশ অধ্যায়ে মথুৰাৰ লীলা: ঊনচলিস অধ্যায়ে দ্বাৰকাৰ কথা: এমনে নৱতিস অধ্যায়ে শ্ৰীকৃষ্ণলীলা নিৰূপিবা: তাৰ মতি অনুসাৰে কথা নিৰহো। পৰিক্ষিত ৰাজা শুকত পুচন্ত। হে মহামুনি তুমি মোৰ চন্দ্ৰ সূৰ্য্য বংস কহিলা: তাৰ ৰাজা সবৰো চৰিত্ৰ নিৰূপিলা: তাতে যদুবংসত অৱতৰি ভগৱন্তে যি যি কৰ্ম্ম কৰিলা তাক বিস্তাৰ কৰি কহা। যাতো তান চৰিত্ৰ মুক্তো গাৱে: মুমুক্ষৰো মোক্ষ সাধে। বিষয়ী জনৰো কৰ্ণ মনৰ আনন্দ কৰাৱে।

হেন কৃষ্ণ লীলাত: চাণ্ডাল বিনে কুনে বিৰাগ হৈব। বিসেসত আমাৰ ইষ্টদেৱতা শ্ৰীকৃষ্ণ। যাক পিতামহ সবে: তাঙ্ক আশ্ৰয় কৰি: দুৰ্গম কৌৰৱ সৈন্য

* ওপৰৰ শ্লোকটি ৺শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ পৰা অনা পুথিৰ; ৺কেওটকুছি সত্ৰৰ পুথিৰ শ্লোকটো অসম্পূৰ্ণ; সেইকাৰণে তাৰ লগত মিলাব পৰা নহল (প্ৰকাশক)।



সাগৰক: অনাআসে তৰীল। দ্ৰোণিৰ ব্ৰহ্মাস্ত্ৰে মোৰ দেহকো: মাতৃৰ গৰ্ভত পসি ৰক্ষা কৰিছা। এতেকে তান লীলা অৱশ্যে সুনিতে লাগে। ভগৱন্ত ঈশ্বৰ হয়ো কি নিমিত্তে পিতৃৰ গৃহ এৰি গোকুলক গৈলা। কিবা কৰ্ম্ম কৰিলা: কুন ঠাই বঞ্চিলা: কিবা নিমিত্তে মাতুল কংস বধিলা কতেক পত্নি বিবাহ কৰিলা॥ কতেক বৎসৰ পৃথিবীত আছিলা: ইসব কথা সকলে কহিবা॥ যাতো তুমাৰ মুখপদ্মৰ পৰা হৰি কথামৃত পান কৰিতে: দুঃসহ ক্ষুধায়ো বাধা নকৰে॥ হেন শুনি শুকদেৱে: কলিমল নাসন কৃষ্ণৰ চৰিত্ৰ কহিতে আৰম্ভিলা। হে মহাৰাজা: তুমি ভাল প্ৰশ্ন কৰিলা: যাতো কৃষ্ণ কথা প্ৰশ্নে: শ্ৰোতা বক্তা প্ৰশ্নাকো পৰিত্ৰাণ কৰে॥ আবে কৃষ্ণৰ জন্ম প্ৰসঙ্গ সুনা: দুষ্ট দৈত্য ৰাজা সবৰ মহাভৰে: পৃথিবি পিড়িত হয়া: গোৰূপ ধৰি ব্ৰহ্মাত সৰন পসি: কান্দিয়া আপুনাৰ দুঃখ নিবেদিলা॥ ব্ৰহ্মা তান দুঃখ দেখি: দেৱগন মহেস সমে ক্ষীৰ সাগৰৰ: তিৰক গৈলা: তথায়ে ঈশ্বৰক উপাসা কৰিলা॥ সমাধিত তান বাক্য সুনি: বুলিবে লাগিলা: হে দেৱ সব: ঈশ্বৰৰ আজ্ঞা সাৱধানে সুনি: সত্বৰে কৰিবা: আম্মাৰ সকল বাৰ্ত্তাকে: ভগৱন্তে আপুনি জানিছা॥ এতেকে বসুদেৱৰ গৃহত: অৱতাৰ হৈবা॥ তান প্ৰিতিৰ অৰ্থে দেৱ স্ত্ৰিসব: জাত হোক: তোমা সবো অংসে যদু বংসত উপজা: অনন্তো আসি তান আগে জাত হৈব॥ কাৰ্য্যাৰ অৰ্থে মায়াত উপজিবা। দেৱক এই আদেশ কৰি: পৃথিবীকো আশ্বাসী ব্ৰহ্মা ব্ৰহ্মলোক গৈলা॥ পাছে সুৰসেনৰ পুত্ৰ বসুদেৱে: দৈৱকিক বিবাহ কৰি: প্ৰয়ান সময়ত: ৰথত চৰিলা: কংসে ভগিনিৰ প্ৰিতি সাধি সাৰথি হৈলা॥ দেৱকে অনেক যৌতক দিয়া: নানা বাদ্য বজাই সুমঙ্গল কৰিলা॥ সেই বেলা পন্থত: আকাশ বানি বোলয়: অৰে কংস জাক ৰথত লৈয়া জাস: এইৰ অষ্টম গৰ্ভে: তোক বধিবেক॥ হেন সুনি পাপি কংসে: কেসত ধৰি: দৈৱকিক কাটিতে উদ্যত হৈল: তাক দেখি বসুদেৱে বোলন্ত: হে মহাবিৰ: তুমি গুণৱন্ত যসৱন্ত হৈয়া: কেনে বিবাহ সময়ত: ভগিনিক বধা: যদি মৃত্যু ভয়ে বধিবে খোজা: তথাপি মৃত্যু এড়ন নজাই: জাতো দেহৰ লগতে জাত হয়াছে: আজি বা সতবৎসৰত বা: দেহৰ মৃত্যু অৱশ্যে আছে। যদি ইদেহ মৰিলে: আন দেহ নহে: তেবে অন্যায় কৰিয়ো: দেহক ৰাখিবে লাগে॥ সি পুনু নঘটে: যাতো ইদেহ মৰিতে: কৰ্ম্মবসে আন দেহ পায়াথে: জিবে ইদেহ এড়ে: যেন জোকে আন তৃন পাইলে: পুৰ্ব্বতৃন পৰিত্যাগ কৰে: এতেকে নবীন দেহ অৱশ্যে হৈবেক: জীৰ্ণ দেহ ৰাখিবে লাগি অন্যায় নকৰিবা॥ কৰিলে পুনু পাছে ভয় আছে॥ বিসেসত আপুনাৰ ভগিনিক কেমনে বধিবা। এমনে বোধতো কংসে দৈৱকিক নেড়িল॥ পুনু উপায় চিন্তি: বসুদেৱে বোলন্ত: হে মহাবিৰ: আকাস বানিৰ ইছাই: তোমাৰ দৈৱকিত হন্তে কিছো ভয় নাই: তান পুত্ৰ হন্তেসে হৈব: এতেকে জাত মাত্ৰকে সকল পুত্ৰ তোমাত অৰ্পিবো॥ হেন সুনি কংসে: নিবৰ্ত্তিয়া গৈল: বসুদেৱো গৃহক গৈল॥ পাছে অনুক্ৰমে: দৈৱকিৰ আঠ পুত্ৰ: এক কন্যা হৈল: কিৰ্ত্তিমন্ত নামক প্ৰথম পুত্ৰক: বসুদেৱে সত্য পালি: কংসক নিয়া দিলা: কংসে তান বাক্যত প্ৰমাণ পায়া: তুষ্ট হৈয়া বোলয়: ইহাত মোৰ কিছো ভয় নাই: অষ্টম পুত্ৰক মাত্ৰ আনি দিবা॥ বসুদেৱো ভাল বুলি পুত্ৰ লৈয়া গৃহক গৈলা॥ কিন্তু দুষ্ট কংসৰ বাক্যত সন্তোষ নকৰিলা: পাছে নাৰদ আসি: নন্দাদি গোপক: বসুদেৱাদি যদুকুলক: দৈৱকি আদি স্ত্ৰীসবক: জ্ঞাতি বন্ধু সুহৃদকো: কংসৰ আগত: দেৱতা বুলি কহিলা॥ দৈত্য বধক প্ৰতি দেৱৰ উদ্যমো জনাইলা॥ এতেকে কংসে: যদু বংসক দেৱতা মানি দৈৱকিৰো গৰ্ভত: আত্মা বধক প্ৰতি: কৃষ্ণৰ উদ্ভৱ জানিঃ বসুদেৱ দৈৱকিক বন্দি কৰি: বিষ্ণু সঙ্কায়ে: পুত্ৰ সব বধিল। আপুনাকো বিষ্ণুৰ বৈৰি: কালনেমি অসুৰ জানি: যদু বংসক বিৰোধ কৰিল। উগ্ৰসেন পিতৃকো নিগ্ৰহ কৰি আপুনি ৰাজা হৈল॥ শ্ৰীভাগবত কথায়াং কবিৰত্নকৃতায়াং দশমস্কন্ধে প্ৰথমোঽধ্যায়ঃ॥ হেন জানি সৰ্ব্বলোকে হৰি বোল হৰি॥ শ্লোক:—

মহীভাৰাবতায় যো দেৱৈৰৰ্চ্চিতো বিভুঃ।
তমহং ভক্তভীতিঘ্নং পুৰুষোত্তমমাশ্ৰয়ে॥

---

প্ৰথমে গোপুছ ফুৰাইল : গোমুত্ৰে নয়াইল : গোধূলি ঘসিল : গোময় লিপিল : প্ৰথমে অনাছান্তে : দ্বাদস অঙ্গত দ্বাদস নামে ৰক্ষা বান্ধিল : পাছে কিছু স্মৃতি পায়া আছান্ত হয়া আপুনাৰ অঙ্গন্যাস কৰি : বালকক ৰক্ষা কৰে : তুমাৰ চৰনক অজে ৰক্ষা কৰস্তোক : মনিমন্তে জানুক : জজ্ঞে উকক : অচ্যুতে কটিক : হয়গ্ৰিবে উদৰক : কেশবে হৃদয়ক : ইসে ৰক্ষস্তনক: বিষ্ণু ভূজক: উৰুক্ৰমে মুখক : ঈশ্বৰে সিৰক : ৰক্ষা কৰস্তোক : হৰি চক্ৰ গদা ধৰি তুমাৰ আগে পাছে থাক স্তাক : মধুহাঅজনে ধনু অসি ধৰি দুইপাসে ৰহস্তোক : সঙ্খ ধৰি উৰুগায়ে তুমাৰ চাৰিকোনে ৰাখস্তোক : উপৰত উপেন্দ্ৰ : পৃথিবিত হলধৰে ৰক্ষা কৰস্তোক : ইন্দ্ৰিয়ক হৃষিকেস প্ৰাণক নাৰায়ণ : চিত্তক স্বেতদ্বিপ পতি : মনকো যোগেশ্বৰে: বুদ্ধিক পৃষ্ণিগৰ্ভ : অহঙ্কাৰক ভগবন্তে ৰাখস্তোক : ক্ৰিড়াত গোবিন্দ: সয়নত মাধব : ফুৰন্তে বৈকুণ্ঠ: বসিতে লক্ষ্মীপতি : ভুঞ্জন্তে যজ্ঞভোক্তা ৰাখস্তোক : ভুত প্ৰেত পিশাচ যক্ষ ৰাক্ষস : উন্মাদ গ্ৰহাদিয়ো নাস জাউক : যাতো বিষ্ণুনাম গ্ৰহনতে মহাভয় হবে : এমনে গোপী সবে : কৃষ্ণক ৰক্ষা কৰিলা : যশোদায়ো স্তনপাণ কৰাই : সয়ন কৰাইলা : তেবে নন্দাদিয়ো মথুৰাৰ পৰা গোকুল পায়া : পুতনাৰো দেহা দেখি : মহাবিস্ময় হৈলা : বসুদেবো ঋষি বুলি মানিলা : যাতো তান বাক্যত প্ৰমাণ পায়া পুত-নাৰ দেহাকো পাচে পৰশু কুঠাৰে খণ্ড খণ্ড কৰি দূৰ কৰিয়া কাষ্ঠে বেষ্টিত কৰি অগ্নি লগাইলা : ধূম দেহাৰো মহা সুগন্ধ উঠিল : যাতো কৃষ্ণৰ স্তনপানে সৰ্ব্বপাপ গুচিল : বালক ঘাতিনি পুতনা ৰাক্ষসি মৰিবাক ইচ্ছাৰে কৃষ্ণক বিসস্তন দিয়া জসোদাৰ গতি পাইলে : যি পুৰু শ্ৰদ্ধা ভক্তিয়ে কৃষ্ণক প্ৰিয় বস্তু দেই সিজে পাইবে তাৰ কি বুলিবু : এতেকে গোপীৰ মহিমা কি কহিবো : যাতো ব্ৰহ্মা গোবৎস হৰিতে ভগবন্ত কৃষ্ণে এক বৎসৰ স্তন খাইলা : তাৰায়ো পুত্ৰ বুদ্ধিয়ে : সদাই স্নেহ কৰিল : এতেকে তাৰ কদাচিতো সংসাৰ নঘটে : গোপ সবো ধুম্ৰৰ গন্ধ পায়া ইকি বুলি ব্ৰজক আসিল : তথায়ে গোপ মুখে : পুতনাৰ বধ স্তনি : সিস্তৰো কুশল দেখি বিস্ময় হৈলা : নন্দ পুত্ৰক কোলে লৈয়া : সিৰ ঘ্ৰান কৰি মহা আনন্দ পাইলা: এই পুতনাৰ কথা যি শ্ৰদ্ধায়ে শ্ৰবন কৰে : সি গোবিন্দৰ ভক্তি লভে। শ্ৰীভাগবত কথায়াং দশম স্কন্ধে ষষ্ঠোধ্যায়ঃ হেন জানি সৰ্ব্বলোক হৰিবোল হৰি॥ শ্লোক॥

যঃ পুতনা পয়ঃপানাৎ প্ৰাণং হত্বা গতিন্দদৌ।
তমহং করুণাসিন্ধু দীনবন্ধুমুপাশ্ৰয়ে॥॥

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা

——:•——

# পৌৰাণিক স্বাস্থ্য-নীতি।

(ডাক্তৰ মহানন্দ বৰুৱা সাহিত্যভূষণ)

"ভাৰত বাসীৰ স্বাস্থ্য-নীতি নাই"; "ভাৰতীয় নৰ-নাৰী কুসংস্কাৰাপন্ন" আদি ভালেমান অসত্য কথা পাশ্চাত্য জগতবাসীয়ে কৰহ লাগিছে আৰু ভাৰতবৰ্ষৰ বিৰুদ্ধে যে কিমান প্ৰচাৰ-কাৰ্য্য পাশ্চাত্য জগতত চলিব লাগিছে তাৰ শেষ নাই। স্বাস্থ্য সম্বন্ধীয় জাগৰণ (Sanitary consciousness) দুৰ্ভাগ্যক্ৰমে সমুচিতৰূপে বৰ্ত্তমান হব পৰা নাই যদিও হাজাৰ বছৰৰ আগেয়ে যে ভাৰতবাসীসকল স্বাস্থ্য-নীতিত অনভিজ্ঞ নাছিল সেইটো স্বতঃসিদ্ধ আৰু প্ৰমাণিত কথা। এই সম্বন্ধে "হেলথ্" নামেৰে এজন মাহেকীয়া কাকতত লিখিছে :—"More than one unbiassed Sanitary authority in India—to wit, Lt. Col. W G. King, I. M. S. a former Sanitary Commissioner of Madras have said that what are now passed off as new Discoveries in Public Health and sanitation are none but old theories promulgated in our Vedas & Dharma Shastras by the Hindu seers of old."



হিন্দু স্বাস্থ্য-নীতিৰ ধৰ্ম্মৰ লগত সম্পৰ্ক আছে। শৰীৰ ৰক্ষাই হৈছে ধৰ্ম্মসাধনৰ যাই সম্বল। আৰোগ্য লাভ কৰিব পাৰিলে ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ এই চতুৰ্ব্বৰ্গ ফল লাভ হয়।

"শৰীৰমাদ্যং খলু ধৰ্ম্মসাধনম্।
ধৰ্ম্মাৰ্থকামমোক্ষাণাম আৰোগ্যমূলমুত্তমম্॥

বোধ হয় এই ধৰ্ম্মৰ ভিতৰত শিথিলতা সোমোৱা গতিকে কুসংস্কাৰে বৰ্ত্তমান ঠাই লৈছে, কিন্তু শিক্ষা বিস্তাৰৰ লগে লগে যে এই কুসংস্কাৰবোৰ অচিৰে আঁতৰিব তাত সন্দেহ নাই। শিক্ষা বিস্তাৰ আৰু প্ৰচাৰ-কাৰ্য্য ফলৱতী কৰি পৌৰাণিক স্বাস্থ্য-নীতি প্ৰতিপালন কৰি চলিবলৈ উপদেশ দিলে অতীতৰ সোণালি যুগ আকৌ ঘূৰি আহিব বুলি ভৱিষ্যদ্বাণী কৰিলে বোধ কৰোঁ অত্যুক্তি কৰা নহব।

নিচেই ৰাতিপুৱাই উঠা অভ্যাস স্বাস্থ্য-ৰক্ষাৰ পক্ষে পৰম হিতকৰ। ইংৰাজীতো তেনে এটি কথা আছে। চৰক সংহিতাত লিখিছে :—

"ব্ৰাহ্মে মুহূৰ্ত্তে উত্তিষ্ঠেৎ সুস্থো ৰক্ষাৰ্থমায়ুষঃ।
শৰীৰ-চিন্তাং নিৰ্ব্বৰ্ত্ত্য কৃতশৌচবিধিস্ততঃ॥

অৰ্থাৎ সুস্থ মানুহে পৰমায়ু ৰক্ষাৰ নিমিত্তে ব্ৰাহ্ম মুহূৰ্ত্ততে উঠিব; তাৰ পাচত শৰীৰৰ বিষয়ে কৰ্ত্তব্যাকৰ্ত্তব্য স্থিৰ কৰিব আৰু তাৰ পাচত শৌচাচাৰ কৰিব।

"সূৰ্য্যেণাভ্যুদিতোযশ্চ ত্যক্তঃ সূৰ্য্যেণ চ স্বপন্।
অন্যত্ৰাতুৰভাৱাৎ তু প্ৰায়শ্চিত্তী ভৱেন্নৰঃ॥"

—বিষ্ণুপুৰাণ

অৰ্থাৎ বেমাৰ নহলেও যি মানুহে বেলি ওলোৱা বা মাৰ যোৱাৰ সময়ত শুই থাকে তেওঁ পাপী হয়।

ৰাতিপুৱাই হৈছে মল-মূত্ৰ ত্যাগৰ প্ৰশস্ত সময়। এই সম্বন্ধে কেনে সুন্দৰ বিধিব্যৱস্থা চাওক আৰু আধুনিক স্বাস্থ্য-বিধিৰ লগত তুলনা কৰক।

"তত কল্য সমুত্থায় কুৰ্য্যান্মৈত্ৰং নৰেশ্বৰ।
নৈঋত্যামিষু বিক্ষেপমতীত্যাভ্যধিকং ভুবঃ॥
দূৰাদাবসথান্মূত্ৰং পুৰীষঞ্চ সমুৎসৃজেৎ।
পাদাবসেচনোচ্ছিষ্টে প্ৰক্ষিপেন্ন গৃহাঙ্গণে॥
ন কৃষ্টে শস্যমধ্যে বা গোব্ৰজে জনসংসদি।
ন বৰ্ত্মনি ন নদ্যাদি তীৰ্থেষু পুৰুষৰ্ষভ॥
নাপ্সু ন বাস্তুসস্তীৰে ন শ্মশানে সমাচৰেৎ।
উৎসৰ্গং বৈ পুৰীষস্য মূত্ৰস্যচ বিসৰ্জ্জনম্॥
তিষ্ঠেন্নাতিচিৰং তত্ৰ নৈব কিঞ্চিদুদীৰয়েৎ।
তিষ্ঠন্ন মূত্ৰয়েৎ তদ্বৎ পথ্যানং নাৱমূত্ৰয়েৎ॥

—বিষ্ণুপুৰাণ

অৰ্থাৎ ৰাতিপুৱাই বিছনাৰ পৰা উঠি গাঁৱৰ নৈঋত কোণত (দক্ষিণ পচিম ফালে) বাণ নিক্ষেপৰ সীমা অতিক্ৰম কৰি (থকা ঠাইৰ পৰা ভালেমান আঁতৰত) মল-মূত্ৰ ত্যাগ কৰিব। ভৰিৰ খোজ থকা ঠাইত বা চোতালত (ঘৰৰ টোলত) মল-মূত্ৰ ত্যাগ নকৰিব। নাঙলেৰে চহোৱা মাটিত, গৰু চৰোৱা ঠাইত, মানুহৰ মাজত, বাটত, নৈ আদি তীৰ্থত, পানীত, নৈ বা পুখুৰীৰ পাৰত আৰু মৰিশালিত শৌচ বা প্ৰস্ৰাব নকৰিব; মল-মূত্ৰ ত্যাগ কৰা ঠাইত বেচি পৰ নৰহিব আৰু কথা নকব। থিয় হৈ প্ৰস্ৰাব নকৰিব। বাটতো প্ৰস্ৰাব নকৰিব।

"নাপ্সু মূত্ৰং পুৰীষং বা ষ্ঠীৱনং বা সমুৎসৃজেৎ।

—মনু

অৰ্থাৎ পানীত মল-মূত্ৰ বা থু-খেকাৰ পেলোৱা অযুগুত। আধুনিক স্বাস্থ্য বিধি মতে তেনে কৰিলে পানী দূষিত হয় আৰু গেঁচৰা বেমাৰবো উৎপত্তি হব পাৰে।

মল-মূত্ৰৰ 'বেগ' জন্মিলে তাকো বন্ধ কৰা অনুচিত, কাৰণ তাৰ পৰা ভালেমান অনিষ্ট হবৰ সম্ভাৱনা থাকে।

"ন বেগান্ ধাৰয়েদ্ধীমান জাতান্ মূত্ৰপুৰীষয়োঃ।

—চৰক

অৰ্থাৎ বুদ্ধিমান লোকে মল-মূত্ৰৰ 'বেগ' জন্মিলে তাক ধাৰণ নকৰিব।

আমি আটায়ে জানো যে পঞ্চভূতেৰে পৃথিবীখন গঠিত হৈছে। সেই পঞ্চভূত হৈছে 'ক্ষিত্যপ্‌তেজমৰুদ্ব্যোমঃ' অৰ্থাৎ মাটি, পানী, অগ্নি, বায়ু, আৰু ব্যোম বা ইথাৰ (ether)। সেইদৰে মানৱ-শৰীৰো গঠিত হৈছে। আমাৰ শৰীৰকো এখন সৰুসুৰা জগতকে বুলিব পাৰি। গতিকে জীয়াই থাকিবলৈ আমাৰ শৰীৰকো বিশুদ্ধ বায়ু, নিৰ্ম্মল পানী, উজ্জ্বল অগ্নি বা সূৰ্য্যৰ ৰশ্মি, নিৰ্ম্মল মাটি আৰু প্ৰচুৰ পৰিমাণে মুকলি ঠাই লাগে। ইয়াৰ কোনো এটাৰে হীন-ডেটি হলে ৰোগ-ব্যাধিৰ উৎপত্তি হয়। জীৱন ধাৰণ কৰিবলৈ হলে বায়ু আটাইতকৈ লাগতিয়াল আৰু অপৰিহাৰ্য্য; কাৰণ আহাৰ আৰু পানী নহলে কিছু দিন জীয়াই থাকিব পাৰি, কিন্তু বায়ু নহলে আমাৰ তিতাতে মৰণ। আগৰ দিনৰ ঋষি মুনিসকলে আধুনিক বৈজ্ঞানিক পণ্ডিতসকলৰ দৰে বায়ুৰ মূল্য জানিছিল; যাতে বায়ু দূষিত হব নোৱাৰে তাৰ ব্যৱস্থা কৰিছিল আৰু আগৰ দিনত ব্ৰহ্মচৰ্য্য আশ্ৰম (পঢ়াশালি আদি) মুকলি ঠাইত, গছৰ তলত পাতিছিল। সেই কালত মুক্ত বায়ু সেৱন কৰি মানুহ সবল, সুস্থকায় আৰু নিৰোগী হৈ থাকিব পাৰিছিল। বৰ্ত্তমান পাশ্চাত্য জগতেও মুক্ত বায়ু আৰু ৰ'দ সেৱনৰ উপকাৰিতা উপলব্ধি কৰিব পাৰিছে।

বায়ুৰ পাচতে জীৱন ধাৰণৰ অপৰিহাৰ্য্য সঁজুলি হৈছে পানী। মানৱ-দেহ যি যি পদাৰ্থেৰে গঠিত হৈছে তাৰ ভিতৰত শতকৰা ৭০ ভাগতকৈও অধিক পানী আৰু আমাৰ খাদ্যতো তদনুৰূপ পানী আছে। গতিকে পানী যে আমাৰ কিমান লাগতিয়াল সেইটো সহজে অনুমান কৰিব পাৰি। হিন্দুসকলে শৌচাচাৰ কৰোঁতে পানী ব্যৱহাৰ কৰে আৰু এই পানী ব্যৱহাৰ কৰাৰ কঠোৰ ব্যৱস্থা শাস্ত্ৰকাৰসকলে কৰি থৈ গৈছে।

"বিন্মূত্ৰোৎসৰ্গশুদ্ধ্যৰ্থং মৃদাৰ্য্যাদেয়মৰ্থৱৎ।
দৈহিকানাং মলানাঞ্চ শুদ্ধিষু দ্বাদশস্বপি॥" —মনু

অৰ্থাৎ যি বোৰ দ্বাৰেৰে বিষ্ঠা মূত্ৰ ত্যাগ কৰা যায় সেইবোৰ আৱশ্যকমতে মাটি আৰু পানীৰে শুদ্ধ কৰিব। বক্ষ্যমাণ ১২ টি দৈহিক মলবো তেনেদৰে শুদ্ধি কৰিব। তাৰ ভিতৰত আগৰ ছবিধ মাটি আৰু পানীৰে শুদ্ধ কৰিব; পাচৰ ছবিধ পানীৰে মাথোন শুদ্ধ কৰিব। জন্তুৰ তেল বা চৰ্বি, শুক্ৰ, তেজ, মজ্জা, বিষ্ঠা, মূত্ৰ নাকটি, কণ-মাকৰি শ্লেষ্মা, চকু-লো, ঘৈচকুৰি আৰু ঘাম এই বাৰটা মানুহৰ দেহৰ মল।

"কৃত্বা মূত্ৰংপুৰীষং বা খচ্যাচান্ত উপস্পৃশেৎ।
বেদমধ্যেষ্যমাণশ্চ অন্নমশ্নংশ্চ সৰ্ব্বদা॥ —মনু

অৰ্থাৎ বিষ্ঠা-মূত্ৰ ত্যাগৰ পাচত শুদ্ধ হৈ আচমন কৰি ইন্দ্ৰিয়চ্ছিদ্ৰবোৰ স্পৰ্শ কৰিব। বেদাধ্যয়নৰ সময়ত আৰু অন্নভোজন কৰিও সদায় এনে আচমন কৰিব।

"মৃত্তোয়ৈঃ শুধ্যতে শোধ্যংনদী বেগেন শুধ্যতি।"—মনু।

শোধনীয় বাহ্য দ্ৰব্য অৰ্থাৎ এই দেহ মাটি আৰু পানী আদিৰ দ্বাৰা শুদ্ধ হয়; মলনাশী নৈ সোঁতৰ বেগত শুদ্ধ হয়।

শৌচাচাৰ কৰাৰ সময়তো আন কি পৰিষ্কাৰ পানী ব্যৱহাৰ কৰাৰহে ব্যৱস্থা আছে; কাৰণ লেতেৰা বা মৰলা পানী ব্যৱহাৰ কৰিলে খহ-কাক আদি হব পাৰে।

হিন্দু শাস্ত্ৰবিধিমতে বেমাৰ আজাৰ নাথাকিলে নিতে গা ধুব লাগে। গা নোধোৱাকৈ ধৰ্ম্মকাৰ্য্য কৰা নিষেধ। গৃহস্থী মানুহৰ কাৰণে ৰাতিপুৱা আৰু দুপৰীয়া স্নানৰ ব্যৱস্থা আছে। পুৱাৰ স্নান সংক্ষিপ্ত হলেও দুপৰীয়া বাহুল্যকৈ গা ধোৱা উচিত। বাণপ্ৰস্থ আৰু গৃহস্থসকলৰ বাবে প্ৰাতঃস্নান আৰু মধ্যাহ্ন স্নান উভয় ব্যৱস্থা কৰা হৈছে। যতীসকলৰ কাৰণে ত্ৰিসন্ধ্যা স্নানৰ ব্যৱস্থা আছে কিন্তু ব্ৰহ্মচাৰীয়ে মাত্ৰ এবাৰ স্নান কৰিলেও হয় বুলি কোৱা আছে।

জাবালৰ মতে:—

"স্নানন্তু দ্বিবিধং প্ৰোক্তং মজ্জনং গাত্ৰমাৰ্জ্জনম্।
অশিৰস্কং ভবেৎ স্নানং স্নানাশক্তৌ তু কৰ্ম্মিনাম্॥



অৰ্থাৎ স্নান দুইকৈ দুবিধ, যেনে—অৱগাহন আৰু গাত্ৰমাৰ্জ্জন। যি স্নান কৰিবলৈ অপাৰগ তেওঁ অৱগাহন নকৰি তিতা কাপোৰেৰে মূৰৰ পৰা ভৰিলৈকে গা মচিলে স্নান কৰা হয়।

আকৌ অৱস্থা ভেদে স্নান তিনি বিধ হয়, যেনে—নিত্য, নৈমিত্তিক আৰু কাম্যস্নান।

পাশ্চাত্য জগতৰ বিৱস্ত্ৰ হৈ গা ধোৱা দস্তুৰ আমাৰ অনুকৰণীয় নহয়। মানুহে কৈছে "ন নগ্ন স্নানমাচৰেৎ" অৰ্থাৎ বিৱস্ত্ৰ হৈ গা নুধুব।

"ন স্নানমাচৰেদ্ভুক্ত্বা নাতুৰো ন মহানিশি।
ন বাসোভিঃ সহাজস্ৰং নাবিজ্ঞাতে জলাশয়ে॥

—মনু

অৰ্থাৎ ভোজনৰ পাচত গা ধোৱা অনুচিত; শৰীৰ অসুস্থ হলে বা মাজনিশা (দুপৰ ৰাতি) গা ধুব নালাগে; বহুত কাপোৰ পিন্ধি গা ধুব নালাগে আৰু অচিনাকি নৈ, বিল, পুখুৰী আদিত গা ধোৱা যুগুত নহয়।

অন্যস্য চাপ্যবস্নাতং দূৰতঃ পৰিবৰ্জ্জয়েৎ।

—মহাভাৰত

অৰ্থাৎ আন মানুহে গা ধোৱা পানী দূৰতে বৰ্জ্জন কৰিব।

এনে পানী ব্যৱহাৰ কৰিলে ছালৰ বেমাৰ হোৱাৰ উপৰিও সোঁচৰা বেমাৰ হব পাৰে।

"ন চাভীক্ষং শিৰস্নানং কাৰ্য্যংনিষ্কাৰণংনৰৈঃ।

—মাৰ্কণ্ডেয়পুৰাণ

অৰ্থাৎ অবাৰত গা ধোৱা আৰু সদায় মূৰ ধুই গা ধোৱা উচিত নহয়। মূৰ ধুই কোনো অঙ্গতে তেল নঘঁহিব।

"স্নাতো নাঙ্গানি নিমাৰ্জ্জেৎ স্নানশাট্যা ন পাণিনা

—বিষ্ণুপুৰাণ

অৰ্থাৎ গা ধুই উঠি পিন্ধা কাপোৰ বা হাতেৰে গা নমচিব।

আমাৰ শাস্ত্ৰকাৰসকলৰ মতেও আৰু আধুনিক বৈজ্ঞানিক পণ্ডিতসকলৰ মতেও খোৱা পানী চাৰি শ্ৰেণীত বিভক্ত হৈছে। যেনে—(১) নাদৰ পানী (২) সোঁত নথকা পানী (৩) জৰণাৰ পানী আৰু (৪) নৈৰ পানী।

ভূমিষ্ঠমুদ্ধৃতাৎ পুণ্যং ততঃ প্ৰস্ৰৱণাদিকম্।
ততোঽপি সাৰসং পুণ্যং তস্মান্নাদেয়মুচ্যতে॥

—গৰুড়পুৰাণ।

তুলি অনা (যেনে নাদৰ) পানীতকৈ ভূমিষ্ঠ পানী পৱিত্ৰ; ভূমিষ্ঠ পানীতকৈ জৰণাৰ পানী পৱিত্ৰ আৰু জৰণাৰ পানীতকৈ নৈৰ পানী পৱিত্ৰ।

কিন্তু মানুহৰ দোষতে 'পৱিত্ৰতম' নৈৰ পানী দূষিত হয়। নানা বিধ সোঁচৰা বেমাৰীৰ মৰা শ উটি গলে, তেনে বেমাৰীৰ কাপোৰ কানি ধুলে বা মল মূত্ৰ আদি ত্যাগ কৰিলে নৈৰ পানী দূষিত নহৈ নাথাকে। সোঁত থকা পানী বিশুদ্ধ বুলি জ্ঞান কৰা আজিকালি কুসংস্কাৰৰ বাহিৰে আন একো নহয়। আগৰ দিনত এনে পানী দূষিত হব পৰা নাছিল। কাৰণ সেই যুগত সকলোৱে স্বাস্থ্য বিধিক ধৰ্ম্মৰ অঙ্গ যেন ভাবিছিল॥

খোৱা বস্তু অকল যে পুষ্টিকৰ আৰু স্বাস্থ্যকৰ হব লাগে এনে নহয়। সি পৰিষ্কাৰ হোৱাও যুগুত। এই সম্বন্ধে যি বিধি-ব্যৱস্থা চৰক আৰু সুশ্ৰুত সংহিতাত আছে তাৰ ইংৰাজী ভাঙনি "An Interpretation of the Ancient Hindu Medicine নামেৰে গ্ৰন্থত প্ৰকাশিত হৈছে। উক্ত গ্ৰন্থৰ এছোৱাৰ অসমীয়া ভাঙনি ইয়াত দিলোঁ:—

১। ততাতৈয়াকৈ খোৱা অভ্যাস।—বৰ খৰকৈ নাখাবা; কাৰণ তেনে কৰিলে ভালকৈ নোচোবোৱাৰ কাৰণে খোৱা বস্তু লালটিৰ লগত মিহলি হৈ জীৰ্ণ হোৱাত সুবিধা হব নোৱাৰে আৰু অন্নৰ ঠিক বাটেদি যাব নোৱাৰে আৰু সুস্থ প্ৰতিক্ৰিয়া হব নোৱাৰে। গতিকে বৰ খৰকৈ খোৱা অনুচিত।

২। চেৰেলা মানুহৰ জীৱনী শক্তি শকত মানুহতকৈ বেচি।—শকত মানুহক চেৰেলা কৰিবলৈ হলে জীৰ্ণ নোহোৱা বস্তুৰ (শৰীৰত প্ৰচুৰ পৰিমাণে মিলি নোযোৱা কিন্তু ভোক গুচোৱা) আৰু উপবাসৰ ব্যৱস্থা কৰিব লাগে। চেৰেলা মানুহক শকত কৰিব খুজিলে সহজে জীৰ্ণ হোৱা বস্তু দিব লাগে। কিন্তু যদিও চেৰেলা আৰু শকত হোৱা উভয় অৱস্থাৰ অসুবিধা আছে, তথাপি

চেৰেলা হৈ থকাই বৰঞ্চ ভাল, কাৰণ বেমাৰ-আজাৰ হলে শকত মানুহে বেচি ভোগে।

৩। মানসিক উত্তেজনাই জীণ যোৱাত বাধা জন্মায়।—অৱসাদ, বেজাৰ, ভয়, খং, বিৰক্তি, কিংকৰ্ত্তব্য বিমূঢ়তা আৰু নিদ্ৰাহীনতাই জীৰ্ণশক্তিত বাধা জন্মায়, যদিওবা খোৱা বস্তু ভাল আৰু পৰিমাণত ঠিকেই হয়।

৪। মুখৰ স্বাস্থ্য (mouth hygiene)।—খোৱাৰ পাচত প্ৰতিবাৰ মুখ কুল্‌কুলিয়াই ধুই পেলাব লাগে। (কাৰণ তেনে কৰিলে দাঁতৰ গুৰিত খোৱা বস্তুৰ কণিকা থাকিব নোৱাৰে; গতিকে বীজাণুৱেও বসতি কৰি দুৰ্গন্ধৰ উৎপত্তি কৰিব নোৱাৰে)। দাঁতৰ গুৰিত বা মাজত সোমাই থকা খোৱা বস্তুৰ কণিকা খৰিকাৰে লাহে-ধীৰে উলিয়াব লাগে, নহলে সেইবোৰে বৰ অনিষ্ট কৰে। (মুখ-সম্বন্ধীয় স্বাস্থ্যৰ এই দুটি উক্ত বিধি আওহেলা কৰা দস্তুৰ থকাৰ অনুকৰণপ্ৰিয় ভাৰতবৰ্ষত আৰু ইউৰোপতো বিয়পি পৰিছে আৰু তাৰ বিষময় ফল, হৈছে দাঁতৰ ক্ষয় ৰোগ বা dental caries.)

৫। খাব নলগা বস্তু।—ৰং সলনি হোৱা, দুষিত উচ্ছিষ্ট অৰ্থাৎ এৰেহা, শিলগুটি, ঘাঁহ বা তেনে ধৰণৰ বস্তু মিহলি, দেখিলে বিৰক্তি লগা, বাহী, দুৰ্গন্ধ বস্তু খাব নালাগে আৰু বেচি পৰ সিজোৱা বস্তুও খাব নালাগে। (কাৰণ আধুনিক বৈজ্ঞানিক পণ্ডিতসকলৰ মতে বেচি পৰ সিজালে, খোৱা বস্তুত থকা ভিটামিন বা খাদ্যপ্ৰাণ নষ্ট হয়।) টানকৈ সিজোৱা বস্তু, ঠাণ্ডা বস্তু, আকৌ সিজোৱা, খৰচি থকা পিঠা-পনা আৰু বৰ তপত ৰন্ধা বস্তু খোৱা অযুগুত।

মনুসংহিতাত কেনে অন্ন খাব নালাগে এই সম্বন্ধে যি আছে বাহুল্য ভয়ত শ্লোক উদ্ধাৰ নকৰি অসমীয়া ভাঙনি মাথোন তলত দিলোঁ:—

"মত্ত, খঙাল আৰু বেমাৰী মানুহৰ অন্ন কেতিয়াও ভোজন নকৰিব। চুলি, পোক আদি থকা অন্ন বা ইচ্ছা কৰি ভৰিৰে গচকা অন্ন কেতিয়াও ভোজন নকৰিব।

"ভ্ৰূণঘাতীয়ে দেখা অন্ন, ঋতুমতী নাৰীয়ে ছোৱা অন্ন, চৰায়ে খুঁটিওৱা অন্ন আৰু কুকুৰে ছোৱা অন্ন কেতিয়াও ভোজন নকৰিব।

"গায়ে শুঙা অন্ন, বিশেষকৈ ঘোষণা কৰা অন্ন (অৰ্থাৎ, কাৰ ভোক লাগিছে আহ—অন্ন তৈয়াৰী হৈয়ে এইদৰে সাধাৰণ আগন্তুকলৈ উদ্দেশ কৰা অন্ন), বেশ্যাৰ অন্ন আৰু পণ্ডিতসকলে যেনে অন্নৰ নিন্দা কৰে তেনে অন্ন, (এই সকলো প্ৰকাৰ অন্ন) কেতিয়াও ভোজন নকৰিব।"

ইয়াত বাজেও, চোৰ, কিৰ্পিণ, মহাপাতকী, নপুংসক (ক্লীব), ব্যভিচাৰিণী, কপট-ধৰ্ম্মাচাৰী আদিৰ অন্ন ভোজন কৰিবলৈকো নিষেধ আছে। শুক্ত (অৰ্থাৎ স্বাভাৱিক মিঠা বস্তু দৈ আদিৰ সংযোগত টেঙা হৈ যোৱা), বাহী বস্তু, আৰু এৰেহা বস্তু খাবলৈ মানা আছে। যি অন্নৰ ওপৰত হাঁচি পৰিছে আৰু যি অন্ন খাবৰ মন নাযায় তেনে অন্নও খোৱা অনুচিত।

মনুৱে দঢ়াই দঢ়াই কৈছে যে বহুত মানুহ গোট খোৱা ঠাইৰ (যেনে, 'হোটেল' আদিৰ) আৰু বেশ্যাৰ অন্ন পালে কৰ্ম্মান্তৰ দ্বাৰা আৰ্জ্জিত স্বৰ্গাদি লোকৰ পৰাও ভ্ৰষ্ট হব লাগে আৰু অসতী স্ত্ৰীৰ অন্ন ভোজন গুহ ভোজন তুল্য।

"এইবিলাকৰ ভিতৰত যেই সেই জনৰ অন্ন নাজানি খালেও ত্ৰিৰাত্ৰ উপবাস কৰা বিধি অৰ্থাৎ তিনি ৰাতি লঘোনে থকাৰ ব্যৱস্থা আছে। জানি-শুনি খালে কৃচ্ছ্ৰ অৰ্থাৎ প্ৰাজাপত্য ব্ৰতৰ আচৰণ কৰিব লাগে। যেনে, বিষ্ঠা আৰু মূত ভোজন কৰিলেও তেনে প্ৰায়শ্চিত্ত কৰিব লাগে।" (মনু, ৪।২২২)

মনুৱে ভোজন সম্বন্ধে আৰু ভালেমান বিধি-ব্যৱস্থা দিছে। ইয়াত সেইবোৰ উল্লেখ কৰাৰ পৰা ক্ষান্ত থাকিলোঁ।

পৰিষ্কাৰ পৰিচ্ছন্নতাই স্বাস্থ্য ৰক্ষাৰ মূল। এই সম্বন্ধে হিন্দু শাস্ত্ৰকাৰসকলে কঠোৰ বিধি-ব্যৱস্থা কৰি থৈ গৈছে। ইয়াত মাথোন দুই-চাৰিটামান নীতিৰ উল্লেখ কৰিলোঁ:—

"আহাৰৰ পাছত আচমন কৰি কেশ সংস্কাৰ কৰিব লাগে অৰ্থাৎ মূৰ ফণিয়াব লাগে আৰু আচি অঞ্জন দূৰ্ব্বা আদি মাঙ্গলিক বস্তু ৰীতিমতে ব্যৱহাৰ কৰিব লাগে। মালা



চুলিবো। চিকুণ আৰু পৰিষ্কাৰকৈ থব লাগে। সুগন্ধি মনোহৰ বেশ ধাৰণ কৰিব লাগে আৰু উত্তম বগা ফুল পিন্ধিব লাগে।" —বিষ্ণুপুৰাণ

"নিৰ্ম্মল কাপোৰ পিন্ধা বাঞ্ছনীয়, যশস্কৰ, আয়ুস্কৰ, অলক্ষ্মীনাশক, উল্লাসজনক, শ্ৰীবৃদ্ধি কাৰক, সভ্যতাজনক আৰু প্ৰশস্ত। —চৰক

"বেচি ৰঙা আৰু নীলবৰণীয়া কাপোৰ পিন্ধা বেয়া। অনাৱশ্যক আৰু উপকৰা (অতিৰিক্ত) কাপোৰো পিন্ধা অযুগুত। ময়লা আৰু গন্ধহীন (অৰ্থাৎ চন্দন আদিৰ সুগন্ধ নথকা) কাপোৰ পৰিত্যাগ কৰিব। (হাৰীত)

"শিমলু গছৰ মিহি পাটত ধোবাই কাপোৰ ধুব আৰু এজনৰ কাপোৰৰ লগত আনৰ কাপোৰ নিমিহলাব, নাইবা এজনৰ কাপোৰ লোকক পিন্ধিবলৈ নিদিব। (মনু)

"আনে ব্যৱহাৰ কৰা পাদুকা, (জোতা খৰম আদি) কাপোৰ, উপবীত, অলঙ্কাৰ, মালা আৰু কমণ্ডলু ব্যৱহাৰ কৰা অযুগুত। —মনু

"শৌচ-প্ৰস্ৰাব, দাঁত ঘঁহা, গা-ধোৱা, দেহৰ সাজ পাৰ কৰা, অঞ্জন ঘঁহা আৰু দেৱতাৰ পূজা আদি আটাইবোৰ কাম দিনৰ আগ ভাগতে সমাধা কৰা উচিত। (মনু)

"গৃহস্থ সদায় পবিত্ৰ থাকিব; ভাল সুগন্ধি বস্তু ব্যৱহাৰ কৰিব আৰু নিতৌ গা ধুব। পাৰিলে পুৰণি আৰু ময়লা কাপোৰ ব্যৱহাৰ নকৰিব। আনে ব্যৱহাৰ কৰা কাপোৰ নিপিন্ধিব। অপৰিষ্কাৰ ৰঙীন কাপোৰো ব্যৱহাৰ নকৰিব। কোনো বিশেষ কাৰণ নাথাকিলে অকস্মাৎ ডাড়ি নাৰাখিব। —গৌতম

"আসন, পিন্ধা কাপোৰ, খোৱা পাত্ৰ, শোৱা বিছনা-পাটী, বাহন, থকা ঘৰ, গৃহস্থৰ লাগতিয়াল ঘৰুৱা সঁজুলি আদি আটাইবোৰ বস্তু পৰিষ্কাৰতো পৰিষ্কাৰ (স্বচ্ছাৎ 'স্বচ্ছং') হোৱা প্ৰশস্ত। *(মহানিৰ্ব্বাণ তন্ত্ৰ।)

দীৰ্ঘজীৱন সম্বন্ধে মনুৱে কৈছে যে সত্যযুগত মানুহ নিৰোগী, সিদ্ধকাম আৰু চাৰিশ বছৰ তেওঁবিলাকৰ আয়ু। কিন্তু ত্ৰেতা আদি পাচৰ তিনি যুগত আয়ুৰ পৰিমাণ ক্ৰমে এশ বছৰকৈ কমি যাবলৈ ধৰিলে।

মনুৰ মতে (আৰু আধুনিক চিকিৎসা-বিজ্ঞানৰ মতেও) কলিযুগৰ মানুহৰ পৰমায়ু গড়ে এশ বছৰ ধৰা হৈছে, কিন্তু বৰ্ত্তমান নানা কাৰণত উৰ্দ্ধতম আয়ু কমি গৈ আঢ়ৈ কুৰি বছৰত পৰিছে। যিবোৰ কাৰণত এনে অৱস্থা ঘটিছে সেইবোৰৰ ভিতৰত অস্বাস্থ্যকৰ ঠাই, থকা ঘৰ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ স্বাস্থ্য-হীনতা, আৰু কৃত্ৰিম জীৱন ধাৰণৰ ৰীতি-নীতিয়েই প্ৰধান। দৰিদ্ৰতা আৰু অজ্ঞতাও কিছু পৰিমাণে দায়ী।

সামৰণিত মাৰ্কিণ মুলুকৰ "গুড্ হেল্‌থ্" নামেৰে সুবিখ্যাত কাকতৰ দুআষাৰমান কথাৰ অসমীয়া ভাঙনি কৰি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।—

"ঘৰুৱা স্বাস্থ্য-সম্বন্ধে কৰবাত কেতিয়াবাহে লোকে ভাৰতবৰ্ষৰ ফালে চকু দিয়ে; অথচ সেই দেশত প্ৰকাশিত 'মেডিকেল ৰিভিউ অব্ ৰিভিউজ্' নামেৰে কাকতত ডাক্তৰ সেন্ গুপ্তই দঢ়াই কৈছে যে ভালেমান পৌৰাণিক নীতি-নিয়মে সেই দেশবাসী লোকসকলৰ স্বাস্থ্যৰক্ষাত বহুত পৰিমাণে সহায় কৰিছে।

"স্মৰণাতীত কালৰ পৰা চলি অহা এটি নিয়ম হৈছে কেঁচুৱা লৰা-ছোৱালীক তেল ঘঁহি ৰ'দত শোৱা। এই নিয়মটি আধুনিক আলোক-স্নানৰ লগত আচৰিত ৰকমে মিলে। তেওঁৰ মতে এই দস্তুৰৰ দ্বাৰা পক্ষা লগা (rickets) বেমাৰৰ পৰা ভাৰতবাসী আনৰ তুলনাত কিছু দূৰ মুক্ত হব পাৰিছে।

"তাৰ পাচত ঘৰুৱা গাখীৰ তপতোৱা নিয়মটো অতি প্ৰাচীন আৰু বোধ হয় সেই গতিকে সৰু সৰু লৰা-ছোৱালীৰ পেটৰ আৰু নাড়ীৰ বিকাৰ অতি কম।

"হিন্দুসকলৰ পৌৰাণিক শাস্ত্ৰই পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভ্যাসৰ ব্যৱস্থা দিছে। এই বিধি-ব্যৱস্থাবোৰ যদিও ধৰা-বন্ধা নিয়মে পালন কৰা নহয় তথাপি সেইবোৰ

* প্ৰবন্ধটোৰ ভালেমান ঠাইত 'সংক্ষিপ্ত হিন্দু ধৰ্ম্মা-নুষ্ঠান পদ্ধতি" নামেৰে পুথিৰ সহায় লোৱা হৈছে।—লেখক।

ভালেমান পাশ্চাত্যবাসীৰ নীতি-নিয়মতকৈ উন্নত। উদাহৰণ স্বৰূপে কৰলৈ গলে, ৰাতিপুৱা গা ধুৱলৈ, সাঁজো নিমৰ ঠাঁৰিৰে দাঁত মাজিবলৈ আৰু খোৱাৰ আগেয়ে আৰু পাচত সাৱধানে হাত ধুৱলৈ আৰু শৌচাচাৰ কৰি হাত ধুৱলৈও শাস্ত্ৰত কঠোৰ ব্যৱস্থা আছে।"

ডাক্তৰ সেনগুপ্তই আৰু কৈছে বোলে ইউৰোপীয় সকলে অস্বাস্থ্যকৰ খোৱা বস্তু (যেনে, মিহি আৰু ভিটামিন নথকা চাউল আৰু আন আন বস্তু) প্ৰচাৰ কৰাৰ ফলত আধুনিক হিন্দু সকলৰ বহুত পৰিমাণে স্বাস্থ্য অৱনতি ঘটিছে।

আলোচ্য বিষয়টোৰ কলেৱৰ বঢ়াৰ ভয়ত আৰু ভালেমান স্বাস্থ্য-নীতি উদ্ধৃত কৰিব পৰা নহল। আমাৰ হিন্দু-শাস্ত্ৰত যি অলেখ স্বাস্থ্য-নীতিৰ উল্লেখ আছে তাৰ সম্যক আলোচনা কৰা এই ক্ষুদ্ৰ প্ৰবন্ধৰ পক্ষে সম্ভৱ নহয়, গতিকে ওপৰত যৎকিঞ্চিৎ মাথোন আলোচনা কৰা হল। •

——:•:——

# বেদান্তদৰ্শন।

বিদ্‌ধাতুৰ অৰ্থ জনা। বিদ্+অল্—বেদ। যেনেকৈ কৰ্ম্মচাৰীক শিক্ষা দিবৰ বাবে শাসন প্ৰণালী সংক্ৰান্ত সকলো বিধৰ নিয়ম প্ৰণীত হৈছে সেইদৰে সংসাৰ প্ৰতিপালনৰ নিয়ম ( অনাদি কালৰ জ্ঞান-ৰত্ন বোৰ ) ঋষি হৃদয়ত প্ৰতিফলিত হৈ বেদ হৈছে। এই বেদৰ আন নাম শ্ৰুতি। অনাদি কালৰ পৰা যিবোৰ তত্ব উপদেশ গুৰু পৰম্পৰাক্ৰমে শুনি অহা হৈছে তাৰ নাম শ্ৰুতি। ব্যাস দেৱে এই উপদেশ বিলাক ঋক্, যজুঃ সাম আৰু অথৰ্ব্ব এই চাৰি ভাগে বিভাগ কৰে। এই বিলাক উপদেশ আকৌ দুভাগত বিভক্ত— কৰ্ম্ম-প্ৰধান আৰু জ্ঞান-প্ৰধান। সংহিতা আৰু ব্ৰাহ্মণেই হৈছে কৰ্ম্ম কাণ্ড। কৰ্ম্ম-প্ৰধান উপদেশ বিলাকে স্তৱ, স্তুতি, যাগ যজ্ঞ ইত্যাদি বিষয় শিক্ষা দিয়ে। অৰণ্যক আৰু উপনিষদেই হৈছে জ্ঞান কাণ্ড। জ্ঞানপ্ৰধান উপদেশ বিলাকে আত্মা, ব্ৰহ্ম, সৃষ্টি ইত্যাদি দাৰ্শনিক তত্ব বিলাকৰ মুখ্য ভাৱে প্ৰতিপাদন কৰিছে। বেদান্ত অৰ্থাৎ বেদৰ অন্ত বা শেষ ভাগ। বেদৰ আদিতে কৰ্ম্মকাণ্ড পিচত ( শেষ ভাগত ) জ্ঞানকাণ্ড ; এইবাবে জ্ঞানকাণ্ডৰ নাম বেদান্ত। অথবা বেদৰ ভিতৰৰ তত্ব বিলাকো বেদান্ত। নাইবা যি জ্ঞান লাভ কৰিলে যাগ যজ্ঞ আদি বৈদিক কৰ্ম্মৰ অনুষ্ঠানৰ অন্ত অৰ্থাৎ শেষ হৈ যায় তাৰ নাম বেদান্ত। বেদান্ত জ্ঞান লাভ কৰিব পাৰিলে যাগ যজ্ঞ আদি কৰিবৰ কোনো প্ৰয়োজন নাথাকে। বিশ্ব সংহিতা, ব্ৰাহ্মণ, উপনিষৎ এই বিলাকৰ সাধাৰণ নাম বেদ বা শ্ৰুতি। উপনিষৎ বহুত ; প্ৰত্যেক উপনিষদৰ নানা বিষয়ত পৰস্পৰ বিৰোধো দেখা যায় ; এই বিৰোধী উপদেশ বিলাকৰ সামঞ্জস্য কৰাৰ বাবে মহৰ্ষি ব্যাস দেৱে বেদান্ত মীমাংসা বা ব্ৰহ্মসূত্ৰ ৰচনা কৰে। ব্ৰহ্মই বেদান্ত দৰ্শনৰ মুখ্য প্ৰতিপাদ্য, এই বাবে ইয়াৰ নাম ব্ৰহ্মসূত্ৰ আচাৰ্য্য জৈমিনি মুনিয়ে কৰ্ম্ম কাণ্ড বেদৰ বিৰোধ ভঞ্জন বাবে, এটি মীমাংসা ৰচনা কৰে তাৰ নাম "কৰ্ম্মমীমাংসা" বা পূৰ্ব্বমীমাংসা। ব্ৰহ্মসূত্ৰৰ আন নাম "উত্তৰমীমাংসা" ( উত্তৰ অৰ্থাৎ বেদৰ জ্ঞানকাণ্ডৰ মীমাংসা। ) আকৌ আন এটা নাম হৈছে শাৰীৰক মীমাংসা ( শাৰীৰক অৰ্থাৎ

• ৩১।৩।৩৫তাৰিখে ডিব্ৰুগড় সাহিত্য-সভাৰ বছেৰেকীয়া অধিবেশনত পঠিত।



শৰীৰোপহিত আত্মাৰ মীমাংসা। ) পূৰণি কালত ভিক্ষু অৰ্থাৎ সংসাৰ ত্যাগীয়েহে ( সন্ন্যাস আশ্ৰম বাসী ) বেদান্ত দৰ্শন আলোচনা কৰিছিল এই বাবে বাচস্পতি মিশ্ৰৰ মতে ব্ৰহ্মসূত্ৰৰ নাম ভিক্ষুসূত্ৰ।

বৈদান্তিক আচাৰ্য্যসকলৰ মতে বেদান্তৰ প্ৰস্থান (বিভাগ) তিনিটি। উপনিষৎ, শ্ৰুতিপ্ৰস্থান, শ্ৰীমদ্ভগবদ্গীতা স্মৃতি প্ৰস্থান আৰু ব্ৰহ্মসূত্ৰ ন্যায়প্ৰস্থান। আচলতে উপনিষৎ, গীতা আৰু ব্ৰহ্মসূত্ৰ এই তিনিখন শাস্ত্ৰই বেদান্ত। বেদান্ত দৰ্শন বুলি কলেহে প্ৰধান ভাৱে ব্ৰহ্মসূত্ৰক লক্ষ্য কৰে। বেদান্ত দৰ্শনৰ সৰ্ব্ব মুঠ সূত্ৰ ৫৫৫টি। তত্বজিজ্ঞাসুৰ যাৱতীয় প্ৰশ্নৰ মীমাংসা এই ব্ৰহ্মসূত্ৰতেই আছে; এই বাবেই ই আন আন দৰ্শন শাস্ত্ৰত কৈ শ্ৰেষ্ঠ। বেদান্ত গ্ৰন্থ "পঞ্চদশীত" লিখা আছে—

"আসুপ্তেৰামৃতেঃ কালংনয়েৎ বেদান্ত চিন্তয়া।
দত্বান্নাবসৰং কিঞ্চিৎ কামাদীনাং মনাগপি"॥

টোপনিত নপৰালৈকে আৰু মৃত্যু নোহোৱালৈক অৰ্থাৎ জীয়াই থকা সময়ৰ ভিতৰত বেদান্ত চিন্তা কৰি কাল অতিবাহিত কৰিব, আৰু কাম আদিক বিন্দু মাত্ৰেও অৱসৰ নিদিব। বেদান্ত আলোচনা কৰিলে মই কি, জগৎ থন নো কি, জগতৰ লগত নো মোৰ সম্বন্ধ কি, পৰমাত্মাৰ স্বৰূপ কি ইত্যাদি সূক্ষ্ম বিচাৰ জ্ঞান লাভ কৰিব পাৰি, আৰু কাম ক্ৰোধ আদি আহি মনক কলুষিত কৰিব নোৱাৰে।

ওপৰত উল্লেখ কৰি অহা ৫৫৫ টি সূত্ৰৰ বৈদান্তিক আচাৰ্য্য সকলে নিজৰ নিজৰ সম্প্ৰদায়ৰ অনুসাৰে বহুবিধ ভাষ্য বা ব্যাখ্যা ৰচনা কৰাৰ কাৰণে বেদান্ত দৰ্শনত বহুবিধ মতবাদৰ সৃষ্টি হৈছে, যেনে অদ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, স্বতন্ত্ৰ অস্বতন্ত্ৰবাদ, ( দ্বৈতবাদ ) শুদ্ধ দ্বৈতবাদ, ভেদাভেদবাদ, দ্বৈতা-দ্বৈতবাদ, আৰু অচিন্ত্য-ভেদাভেদবাদ।

শঙ্কৰাচাৰ্য্যৰ "শাৰীৰিক ভাষ্য" এই মতে অদ্বৈতবাদৰ সৃষ্টি। শঙ্কৰাচাৰ্য্যয়ে অকল বেদৰ ওপৰত নিৰ্ভৰ কৰি এটি সত্য বস্তুৰ মীমাংসা কৰিছে, সেই সত্য বস্তুটিয়েই ব্ৰহ্ম। ব্ৰহ্ম নিৰ্গুণ, নিৰ্ব্বিশেষ, নিৰ্ব্বিকাৰ, নিষ্ক্ৰিয়, নিত্যশুদ্ধবোধযুক্ত। এই ব্ৰহ্মত স্বজাতীয় বিজাতীয় আৰু স্বগত কোনো বিধৰ ভেদ নাই, ব্ৰহ্ম চৈতন্য মাত্ৰ প্ৰজ্ঞানঘন, অখণ্ডৈকৰস "একমেবাদ্বিতীয়ম্" ইয়াৰ বাহিৰে আন কাৰো অস্তিত্ব কোনো কালত নাছিল, নাই, আৰু নাথাকিব, এইয়েই পৰমাৰ্থ সত্য।

ওপৰত উল্লেখ কৰি অহা স্বজাতীয় বিজাতীয় আৰু স্বগত ভেদ বুজিব লগা হলে এটি দৃষ্টান্তৰ প্ৰয়োজন নহলে বুজা কঠিন হয়।

"বৃক্ষস্য স্বগতো ভেদপত্ৰ পুষ্প ফলাদিতঃ।
পক্ষান্তৰাৎ স্বজাতীয়ো বিজাতীয়ঃ শিলাদিতঃ"।

যেনেকৈ কোনো এডাল মাত্ৰ বট গছৰ পাত ফুল ফল মূল কাণ্ড শাখা ইত্যাদিৰ ভিতৰত পৰস্পৰে যি ভেদ তাৰ নাম স্বগত ভেদ। এই বট গছত আৰু এজোপা আম গছ, এজোপা অশোক গছ, এজোপা বকুল গছ ইত্যাদি গছৰ যি ভেদ তাৰ নাম স্বজাতীয় ভেদ। আকৌ বট গছৰপৰা মানুহ, গৰু, ঘৰ, শিল, নদী ইত্যাদি বেলেগ। বট গছত মানুহ আদিৰ যি ভেদ পাৰ্থক্য তাৰ নাম বিজাতীয় ভেদ। অদ্বৈতবাদত মূলজীৱ, জগৎ আৰু ঈশ্বৰৰ ভিতৰত এই তিনিবিধ ভেদৰ এটিও নাই। অদ্বৈতবাদৰ তাৎপৰ্য্য এই যে জীৱ, জগৎ আৰু ঈশ্বৰ আচলতে এই তিনিওটি এক। জীৱ জগৎ ব্ৰহ্মত কল্পিত, আচলতে জীৱ আৰু জগতৰ কোনো অস্তিত্ব নাই। যেতিয়ালৈকে অজ্ঞান থাকে তেতিয়ালৈকে জীৱ আৰু জগৎ সত্য হয়, এনে সত্যৰ নাম ব্যৱহাৰিক সত্য। যেতিয়া অজ্ঞান নাইকিয়া হয় তেতিয়া অকল নিৰ্ব্বিশেষ নিৰ্গুণ ব্ৰহ্মাই সত্য, আনবোৰ মিছা—এই সত্যই হৈছে পাৰমাৰ্থিক সত্য।

## নিৰ্ব্বিশেষ নিৰ্গুণ।

অজ্ঞানীৰ পক্ষে ব্ৰহ্ম সবিশেষ (সগুণ) সক্ৰিয় সাকাৰ, জ্ঞানীৰ পক্ষে ব্ৰহ্ম নিৰ্ব্বিশেষ, নিৰ্গুণ, নিচ্‌ক্ৰীয় আৰু নিৰাকাৰ। অজ্ঞানীৰ পক্ষে সবিশেষেই সত্য অৰ্থাৎ অজ্ঞানীৰ মতে জীৱ, জগৎ, সৃষ্টি, বন্ধ, মোক্ষ, শাস্ত্ৰ, গুৰু, শিষ্য পূজা, জপ, হোম আদি সকলোবেই সত্য। অজ্ঞান

লতে তেওঁলোকৰ ভিতৰত কোনো বিৰোধ নাই। আচাৰ্য্যসকল যুগপ্ৰবৰ্ত্তক আছিল গতিকে দেশ কাল আৰু পাত্ৰভেদে যেতিয়া যিটোৰ প্ৰয়োজন হৈছিল তেতিয়া তাকেই প্ৰচাৰ কৰিছিল। লোকশিক্ষাৰ বাবে আচাৰ্য্যসকলে সময়োপযোগী নানা মতৰ প্ৰচাৰ কৰিছিল, কিন্তু তেওঁলোকৰ ব্যক্তিগত জীৱনত যে কি উপলব্ধি কৰিছিল তাক জানিবৰ উপায় নাই।

বৈদিক যুগৰ পৰা আজিলৈকে কেতিয়াবা অদ্বৈত বাদীৰ জ্ঞানৰ অনুশীলন, কেতিয়াবা দ্বৈতবাদীৰ ভক্তি, ভক্তিসাধন, পূজা অৰ্চ্চনাদি কাৰ্য্যৰ অনুশীলন সমাজত প্ৰতিষ্ঠিত হৈয়েই আছে। এই বিৰোধ স্বাভাৱিক। এই বিৰোধ থকা বাবেহে জীৱনৰ জীৱনীশক্তি অক্ষুন্ন হৈ আছে। এই বিৰোধ নাথাকিলে সমাজৰ নিশ্চয় মৃত্যু হলহেতেন।

বেদান্ত দৰ্শনৰ আলোচনা অতি বহল, এই প্ৰবন্ধত অকল দিগদৰ্শন মাত্ৰ হে উল্লেখ কৰা হল। এই দৰ্শনত প্ৰথমতেই দুঃখবাদ অৰ্থাৎ সংসাৰ দুঃখময়। দ্বিতীয়তে জন্মান্তৰবাদ অৰ্থাৎ জীৱই কাৰ্য্যানুসাৰে মানুহ ইতৰ প্ৰাণী আন কি বৃক্ষাদি শৰীৰো ধাৰণ কৰে! তৃতীয়তে আত্মাৰ অমৰত্ব অৰ্থাৎ দেহ নাশ হলেও আত্মাৰ বিনাশ নহয়। চতুৰ্থতে কৰ্ম্মবাদ অৰ্থাৎ জিৱে যেনেকুৱা কৰ্ম্ম কৰে তেওঁ সেই কৰ্ম্মৰ পৰিণাম অনুৰূপ ফল ভোগ কৰে। পঞ্চমতে বেদৰ প্ৰামাণ্য স্বীকাৰ কৰিছে। বেদৰ এটি নাম হৈছে "বৃষ"—বৰ্ষতি ধৰ্ম্মাৰ্থ কামমোক্ষান্ ইতি বৃষঃ" অৰ্থাৎ ধৰ্ম্মাৰ্থ কাম আৰু মোক্ষ বিষয়ক উপদেশ বেদত পোৱা যায় গতিকে বেদানুমোদিত বেদান্ত দৰ্শনতো ধৰ্ম্মাদিৰ অভাৱ নাই। কাঙ্গাল মাহৰ দৌলৰ সময়ত লৰা-ছোৱালী হতে যেনেকৈ কোনো অৰ্থ নুবুজি নানা ৰকম গান কৰে সেই দৰে কলিৰ কালত সকলোৱে বেদান্তৰ কথা আলোচনা কৰে। কথাটো ইতিকিং জনক হলেও আচলতে ইয়াৰ ভিতৰত সত্য আছে। বেদান্ত দৰ্শনৰ আলোচনাৰ দ্বাৰা হৃদয় পবিত্ৰ হয়, ভগবানৰ ওপৰত বিশ্বাস জন্মে, আনকি বিশ্ব ৰহস্য হৃদয়ঙ্গম কৰি চিৰ শান্তি লাভ কৰিব পাৰি। আজিলৈ ইয়াতেই শেষ কৰা হল। ওঁ তৎ সৎ"। ইতি

শ্ৰীদেৱেন্দ্ৰ নাথ সাংখ্যতীৰ্থ।

——:•:——

# সাত্বত তন্ত্ৰ।

শ্ৰীকৃষ্ণায় নমো নমঃ।

## পদ।

জয়তি জয়তি কৃষ্ণ ভকত বান্ধৱ।
পতিত পাৱন দীন দয়ালু মাধৱ॥
জয়তি শঙ্কৰ ভকতৰ প্ৰিয়কৰ।
জয়তি নাৰদ প্ৰিয়-ভক্ত গোবিন্দৰ॥ ১॥
গুৰুৰ চৰণ মনে কৰি নমস্কাৰ।
সাত্বত তন্ত্ৰ পদ কৰিবোঁ প্ৰচাৰ॥
কৃতাঞ্জলি বোলোঁ শুনা সামাজিক লোক।
মন্দমতি দেখি নিন্দা নকৰিবা মোক॥ ২॥
যেন লোহা ভ্ৰমে চুম্বকৰ সমীপত।
মোৰো চিত্ত কৃষ্ণে পৰৱৰ্ত্তাইলা সেহিমত॥
মনৰ কামনা মোৰ জানা সমুদাই।
সৎসঙ্গত কৃষ্ণ যশ ৰসে মজোঁ যাই॥ ৩॥



যিটো কৃষ্ণে সৃষ্টি স্থিতি সংহাৰ কালত।
বহুবিধ ৰূপে প্ৰকাশন্ত ভাল মত॥
হেনয় পৰমানন্দ মুৰুতি মাধৱ।
শৰণ পশিলোঁ কৃপা কৰিয়োঁ বান্ধৱ॥ ৪॥
মহেশৰ নাৰদৰ অদ্ভুত সম্বাদ।
আদৰে শুনিয়ো পাপ কৰিয়ো উচ্ছাদ॥
আচন্ত শঙ্কৰ বসি কৈলাস শিখৰে।
জগতৰ কল্যাণ কৰিয়া নিৰন্তৰে॥ ৫॥
দিনেক নাৰদ ঋষি অতি ৰঙ্গমনে।
বিনয়ে পুছিলা শুনি আছা সৰ্ব্বজনে॥
নাৰদ বদতি প্ৰভু দেৱ মহেশ্বৰ।
শুনিবাক ইচ্ছা মোৰ কথা গোবিন্দৰ॥ ৬॥
যি কাৰণে কৃষ্ণে যিবা স্বৰূপ ধৰন্ত।
যি কালত জাত হোন্ত প্ৰভু ভগৱন্ত॥
যিমতে কৰন্ত লীলা বান্ধৱ মুৰাৰি।
কহিয়োক তাক পুছোঁ প্ৰভু ত্ৰিপুৰাৰি॥ ৭॥
অৱতাৰ নিমিত্তে যি বিৰাট শৰীৰ।
প্ৰথমে কহিয়ো তাক তুমি মহাধীৰ॥
শঙ্কৰ বদতি সাধু ভক্তত উত্তম।
যি হেতু পুছিলা কৃষ্ণ-কথা মনোৰম॥ ৮॥
অৱতাৰ সকলৰ আৰু বিৰাটৰ।
সহস্ৰ বৎসৰ কহি নপাওঁ তাৰ ওৰ॥
তথাপিতো তন্ত্ৰৰূপে সাৰক উদ্ধাৰি।
কহিবো যিমতে মোত কহিছন্ত হৰি॥ ৯ ॥
জয় নমো গোপৰূপী কৃষ্ণক সাক্ষাত।
কৰিবো সাত্বত তন্ত্ৰ ভক্তি বাঢ়ে যাত॥
প্ৰথমে কৰোঁহোঁ সৃষ্টি লীলা নিৰূপণ।
আছিল পুৰ্ব্বত এক সত্য-নিৰঞ্জন॥ ১০॥
ব্ৰহ্মহেন বুলি যাক জানে জ্ঞানীগণে।
ভগৱন্ত বুলি যাক ভজে ভক্ত জনে॥
সিবেলা (১) প্ৰপঞ্চ বিনে মানিয়া অসন্ত।
স্থিতিৰূপে ৰহি দুই প্ৰকাৰ ভৈলন্ত॥ ১১॥
চৈতন্য স্বৰূপ এক পুৰুষ বোলন্ত।
জড়ৰূপে অপৰক প্ৰকৃতি কহন্ত॥
সেহি বেলা নাম কাল কৰ্ম্ম যে স্বভাৱ।
সবাৰো পৃথকে কহোঁ লক্ষণ প্ৰভাৱ॥ ১২॥
পুৰুষ বুলিয়া যাক স্বৰূপ সাক্ষাত।
তান শক্তি গুণ সাম্য প্ৰকৃতি প্ৰখ্যাত॥
গুণ ক্ষোভ (২) কাৰী কাল লীলা মাধৱৰ।
কৰ্ম্ম জন্মাদিৰ হেতু জানা সমস্তৰ॥ ১৩॥
সকলৰ পৰিণাম যাত হন্তে হয়।
সূক্ষ্ম-ৰূপ তাহাক স্বভাৱ বুলি কয়॥
কাল-কৰ্ম্ম স্বভাৱত পুৰুষৰ হিয়া।
প্ৰকৃতিক ক্ষোভ তেৱে কৰিলা চাহিয়া॥ ১৪॥
তেৱে জ্ঞান ক্ৰিয়া-ৰূপ মহত্তত (৩) ভৈল।
তেন্তে তিনি বিধ অহঙ্কাৰ প্ৰজি ৰৈল॥
সাত্বিকত হন্তে দেৱগণ ভৈলা জাত।
ৰাজসত দুই বিধ ইন্দ্ৰিয় প্ৰখ্যাত॥ ১৫॥
ত্বক চক্ষু নাসা কৰ্ণ আৰৰ ৰসনা।
বুদ্ধি সমে এহি জ্ঞানেন্দ্ৰিয় বিতোপনা॥
বাক্য পাণি পাদ পায়ু (৪) উপস্থ (৫) চৰণ।
এহি কৰ্ম্মেন্দ্ৰিয় আৰু শুনা মাত্ৰাগণ॥ ১৬॥
প্ৰথমে তামস হন্তে শব্দ মাত্ৰা ভৈল।
তাত হন্তে আকাশ ব্যাপক হুয়া ৰৈল॥
আকাশত পৰশ শব্দত বায়ু জাত।
বায়ুহন্তে ৰূপ তাতো তেজৰ প্ৰখ্যাত॥ ১৭॥
ৰূপহন্তে ৰস তাত হন্তে জল নাম।
জল হন্তে গন্ধ তাত ভূমি অনুপাম॥
ই সব শকতি সবে পৰত অন্বয়।
ভূমিত সবাৰে গুণ জানা মহাশয়॥ ১৮॥
মহত্তাদি তত্ত্বগুণ যতেক আছয়।
পুৰুষৰ কাৰ্য্য অৱতাৰ জানা হয়॥
পুৰুষ ইচ্ছাৰে মিলি সবে তত্ত্ব গণে।
অংশে বিৰাটক জন্ম কৰায় যতনে॥ ১৯॥

(১) প্ৰপঞ্চ— মায়া বা সংসাৰ। (২) ক্ষোভ— চিত্তচাঞ্চল্য, সঞ্চলন। (৩) মহত্ত— চতুৰ্বিংশতি তত্ত্বৰ দ্বিতীয় তত্ত্ব।
(৪) পায়ু— মলদ্বাৰ। (৫) উপস্থ— লিঙ্গ।

ভিতৰে পঞ্চাশ কোটি বিস্তাৰ হোৱয়।
দশ গুণাধিক সাতে আৱৰি আছয়॥
ইহাকে বুলিয় জানা গৃহ পুৰুষৰ।
অচেতনে জলে আছে সহস্র বৎসৰ॥ ২০॥
যেবে নাৰায়ণ ৰূপে পুৰুষ পশিলা।
চেতন লভিয়া তেবে বিৰাট বসিলা॥
অভিমানী জীৱ তাৰ বৈৰাজ হোৱয়।
তান অন্তৰ্যামী নাৰায়ণ নিৰাময়॥ ২১॥
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।
যাৰ অংশে ৰজো গুণে ব্ৰহ্মা উতপন॥
সত্ব গুণে বিষ্ণু ভৈল থাপি জগতক।
তম গুণে ৰুদ্ৰৰূপে ভৈলা সংহাৰক॥ ২২॥
হুয়া শক্তি সূক্ষ্ম এহি গুণ অৱতাৰ।
অংশ অৱতাৰ আৰে কহোঁ আসম্বাৰ॥
ব্ৰহ্মা অংশ মৰীচি, অঙ্গিৰা, অত্রি, ক্রতু।
দক্ষ, ভৃগু, কৰ্দ্দমাদি সবে সৃষ্টি হেতু॥ ২৩॥
আসম্বাৰ পুত্র পৌত্র যতেক হোৱয়।
মাধৱৰ তেজ যুক্ত জানিবা নিশ্চয়॥
বিষ্ণু অংশে ধৰ্ম্ম যজ্ঞ চতুৰ্দ্দশ মনু।
মনু পুত্র দেৱগণ সবে বিষ্ণু তনু॥ ২৪॥
ৰুদ্ৰ অংশে তমো গুণে ৰুদ্ৰগণ জাত।
সংহাৰক সৰ্প আদি জানো অসংখ্যাত॥
সংক্ষেপে কহিলো গুণময় অৱতাৰ।
লীলা অৱতাৰ আৰে কৰিবো বিস্তাৰ॥ ২৫
যিটো পৰমাত্মা কৃষ্ণ পুৰুষ সংজ্ঞায়।
জগত পালিতে ভৈলা নমো তান পায়॥
নাৰদত কহিলন্ত দায়ালু শঙ্কৰে।
প্ৰথম পটল সাঙ্গ সাত্বত তন্ত্ৰৰে॥ ২৬॥
শঙ্কৰ বদতি শুনা নাৰদ প্ৰস্তুত।
ধৰি হৰি হয়গ্ৰীৱ ৰূপ অদভুত॥
মাৰি দুই দৈত্য মধু, কৈতভ দুৰ্ব্বাৰ।
আপোনাৰ কীৰ্ত্তিবেদ কৰিলা বিস্তাৰ॥ ২৭॥
সনকাদি চাৰি সিদ্ধ হুয়া নাৰায়ণ।
লোকক নিবৃত্তি-পৰ কৰিতে শোভন॥
সিদ্ধমুনি সকলত কহি মহা-যোগ।
আপুনিয়ো আচৰিলা তেজি সবে ভোগ॥ ২৮॥
দেবল নাৰদ আদি মুনি অপৰ্য্যন্ত।
অতি শুদ্ধ পঞ্চ-ৰাত্র যোগ কহিলন্ত॥
যিটো মুখ্য ধৰ্ম্মতন্ত্র কৃষ্ণে কহিছন্ত।
তাক পুনু বিশেষ শিষ্যত কহিলন্ত॥ ২৯॥
ব্ৰহ্মাৰ বচন পালিবাক নাৰায়ণে।
বৰাহ স্বৰূপে ভূমি আনা ৰঙ্গ মনে॥
সেহিবেলা আদি দৈত্য হিৰণ্যাক্ষ নাম।
দশনে চিৰিয়া সাধিলন্ত দেৱ কাম॥ ৩০॥
ভূমিৰ তলত আছা অনন্ত সাক্ষাত।
নাগ গণে দেৱগণে সেৱে চৰণত॥
যাৰ এক ফণাত সমস্তে ভূমি থান।
শ্বেত সৰিষহ যেন প্ৰকাশে শোভন। ৩১॥
তাহান তলত আছা কুৰ্ম্মৰূপ হৰি।
বহল পিঠিত আছা ব্ৰহ্মাণ্ডক ধৰি॥
পিতৃপতি অৰ্য্যমাদি যাক উপাসন্ত।
পদ্ম তন্তু সম যাত অনন্ত শোভন্ত॥ ৩২॥
কৃপাময় অৱতাৰ শুনা মুনিবৰ।
পাঞ্চ বৰিষতে ধ্ৰুৱে তেজি নিজ ঘৰ॥
তথু উপদেশে মধুবনে আৰাধিতে।
সাক্ষাতে কৃপায়ে দেখা দিলা ভগৱন্তে॥ ৩৩॥
আপোনাৰ নিজলোক দিলা ৰঙ্গ মনে।
প্ৰদক্ষিণে স্তুতি যাক কৰে মুনিগণে॥
কৰ্দ্দমৰ তপস্যাত শুক্ল ৰূপ ধৰি।
তাঙ্ক বৰ দিলা কন্যা মনুৰ কুমাৰী॥ ৩৪॥
আনন্দ লোতকে এক তীৰ্থ বিৰচিলা॥
যজ্ঞ অৱতাৰ কহোঁ শুনা তান লীলা॥
ৰুচিৰ সন্তান আহুতিত উপজিলা।
দৈত্য অৰণ্যক যেন মতে নিড়লিলা॥ ৩৫॥
ত্ৰৈলোক্য পালিতে ইন্দ্ৰ আপুনি ভৈলন্ত।
সুযজ্ঞ নামক ধৰি কীৰ্ত্তি থাপিলন্ত॥
কপিল স্বৰূপে দেৱহুতিত জন্মিলা।
নিজ ভক্তি যোগ দেৱহুতিত কহিলা॥ ৩৬॥



সাংখ্য যোগ কহিলন্ত দ্বিজ আনুৰিত।
যাক জানি পাপি সবে হৱে শুদ্ধ চিত॥
দত্তাত্রেয় অৱতাৰে অত্রিৰ তনয়।
যোগেশ্বৰ ঈশ্বৰ পৰম কৃপাময়॥ ৩৭॥
চৌবিশ গুৰুত যত শিখিলন্ত অৰ্থ।
যদু প্ৰহ্লাদত সবে কৈলা পৰমাৰ্থ॥
ধৰ্ম্মৰ ঘৰিণী মূৰ্ত্তি মহা ভাগ্যৱতী।
তান্ত দুই ৰূপে জন্মিলন্ত লক্ষ্মীপতি॥ ৩৮॥
নৰনাৰায়ণ নামে ঋষিতে প্ৰধান।
লোক উপকাৰে তপ কৰা অবিশ্ৰাম॥
ক্ৰোধক জিনিল যিটো কাম কোন কয়।
যাৰ কৰ্ম্ম শুনি ইন্দ্ৰ ভৈলন্ত বিস্ময়॥ ৩৯॥
নাভিৰ তনয় ভৈল ঋষভ নামত।
পুত্ৰগণ সমে ধৰ্ম্ম কৰিলা প্ৰকাত॥
মহাযোগী সকলৰ যতেক আচাৰ।
আপুনিও আচৰিলা নিষ্ঠ দেখাই তাৰ॥ ৪০॥
যি বেলা ব্ৰহ্মাত পুচিলন্ত দেৱগণে।
চিত্ত বিষয়ৰ এৰাএৰি হৈব কেনে॥
ব্ৰহ্মা আগে ভৈলা তেবে হংস অৱতাৰ।
কটাক্ষতে ছেদিলা সংশয় তাসম্বাৰ॥ ৪১॥
মৃতক বেনৰ বাহু মথি দেৱগণ।
পৃথু অৰ্চ্চি জন্ম ভৈল লক্ষ্মীনাৰায়ণ॥
লোক ক্ষুধা দুহিলা তেসমে বসুন্ধৰী।
ভাৰ্য্যা সমে গৈলা পাচে বৈকুণ্ঠ নগৰী॥ ৪২॥
দক্ষৰ যজ্ঞত ভৃগু আদি মুনিগণ।
আৰাধন্তে অৱতাৰ ভৈলা নাৰায়ণ॥
আঠ বাহু দেখি স্তুতি কৰিলেক গণে।
যজ্ঞ প্ৰবৰ্ত্তাই চলি গৈলা ৰঙ্গ মনে॥ ৪৩॥
প্ৰিয়ব্ৰত কুলে ভৈলা গয় অৱতাৰ।
ৰাজ্য প্ৰতিপালি ধৰ্ম্ম কৰিলা বিস্তাৰ॥
তাহান যজ্ঞক ইন্দ্ৰে অসূয়া কৰিলা।
সামান্য ইন্দ্ৰৰ স্পৰ্দ্ধা মদক দেখাইল॥ ৪৪॥
কামদেৱ অৱতাৰে লক্ষ্মী সমে হৰি।
কেতু মালা বৰিষে আছন্ত মূৰ্ত্তি ধৰি॥
সম্বৰৰ পুত্ৰ দিনে ৰাতি কৰে সেৱ।
লক্ষ্মীক ৰমায়া কৈতেতে আছা কামদেৱ॥ ৪৫॥
প্ৰাচীন বৰ্হিৰ পুত্ৰ দশ প্ৰচেতাৰ।
তপস্যাত ব্যক্ত ভৈলা শাস্ত্ৰ অৱতাৰ॥
নিজ পদ সেৱা তাসম্বাক গৃহে দিলা।
ৰাখি কন্যা আনি দিয়া অন্তৰ্দ্ধান ভৈলা॥ ৪৬॥
ভূষিতাৰ গৰ্ভে বেদশিৰা ব্ৰাহ্মণত।
বিভু অৱতাৰ স্বাৰো-চিষৰ কালত॥
যাৰ ব্ৰহ্মচৰ্য্যব্ৰত শিখি মুনিগণে।
আনকো শিখাইলা তাৰা আতি ৰঙ্গমনে॥ ৪৭॥
তৃতীয় মনুৰ কালে ধৰ্ম্মৰ ভাৰ্য্যাত।
সুনৃতাৰ গৰ্ভে সত্যসেন ভৈলা জাত॥
দুষ্ট যক্ষ ৰাক্ষসক বধিয়া ৰণত।
ইন্দ্ৰৰ সহায় হুয়া পালিলা জগত॥ ৪৮॥
চতুৰ্থ মনুত হৰি অৱতাৰ হুয়া।
গজেন্দ্ৰৰ স্তুতি শুনি সৰোবৰে গৈয়া॥
গ্ৰাহৰ মুখৰ পৰা তাঙ্ক উদ্ধাৰিলা।
সংসাৰ জলৰ তাৰি বৈকুণ্ঠক নিলা॥ ৪৯
পঞ্চম মনুৰ কালে বৈকুণ্ঠ সাক্ষাত।
শুভ্ৰৰ ভাৰ্য্যাত লক্ষ্মীসমে ভৈলা জাত॥
লক্ষ্মী প্ৰাথিবাৰ অৰ্থে বৈকুণ্ঠ দেখাইলা।
কীৰ্ত্তি প্ৰকাশিলা সৰ্ব্ব জগত পালিলা॥ ৫০॥
ষষ্ঠ মন্বন্তৰে বিৰাটৰ গৰ্ভে আসি।
ভৈলন্ত অজিত মহাকীৰ্ত্তিক প্ৰকাশি॥
দুৰ্ব্বাসাৰ শাপে ক্ষীণ দেখি দেৱতাক।
অমৃত মথিয়া ৰক্ষা কৰিলা তাৰাক॥ ৫১॥
দেৱাসুৰে ক্ষীৰ সাগৰক মথিবন্তে।
মন্দৰ পৰ্ব্বত তল গৈল হন্ত হন্তে॥
দেখি কৃপাময় কুৰ্ম্ম ৰূপক ধৰিলা।
পিঠিত পৰ্ব্বত গাৱে কণ্ডুতি মানিলা॥ ৫২॥
ধন্বন্তৰি অৱতাৰে অমৃত আনিলা।
আয়ুৰ্ব্বেদ প্ৰবৰ্ত্তায়া যজ্ঞভাগ দিলা॥
মোহিনী স্বৰূপে অসুৰক মোহ কৰি।
দেৱতাক অমৃত পিয়াইলা কৃপা কৰি॥ ৫৩॥

সত্যব্ৰত ৰাজা জলে তৰ্পণ কৰন্তে।
মৎস্যৰূপে তান্ক দেখা দিলা ভগৱন্তে॥
প্ৰলয় জলত পৃথ্বী নৌকাত আছন্তে।
ৰাজাত দ্বিজত যোগ কৈলা ভগৱন্তে॥ ৫৪॥
শুনা সৰ্ব্বজন সভাসদে এক মতি।
দেখা ঘোৰ কলি কৰিলেক বিসঙ্গতি॥
কৃষ্ণ নাম বিনে আত নাহিকে তৰণ।
জানি ঝাণ্টে লৈয়ো সবে কৃষ্ণত শৰণ॥ ৫৫॥
চিত্ত বিত দ্ৰব্য আদি অশুদ্ধ সকলে।
আন অৰ্থে মহাযত্ন নকৰা বিফলে॥
যিমান শকতি ভকতিত দিয়া মন।
আপুনি সদায় তেবে হৈব নাৰায়ণ॥ ৫৬॥
হৰি তুষ্ট ভৈলে কিবা অধিক লাগয়।
যাৰ প্ৰসাদক ব্ৰহ্মা শঙ্কৰো মাগয়॥
কৃষ্ণৰ চৰণে ভজা তেজি আন কাম।
ভাগৱত মিশ্ৰে কহে বোলা ৰাম ৰাম॥ ৫৭॥

---

## দুলৰি।

শঙ্কৰ বদতি শুনিয়ো নাৰদ
 নৃসিংহ ৰূপৰ কথা।
ভক্ত প্ৰহ্লাদক ৰাখিবাক লাগি
 আবিৰ্ভাৱ ভৈলা যথা॥
দৈত্যেন্দ্ৰ ৰহিয়া যেন বজ্ৰসৰ
 সিয়ো ভৈল ক্ষুদ্ৰ প্ৰাই।
নখ লাঙলৰ অগ্ৰভাগে তাক
 বিদাৰিলা সমুদাই॥ ৫৮॥
বামন স্বৰূপে বলিৰ ত্ৰৈলোক্য
 মাগি তিনি পদ ছলে।
বলিক নিগ্ৰহি কীৰ্ত্তিক বঢ়াই
 ইন্দ্ৰক দিলা সকলে॥
ভক্তৰ অধীন হোৱে যিটো বাক্য
 তাক সত্য কৰিলন্ত।
গদাধৰ অৱ তাবে দৈত্যেন্দ্ৰৰ
 দ্বাৰী হয়া ৰহিলন্ত॥ ৫৯॥
ভাৰ্গৱ কুলত নামে পৰশুৰাম
 অৱতৰি ক্ষত্ৰিয়ক।
পিতৃবৈৰী বুলি কুঠাৰক তুলি
 বধিলা দুষ্ট গণক॥
সকল পৃথিবী ব্ৰাহ্মণক দিয়া
 আছা গিৰি মহীন্দ্ৰত।
অস্ত্ৰ শস্ত্ৰ এৰি তেজি মায়া বেৰি
 প্ৰবৰ্ত্তি আছা নামত॥ ৬০॥
দেৱতা গণৰ প্ৰাৰ্থিবাৰ পদে
 সূৰ্য্যকুল সমুদ্ৰত।
শ্ৰীৰামচন্দ্ৰ ভৈলন্ত বেকত
 দশৰথ ভৱনত॥
বিশ্বামিত্ৰে নিয়া ৰাক্ষস মৰায়া
 মিথিলাক লাগি নিয়া।
তৈতে মহেশৰ ধনু অজগৰ
 লীলায়ে ৰামে ভাঙ্গিলে॥ ৬১॥
জিনিয়া সীতাক পথে ভাৰ্গৱক
 জিনি অযোধ্যাক পাইলা।
আনন্দে আছন্তে পিতৃৰ বচনে
 ভাৰ্য্যা সমে বনে গৈলা।
গঙ্গাক তৰিয়া আছা চিত্ৰকূটে
 তহিতে ভৰত গৈলা।
তাহাক পঠায়া পৰ্ব্বত চৰিয়া
 বিৰাধ বনে বধিলা॥ ৬২॥



মাৰীচ আসিলা হৰিণ স্বৰূপে
 তাক বধিবাক গৈলা।
সেহি বেলা সীতা ৰাৱণে হৰিলা
 আসি শোকাকুল ভৈলা॥
নাৰী পৰায়ণ জনক হাসিয়া
 হেনয় ভাব দেখাইলা।
সীতা হেন মানি বৃক্ষক সাবটি
 কামে তাত পৰি ৰৈলা॥ ৬৩॥
চন্দ্ৰৰ কিৰণ যেন সূৰ্য্যতাপ
 মলয়া খৰ পৱন।
মালতীৰ মালা অগনিৰ শিখা
 মানিলা ৰঘুনন্দন॥
বালীক বধিয়া সেতুক বান্ধিয়া
 কপি সমে লঙ্কা গৈলা।
সপুত্ৰ বান্ধৱে মাৰি ৰাৱণক
 সীতাক পুনু লভিলা॥ ৬৪॥
অগ্নিত পৰীক্ষা কৰিয়া সীতাক
 পুনু অযোধ্যাক আসি।
সূৰ্য্যাদিৰ শক্তি ধৰি তাৰ ধৰ্ম্ম
 পালিলা যশ প্ৰকাশি॥
তাহান কনিষ্ঠ ভৰত ৰামৰ
 আজ্ঞায়ে ঘৰত থাকি।
ৰাদক আৰাধি পাচে গন্ধৰ্ব্বক
 মাৰিলা অস্ত্ৰৰ ঝাকি॥ ৬৫॥
লক্ষ্মণে বনত সীতা ৰাঘৱক
 মহাকষ্টে সেবিলন্ত।
ৰাজ্যতো তাহান বচনে বনক
 যায়া দেহ এৰিলন্ত॥
শত্ৰুঘ্ন ভৰত তাৰা সজ্জনৰ
 দায়ালু দুষ্টৰ যম।
লৱণক মাৰি ৰাঘৱক সেবি
 কীৰ্ত্তি থৈলা নিৰুপম॥ ৬৬॥
মাৰ্কণ্ডেয় মুনি মায়া প্ৰলয়ত
 ফুৰন্তে আকুল হয়া।
তাহাক পেটৰ ভিতৰে জগত
 দেখাইবাক লাগি নিয়া॥
বট পত্ৰ পুতে বালক মুকুন্দে
 আছন্ত শয়ন কৰি।
চৰণ অঙ্গুষ্ঠ চোসন্তে মুনিক
 জগত দেখাইলা হৰি॥ ৬৭॥
বৃত্ৰৰ ভয়ত দেৱতা সবক
 দিবে লাগি উপদেশ।
গৰুড়ক চৰি আৰ্য্য অৱতাৰে
 উপায় দিলা অশেষ॥
অঙ্গুষ্ঠৰ পৰ্ব্ব সম বাল্যখিল
 ঋষি গণ গোথোজত।
তল যান্ত হৰি অৱতাৰে
 ৰাখিলন্ত ভাল মত॥ ৬৮॥
দুষ্মন্তৰ বীৰ্য্যে শকুন্তলা গৰ্ভে
 ভৰত নামত ভৈলা।
অশ্বমেধ বহু যজ্ঞ দান কৰি
 দুৰ্লভ কীৰ্ত্তি থাপিলা॥
কলি যুগে লোক বুদ্ধি হীন দেখি
 কৃপায়ে জগ নিবাস।
ব্যাস অৱতাৰে সংহিতা সহিতে
 কৰিলা বেদ প্ৰকাশ॥ ৬৯॥
বৃষ্ণি কুলে বলো ভদ্ৰ অৱতাৰে
 হৈয়া আতি বল শালী।
দৈত্য সংহৰিয়া কৌৰৱৰ পুৰী
 লাঙ্গুলে টানিয়া ফালি॥
ভূমিক জলক ভকতক বিপ্ৰক
 সবাকো সুখ দিবাক।
যশ বিস্তাৰিতে সৰ্ব্ব শক্তি পূৰ্ণ
 শ্ৰীকৃষ্ণ ভৈলা জাত॥ ৭০॥
জাত হয়া নিজ ৰূপে বাসুদেৱ
 গৃহে গকুলক গৈলা।
শিশু লীলা কৰি তৈতে গোপ গোপী
 সবাকো আনন্দ দিলা॥

কংসে পাঠিলেক পূতনা প্ৰমুখ্যে
দৈত্য কুল সংহাৰিবা।
ব্ৰজ ৰাখিবাক গোবৰ্দ্ধন ধৰি
ইন্দ্ৰৰ দৰ্প নাশিবা॥ ৭১॥
সি বেলাত ব্ৰহ্মা বৎস, বৎস পাল
চুৰি কৰি নিয়া থৈবা।
সি বেলা বলোৰ বুদ্ধি ভ্ৰংশ দেখি
তাস্ত উপদেশ কৈবা॥
পাছে গোপ শিশু, বৎস শিঙ্গা বেণু
সবে চতুৰ্ভুজ দেখি।
মোহে পৰিছন্ত বিধাতাক কৃষ্ণে
তাৰিবা স্নেহে নিৰেখি॥ ॥৭২
শৰত ৰাত্ৰিত বৃন্দাবনে বেণু
বায়া আনি গোপী গণ
ৰাস ক্ৰীড়া কৰি বিস্ময় কৰাইবা
চন্দ্ৰ আদি দেৱ গণ॥
অক্ৰূৰে নিবন্ত ৰাম সমে মথু
ৰাত ধনু ভাঙ্গিবন্ত।
ধোবা কুৱলয় মল্ল কংশ আদি
মাৰি ৰঙ্গ কৰিবন্ত॥ ৭৩॥
গুৰুক মৃতক পুত্ৰ দান দিয়া
জৰাসন্ধ সেনা মাৰি।
যৱন মৰায়া ৰুক্মিণী প্ৰমুখ্যে
বিহাইবা বহু সুন্দৰী॥
তাসম্বাত দশ পুত্ৰ ওপজাইবা
আৰু নৰকক মাৰি।
কুণ্ডল দিবাক স্বৰ্গপুৰ যাইবা
পাৰিজাত নিবা হৰি॥ ৭৪॥
বাণৰ যুদ্ধত মোৰ বীৰ্য্য নাশ
কৰিয়া মহত পাইবা।
জিনি ৰাজাগণ যুধিষ্ঠিৰ মন
পুৰিয়া যজ্ঞ কৰাইবা॥
লোকক দেখাইবা ব্ৰাহ্মণৰ পূজা
আপোনাৰ কৃপা গুণ।
ব্ৰহ্মাস্ত্ৰ দগধ পৰীক্ষিত ৰাখি
কীৰ্ত্তি থৈবা নাৰায়ণ॥ ৭৫॥
কাম স্নেহ ভয় দ্বেষ সম্বন্ধত
স্বৰূপ পাইব যাহাৰ।
সাক্ষাততে শুদ্ধ ভক্তি কৰি পাইবা
কি কহিবোঁ মই আৰ॥
যাৰ পাদ পদ্ম পৰায়ণ আগে
মুক্তি সুখো নোশোভয়।
আন সুখ সব শোভা নকৰিব
কিসক কৈতে লাগয়॥ ৭৬॥
গঙ্গা আদি যত তীৰ্থ হোম ব্ৰত
সকল ধৰ্ম্মত কৰি।
নিজ যশ চয় বিস্তাৰিয়া থৈয়া
পৃথিবীত অৱতাৰ॥
অতি উচ্ছৃঙ্খল নিজ যদুকুল
বিপ্ৰশাপ ছলে হৰি।
প্ৰভাস তীৰ্থত মৰাই সশৰীৰে
চলিবা বৈকুণ্ঠ পুৰী॥ ৭৭॥
শুনা সৰ্ব্বজন কেদিন জীৱন
আকমনে শুণি চোৰা।
মনৰ বিলাস বিষয় আগ্ৰহ
এৰি হৰি গুণ গোৰা॥
ব্ৰহ্ম লোক হন্তে স্থাবৰ পৰ্য্যন্তে
ফুৰন্তে যিটো নাপাই
তাহাক লাগিয়া যত্ন কৰিয়োক
শাস্ত্ৰৰ হেনসে ন্যায়॥ ৭৮॥
ইন্দ্ৰিয়ৰ সুখ নাই কি যুনিত
কালে মিলাইবেক আনি।
যেন দুখ সবে প্ৰাৰ্থনা বিনাই
আপুনি মিলয় জানি॥
এতেকে জানিয়া সন্তক মানিয়া
মুখত নেৰিবা নাম।
কৃষ্ণ পদ দাস ভাগৱত মিশ্ৰে
কহে বোলা ৰাম ৰাম॥ ৭৯॥

পদ

শঙ্কৰ বদতি শুনা নাৰদ স্বৰূপ।
প্ৰদ্যুম্ন যে অৱতাৰ কৃষ্ণ অনুৰূপ॥
পৰম লাৱণ্যৰূপে লোক ৰঞ্জিৱন্ত।
সাম্বক মাৰি অনো কৰ্ম্ম কৰিৱন্ত॥ ৮০॥
অনিৰুদ্ধ অৱতাৰে নাম প্ৰবৰ্ত্তক।
যাৰ উষা হৰণে বাণৰে দৰ্পা হত॥
ব্যাসৰ তনয় ভৈলা শুক অৱতাৰ।
মুনিসকলত যিটো কৈলা বেদসাঃ॥ ৮১॥
বোধ অৱতাৰ হবা কলিৰ যুগত।
জিনৰ তনয় হৈবা গয়া প্ৰদেশত॥
অলক্ষিত ভাৱে পাশণ্ডক মোহ কৰি।
পাশণ্ড শাস্ত্ৰক প্ৰবৰ্ত্তাইবা দেৱহৰি॥ ৮২
যেবে বেদ নষ্ট হৈব পাশণ্ডে ব্যাপিব।
কল্কি অৱতাৰে সবে পাষণ্ড কাটিব॥
অষ্টম মনুত সৰস্বতীৰ তনয়।
সাৰ্ব্ব ভৌম অৱতাৰ বলিন্দ্ৰ সহায়॥ ৮৩॥
আপস্কৰ অৱতাৰ নৱম মনুত।
ত্ৰৈলোক্য পালিবা শ্ৰুত ইন্দ্ৰ সমন্বিত॥
দশমত বিসূচী তনয় বিশ্বসেন।
শম্ভু ইন্দ্ৰ সহাৱে মাৰিবা দৈত্যগণ॥ ৮৪॥
একাদশে ধৰ্ম্মসেতু আৰ্য্যক তনয়। .
বৈধৃতিক দিবা তিনিলোক মহাশয়॥
দ্বাদশত সত্য মহা সুনতাৰ সুত
নামত সুধামা ধৰ্ম্ম পালিবা বহুত॥ ৮৫॥
ত্ৰয়োদশে দেৱহোত্ৰ তনয় মুৰাৰি।
যোগেশ্বৰ অৱতাৰ ইন্দ্ৰ প্ৰিয়কাৰী॥
চতুৰ্দশে আদি দেৱ বিনতাৰ সুত।
কৰ্ম্মযোগে বিস্তাৰিলা বেদৰ যুগুত॥ ৮৬॥
কহিলোঁ ইসব মই শুদ্ধ অৱতাৰ।
পূৰ্ণকলা অংশ ৰূপে বুজিবা ইহাৰ॥
যিটো লীলা তনু ধৰি পালা চৰাচৰ।
হেন কৃষ্ণ পদে লৈলো শৰণ সত্বৰ॥ ৮৭॥
দ্বিতীয় পটল সাঙ্গ সাত্বত তন্ত্ৰৰ।
একচিত্তে শুনা সবে সভাসদ নৰ॥
নাৰদ বদতি প্ৰভু কৰিলা সাক্ষাত।
পূৰ্ণ কলা অংশ ভেদ বুজিতে ইহাত॥ ৮৮॥
নিৰ্ব্বিকল্প কৃষ্ণ ব্ৰহ্ম পৰমাত্মা এক।
কেনে অংশ কলা ভেদ কহিয়ো প্ৰত্যেক॥
শঙ্কৰ বদতি সাধু পুছিলা নাৰদ।
কৃষ্ণৰ যে অৱতাৰ অংশ কলা ভেদ॥ ৮৯॥
হৰি পৰ জ্ঞানি সবে ভেদ নেদেখন্ত।
বোলে নিৰ্ব্বিকল্প ব্ৰহ্ম নিৰ্ভেদ অনন্ত॥
কিন্তু সাধু সবে জ্ঞান প্ৰভাৱ আদিৰ।
পূৰ্ণ অংশ দেখি মানে ঈশ্বৰ মুৰ্ত্তিৰ॥ ৯০॥
সকলতে সবে যদি মহিমা আছয়।
তথাপি কাৰ্য্যত অল্প বিস্তৰ দেখয়॥
এতেকেসে পূৰ্ণ অংশ কৰিয়া কহয়।
শুনিয়ো নাৰদ আৰে ইহাৰ নিৰ্ণয়॥ ৯১॥
ধৰ্ম্ম জ্ঞান ঐশ্বৰ্য্য বৈৰাগ্য শ্ৰীযশ।
সবে জাত দেখি পূৰ্ণ জানিবা অৱশ্য॥
চতুৰ্থ ভাগকে আৰে অংশ বুলি কয়।
ষোড়শ ভাগক কলা জানিবা নিশ্চয়॥ ৯২
শতেক ভাগকে জানা বিভূতি বোলয়।
আৰে ধৰ্ম্ম জ্ঞানাদিৰ শুনিয়ো নিৰ্ণয়॥
উৎপত্তি, প্ৰলয়, বিদ্যা, অবিদ্যা, অগতি।
গতি সমে আৰে জ্ঞান ষড়বিধ সম্প্ৰতি॥ ৯৩
চাৰি বিধ ধৰ্ম্ম সত্য, শৌচ. মৌন, দায়া।
কহিবো বৈৰাগ্য মুনি শুনা মন দিয়া॥
যতমান ব্যতিৰেক এক ইন্দ্ৰি নাম।
বশীকৃত সমে চাৰিবিধ অনুপাম॥ ৯৪
আঠবিধ ঐশ্বৰ্য্যৰ প্ৰথমে অনিমা।
প্ৰাকাম্য বশিতা ব্যাপ্তি লঘিমা মহিমা॥
কামাৱশায়িতা আৰু ঈশিতা সাক্ষাত।
এহি আঠ ঐশ্বৰ্য্যক কহিলো তোমাত॥ ৯৫॥

শ্ৰী বুলি ভৃত্য পুত্ৰ পৌত্ৰ সুহৃদক।
আমাত্য বান্ধৱ ভাৰ্য্যা বস্ত্ৰ ভূষণক॥
চতুৰঙ্গ গৃহ সেনা অস্ত্ৰ দুৰ্গ স্থান।
ইত্যাদিক শ্ৰী বুলি কৈলোঁ বিগ্নমান॥ ৯৬
যশ পুনো দুই বিধ কৰ্ম্ম গুণময়।
কৰ্ম্ম চাৰি বিধ সৃষ্টি পালন প্ৰলয়॥
লীলা অৱতাৰৰ চৰিত্ৰ সমে চাৰি।
গুণময় অৱতাৰ গণিতে নপাৰি॥ ৯৭॥
তথাপি দ্বিষষ্টি গুণ কহিবো তোমাত।
ব্ৰহ্মণ্য শৰণ্য ভক্ত বৎসল সাক্ষাত॥
দাতা সত্যসন্ধা বিক্ৰম্যতা নিয়ম্যতা।
দুৰ্দ্ধৰ্ষ দুস্তৰ সেব্য ধৈৰ্য্য সহিষ্ণুতা॥ ৯৮॥
অক্ষোভ স্বতন্ত্ৰ নিৰপেক্ষ্য যে সৌহ্বৰ।
শৌৰ্য্য যে ঔদাৰ্য্য স্থৈৰ্য্য আস্তিক আৰ্য্যৱ॥
প্ৰসন্নতা গাম্ভীৰ্য্য প্ৰশ্ৰয় শীল দম।
প্ৰাগল্‌ভ মঙ্গল বিত্ত বল দক্ষ সম॥ ৯৯॥
ক্ষমা দৰ্প সন্তোষ যে অহঙ্কাৰ হীন।
সাম্য মান ভাগাশ্ৰুত সুখ উদাসীন॥
ত্যাগ বল নিৰ্ভয় মাৰ্দ্দৱ ধৃতি স্মৃতি।
কৌশল আশ্ৰয় তেজ দয়া যে উন্নতি॥ ১০০॥
ক্ষমা লজ্জা শ্ৰদ্ধা মৈত্ৰী শান্তি তুষ্টি শুদ্ধি।
সুবাক্য সুবিদ্যা সুৰক্ষিতা আৰু বুদ্ধি॥
এহি সব ভাগ ভেদ কহিলোঁ তোমাত।
সবাৰো প্ৰকাশ যাত সম্পূৰ্ণ সাক্ষাত॥ ১০১॥
অংশৰ প্ৰকাশ যাত সেহি অংশ হয়।
কলাৰ প্ৰকাশ যাত সেহি কলা হয়॥
বিভূতিৰ প্ৰকাশক বিভূতি বোলয়।
এহিমতে ভেদ পুনু স্বতসে নোহয়॥ ১০২॥
যাতো কৃষ্ণে দেখাইলে সকলে ভাগচয়।
সেহিহেতু তাঙ্ক জানা সম্পূৰ্ণ বোলয়॥
হয়গ্ৰীৱ ৰাম মৎস্য কুৰ্ম্ম নৰহৰি॥
ৱৰাহ যজ্ঞাদি আৰু জানা অংশ কৰি॥ ১০৩
শুক আদি আবিৰ্ভাৱ ঋষভ কপিল।
বোধ কল্কি দক্ষ নাৰায়ণ সন্ত শীল॥
জ্ঞান কৰ্ম্ম প্ৰভাৱ বিষ্ণুৰ অংশ হয়।
কলা অৱতাৰ আৰে শুনা মহাশয়॥ ১০৪॥
কুমাৰ নাৰদ ব্যাস সুত আদি যত।
জ্ঞানাংশ যুগুত কলা অৱতাৰ শত॥
গয় পৃথু ভৰতাদি হয়া শক্তি যুত।
কলা অৱতাৰ আনো আছয় বহুত॥ ১০৫।
গুণ অৱতাৰ ব্ৰহ্মা আদি তিনি হয়।
তাসম্বাৰ অংশে বহু বিভূতি আছয়॥
কহিলোঁহোঁ পূৰ্ণ অংশ কলা যেন ভেদ।
অৱতাৰি স্বৰূপৰো লৰা পৰিছেদ॥ ১০৬
নাৰদ বদতি সদাশিৱ কৃপাময়।
অৱতাৰি স্বৰূপৰ কহিয়ো নিৰ্ণয়॥
কিবা ব্ৰহ্ম নিৰাকাৰ অৱতাৰি হয়।
কিবা নাৰায়ণ বিভু প্ৰভু নিৰাময়॥ ১০৭।
বৈকুণ্ঠ লোকৰ পতি প্ৰভু ভগৱন্ত।
কিবা তিনি এক কিবা পৃথক হোৱন্ত॥
শিৱ নিগদতি শুনা ব্ৰহ্মাৰ তনয়।
অৱতাৰি স্বৰূপৰ শুনিয়ো নিৰ্ণয়॥ ১০৮।
একেমাত্ৰ তত্ত্ব অৱতাৰি সনাতন।
কৃষ্ণ ব্ৰহ্ম পুৰুষ নামেসে কৰে ভিন্ন॥
যেন সূৰ্য্য প্ৰকাশ মণ্ডল ভিন্ন নয়।
কৃষ্ণ ব্ৰহ্ম পুৰুষৰো জানা সেহি নয়॥ ১০৯॥
এতেকে সাত্বত তন্ত্ৰে নিষ্ঠা ভক্ত জনে।
বৈকুণ্ঠৰ পতি কৃষ্ণ মানে সদা মনে॥
বেদান্তি সকলে জ্ঞান নিষ্ঠা যাৰা হয়।
জ্ঞান শাস্ত্ৰ অনুসাৰে ব্ৰহ্ম বুলি কয়॥ ১১০।
নাহি পাণি পাদ চক্ষু নাসিকা শ্ৰৱন।
বাক্য মন অগোচৰ সমস্ত কাৰণ॥
কৰ্ম্মনিষ্ঠ হিৰণ্যগৰ্ভীয়ে বোলে হেন।
বেদ শাস্ত্ৰ মতে এক প্ৰভু নাৰায়ণ॥ ১১১॥
সহস্ৰ মস্তক আত্মা অনন্ত শকতি।
সংহাৰ, তাৰণ স্ৰষ্টাদিৰ অধিপতি॥
এতেকে যে কৃষ্ণ ব্ৰহ্ম পুৰুষ নিৰ্ণয়।
বাস্তৱত ভেদ তাৰা সবো নকহয়॥ ১১২



যেন দুগ্ধ নানা মতে লয়ে ইন্দ্ৰিগণে।
নানা শাস্ত্ৰ মতে কৃষ্ণ প্ৰকাশে তেমনে॥
সৰ্ব্বমতে কৃষ্ণ হোন্ত পুৰুষ উত্তম।
লীলা ৰূপে নৰ ভৈলা দুৰ্জ্জনৰ যম॥ ১১৩॥
দৈৱকী পুত্ৰেসে সেব্য সমস্তে জনৰ।
জগত তাৰিতে ভৈলা নৰ কলেৱৰ॥
এতেকেসে তাঙ্ক ভক্তি ভেদ নাচৰয়।
মোক্ষৰ ঈশ্বৰ জানি নিষ্কামে ভজয়॥ ১১৪॥
কহিলো তোমাত ইটো কথা মুনিবৰ।
আৰ কিবা কহিবোহোঁ পুছিও সত্বৰ॥
এক মনে শুনিয়োক সভাসদ নৰ।
তৃতীয় পটল সাঙ্গ সাত্বত তন্ত্ৰৰ॥ ১১৫॥

—•:•—

## সন্তমালা।

### ৺বৈকুণ্ঠ দ্বিজ বিৰচিত।

[ পঞ্চম বছৰৰ ৫ম-৬ষ্ঠ সংখ্যাত প্ৰকাশ হোৱাৰ পাচৰ পৰা ]

পৃথিবীতে হোৱে দেহ পৃথিবীতে লয়।
পৃথিবীয়ো জানা পৰমাণুত হোৱয়॥
পৰমাণু যিটো তাকো মনেসে কল্পয়।
মায়া অবিদ্যা মাত্ৰ প্ৰকাশ কৰয়॥ ১৩৫
অবিদ্যা ৰচিত ইটো চৈধ্যয় ভুবন।
বহুগণ আগে জড় ভৰত বচন॥
দেহতেসে হোৱে জানা দেহ উতপন।
জীৱৰ নাহিকে জানা জনম মৰণ॥ ১৩৬
তৈল মলা সলা বাত্থ যাৱত সংযোগ।
তাৱে দীপ সম দেহ দুঃখ কৰে ভোগ॥
মাত্ৰ-মানী দেহে সিহা তৈল কৰ্ম্মফলে।
জীৱ ভৈলা অগ্নিদীপ সংসাৰেই বোলে॥ ১৩৭
দ্বাদশ স্কন্ধত শুকে ৰাজাৰ আগত।
এহিমানে কহিলন্ত শাস্ত্ৰ সাৰ তত্ত্ব॥
দেহৰেসে হোৱে স্ত্ৰী পুৰুষ সম্বন্ধ।
জীৱৰ নাহিকে স্ত্ৰী পুৰুষ নিবন্ধ॥ ১৩৮
এহিমতে বেদে সমস্তকে নিবাৰয়।
একে ব্ৰহ্ম মাত্ৰ সত্য স্বৰূপ কহয়॥
প্ৰলয় অন্ত আৰে সৃষ্টিৰ আদিত।
যিটো ৰহে সেহি ব্ৰহ্ম জানিবা নিশ্চিত॥ ১৩৯
কিন্তু এহি ভাবে জীৱে স্বৰূপ লভয়।
ভজন আনন্দ সুখ আতে নিমিলয়॥
যদি ভজনক ইচ্ছা কৰে সাধু নৰে।
তেবে অৰ্থ বিচাৰিবে উপনিষদৰে॥ ১৪০
যেন ৰশ্মি দ্বাৰে দ্বাৰে সূৰ্য্য হোৱে দৰিশন।
স্বৰূপৰ দ্বাৰে ৰূপ দেখয় তেমন॥
শ্যাম তনু পীত বস্ত্ৰ কীৰিটি কুণ্ডল।
দীৰ্ঘ বাহু নেত্ৰ গ্ৰীৱ চৰণ যুগল॥ ১৪১
ধ্বজ বজ্ৰ আদি চিহ্ন সব প্ৰকাশয়।
ই মত ৰূপক উপনিষদে কহয়॥
সেহি ৰূপ সেৱনক ভজন বোলয়।
জানিবা ইহাতো ভক্তি সুখ নলভয়॥ ১৪২
ভকতি সুখক যিটো জনে কৰে সাৰ।
তেবে বেদ শিৰোৰত্ন কৰিব বিচাৰ॥
শিৰোৰত্নে বোলে মুক্তি বিচাৰে কিসক।
সদায়ে কীৰ্ত্তন মাত্ৰ কৰোক নামক॥ ১৪৩
নাম ভৈলে বশ কৃষ্ণ মূৰ্ত্তি ধেনু প্ৰায়,
নাম গ্ৰাহী ভক্তৰ লাগ নেৰন্ত সদায়॥
প্ৰীতিযুক্ত হয়া নাম যিজনে লয়য়।
তাহাৰ ভকতি সুখ হইবে অভ্যুদয়॥ ১৪৪

সুপূজিব দেব দেৱী গৃহো নপশিব।
মূৰ্ত্তিকো নচাইব প্ৰসাদকো নুভূঞ্জিব॥
এহি বেদ শিৰোৰত্ন বচন আছয়।
আত কোন খানি আৰো আজ্ঞা ভঙ্গ হয়॥ ১৪৫
মাধৱে বোলন্ত দেৱী চৈতন্য নিশ্চয়।
মাৰ্কণ্ডেয় পুৰাণত কহিয়া আছয়॥
শঙ্কৰে বোলন্ত ভাল কৰিলা আশয়।
বায়ু পুৰাণত তাৰ ফল কহিছয়॥ ১৪৬
দেৱীক চৈতন্য বুলি যিটো উপাসয়।
তাহাৰ পাষণ্ড বুদ্ধি বুলিয়া কহয়॥
অযুত বছৰ সিটো স্বৰ্গত থাকয়।
মাকণ্ডী পুৰাণে তাক মোক্ষ বুলি কয়॥ ১৪৭
তৃণক আশ্ৰয়ে বহ্নি কাষ্ঠ ভস্ম কৰে।
তৃণে নেকি কাষ্ঠ ভস্ম কৰিবাক পাৰে॥
ঈশ্বৰ আজ্ঞায়ে দেৱী জগত স্ৰজয়।
আজ্ঞা বিনে দেৱী জড় জানিবা নিশ্চয়॥ ১৪৮
যেন বৃক্ষ লতা পৃথিবীতে উপজয়।
পুনৰ্বাৰ পৃথিবীতে সবে লয় হয়॥
জল বুদ বুদ যেন জলে মিলিছয়।
ব্ৰহ্মাণ্ডতে হোৱে ব্ৰহ্মে সবে লয় যায়॥ ১৪৯
এতেকে যিজনে হোৱে পৰম উদাৰ।
তাৰাসবে নকৰে ভকতি ব্যভিচাৰ॥
ব্যৱসায়াত্মিকা বুদ্ধি যাহাৰ হোৱয়।
তাৰা কিছু কৰ্ম্ম কৰিবাক নলাগয়॥ ১৫০
হৰি ভক্তি কৰি মই তৰিবো নিশ্চয়।
ব্যৱসায়াত্মিকা বুদ্ধি ইহাকে কহয়॥
তিনি গুণ বিষয় যতেক বেদ চয়।
তাক এৰি গুণ বাঝ হোৱা ধনঞ্জয়॥ ১৫১
গীতাৰো শকতি এই একান্ত শৰণ।
আৰো চতুৰ্থত শুনা মহেশ বচন॥
দশ প্ৰচেতাৰ আগে কৰি আছা হৰ।
শত জন্ম স্বধৰ্ম্ম আচৰে যিটো নৰ॥ ১৫২
সেহি পুণ্যে গৈয়া ব্ৰহ্মলোকক পাৱয়।
ততোধিক পুণ্য ভৈলে মোহোক পাৱয়॥

বিষ্ণুক ভজিয়া গতি পাৱে একে জন্মে।
যেন দেৱতাৰ গতি হোৱে লিঙ্গ ভঙ্গে॥ ১৫৩
কুৰ্ম্ম পুৰাণত কহে সুপূজিয়া হৰি।
যিটো অন্ন ভূঞ্জে কুকুৰৰ বিষ্ঠাসৰি॥
যিটো জল ভূঞ্জে সিয়ো সুৰা সমসৰ।
এতেকে কৃষ্ণেসে মাত্ৰ ভজনী ঈশ্বৰ॥ ১৫৪
কৃষ্ণৰ পূজাৰে সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহোঁ নলৱয়॥
যেন বৃক্ষ মুলে জল যিজন সিঞ্চয়।
স্কন্ধ ভুজ শাখা দাল সবে তৃপ্তি হয়॥ ১৫৫
গুৰিত নিদিয়া যদি সিঞ্চিয়া পাতে ডালে।
কদাচিতো তৃপিতি নুহিকা একো কালে॥
আৰো যেন প্ৰাণৰ আহাৰে ইন্দ্ৰিয়ৰ।
হোৱয় তৃপিতি বল বাঢ়ে শৰীৰৰ॥ ১৫৬
মুখত নিদিয়া যদি দিয়ে নাকে কাণে।
তাক কদাচিতো নাপাৱয় ইন্দ্ৰিগণে॥
সেহি মতে পূজে যিটো কৃষ্ণৰ চৰণে।
সমস্তে দেৱকে পূজিলেক সিটো জনে॥ ১৫৭
সেহিসে বাপেৰ বেটা ভজিলে হৰিক।
দেখয় বিষয় সুখ বিষ্ঠাৰ সদৃশ।
কাক শৃগালৰ ভক্ষ্য দেহা আপোনাৰ।
তাহাতো বিশ্বাস আৰ নাহিকয় তাৰ॥ ১৫৮
কৃষ্ণত শৰণ নলৈ যিটো মূঢ় জন।
কৃষ্ণৰ চৰণ যদি নকৰে পূজন॥
তাৰ বস্তু কদাচিতো নলন্ত কেৱলে।
যেন শিমলুৰ ফুল পৰি থাকে তলে॥ ১৫৯
ভকতকো যদি দুগ্ধ কলা দেই আনি।
নখায়য় তাক তাৰ নপৰসে পানি॥
কৃষ্ণত শৰণ পশি তুলসীৰ পাতে।
দিয়া পূজে তাতে তুষ্ট হোন্ত জগন্নাথে॥ ১৬০
মাধৱে বোলন্ত শৰণক লৈবে লাগে।
কেনে বা শৰণ কহিয়োক মহাভাগে॥
শঙ্কৰে বোলন্ত তুমি লঙ্ঘন কৰিবা।
বস্ত্ৰ প্ৰক্ষালিবা আৰো পাগকো পেলাইবা॥ ১৬১



স্নান কৰি ঈশ্বৰৰ নৈবেদ্য আনিবা।
তেবে কৃষ্ণ চৰণত শৰণক লৈবা॥
মাধৱে বোলন্ত তযু অনুমতি পাওঁ।
পৰশুই দিনা আসি শৰণক লওঁ॥ ১৬২
শঙ্কৰে বোলন্ত ভাল চলি যায়ো ঘৰ।
শুনি আনন্দিত মন ভৈলা মাধৱৰ॥
নমস্কাৰ কৰি পাছে গৃহক আসিলা।
সকল বৃত্তান্ত মাতৃ আগে গৈয়া কৈলা॥ ১৬৩
শুনি মাৱে বোলে বাপু হুয়োক ভকত।
শঙ্কৰৰ শীল শিক্ষা ধৰিয়ো মনত॥
এহি বুলি মাৰো উপবাসক কৰিয়া।
ৰামদাস সমে পুনু গৈলন্ত চলিয়া॥ ১৬৪
ঈশ্বৰক লাগি বহু সম্ভাৰ লৈলন্ত।
ভক্ত সমন্বিতে শঙ্কৰক নমিলন্ত॥
দেখিয়া শঙ্কৰে গীতা পুঠি অনাইলন্ত।
ৰামৰাম গুৰু বিধিৱতে পূজিলন্ত॥ ১৬৫
নৈবেদ্য সবাকো উৎসৰ্গিলা ঈশ্বৰত।
মাতৃ সমে মাধৱেয়ো কৈলা দণ্ডৱত॥
সমস্তে ভকত আছে নিজম পড়িয়া।
শঙ্কৰে কহিলা পাছে শৰণৰ ক্ৰিয়া॥ ১৬৬
গুৰুদেৱ নাম ভক্ত চাৰিটা শৰণ।
শুনিলা মাধৱে হুয়া সাৱধান মন॥
সত্য সত্য সত্য শুনা সাৱধান মনে।
প্ৰথমে শৰণ কৈলা নামৰ চৰণে॥ ১৬৭
তাত পাছে দেৱতাত পাছে ধৰ্ম্ম কৈলা।
তাত পাছে একান্ত ভক্তক দৰশাইলা॥
এহি ক্ৰমে তাহান মাতৃয়ো ভক্ত ভৈলা।
দণ্ডৱতে পড়ি পুনু মাধৱে বুলিলা॥ ১৬৮
তুমিসি ঈশ্বৰ গুৰু ৰূপে আসি ভৈলা।
জীৱৰ তৰণ হেতু ভক্তি প্ৰকাশিলা॥
প্ৰকাশিলা নাম ধৰ্ম্ম শৰণ ভজন।
এতেকে তোমাৰ পাৱে পশিলো শৰণ॥ ১৬৯
নাৰদ প্ৰহ্লাদ আদি ভক্ত আছে যত।
লৈলোহোঁ শৰণ সবাহাৰে চৰণত॥

শুনিয়া ভকতে হৰিধ্বনি কৰিলন্ত।
জুনাই মাধৱে শঙ্কৰত সুধিলন্ত॥ ১৭০
শুনিয়োক বাপ মোৰ নধৰিয়ো দোষ।
কোন দ্ৰব্যে হোৱে বাৰি বস্তুৰ সন্তোষ॥
শঙ্কৰে বোলন্ত ভাল পুছিলাহা তত্ব।
গুৰুৰ সন্তোষ মিলে বাক্য কৰণত॥ ১৭১
বাহিৰে ভিতৰে ব্ৰহ্ম দেখয় সতত।
তেৱেতো সন্তোষ মিলে হৰিৰ মনত॥
সদায় নামক যিটো কীৰ্ত্তন কৰন্ত।
তাহাৰ সমন্ধি নাম সন্তোষ হোৱন্ত॥ ১৭২
বিষয় কথাত যিটো ৰতি নকৰয়।
হৰিৰ কথাক মাত্ৰ দেখয় শুনয়॥
তেবে ভকতৰ হোৱে সন্তোষ মনত।
কহিলো তোমাত সৰ্ব্ব শাস্ত্ৰৰ সন্মত॥ ১৭৩
মাধৱত কহে জুনাই শঙ্কৰ তেখন।
কৃষ্ণত নিশ্চয় ভৈলে বুলিয় শৰণ॥
ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত যত দেৱ গণ॥
কিন্তু এহি তিনিবিধ শুনা দিয়া মন॥ ১৭৪
পাপ বিনে পুণ্য যত বিশ্বাস কৰয়।
কৃষ্ণত ঘটাইলে তাক প্ৰাকৃত বোলয়॥
কৃষ্ণ বিনে দেহতো নকৰে আশকতি।
উত্তম শৰণ আক জানা মহামতি॥ ১৭৫
এহু শৰণীয়া ভক্ত যথাতে থাকয়।
কীট পতঙ্গকো তথা পবিত্ৰ কৰয়॥
এহু ভকতৰ সঙ্গ যিজনে লৱয়।
তাহাৰ ভকতি বুদ্ধি জানিবা নিশ্চয়॥ ১৭৬
মধ্যমৰ সঙ্গে ভ্ৰষ্ট প্ৰাকৃতত হানী।
মালাৰ কাৰণ আৰে শুনা মহামানী॥
শিব উপাসক মালা লৈবে ৰুদ্ৰাক্ষৰ।
দেৱী উপাসকৰ উচিত স্ফটিকৰ॥ ১৭৭
পদ্ম আদি কৰি শুদ্ধ কাষ্ঠ নিৰন্তৰ।
তাৰ মালা উচিত লৈবেক ভকতৰ॥
মেৰুযুক্ত মালা জপে লোকক দেখাই।
কীৰ্ত্তি আয়ু শ্ৰী ধৰ্ম্ম সবে নষ্ট যাই॥ ১৭৮

ব্ৰহ্ম হত্যা সুৰাপান অগম্যা গমন।
সিজে সবে পাপ যেবে দেখে আনজন॥
ব্ৰহ্ম গ্ৰন্থী মালা শুক্ৰ জনো নেদেখিব।
মেৰুযুক্ত মালা গুপ্ত কৰিয়া জপিব॥ ১৭৯
মেৰু শূন্য মালা আন লোকে দেখে যাই।
নিশ্চয়ে জানিবা তাত কিছু দোষ নাই॥
ৰাম কৃষ্ণ হৰি নাম জপে অতিশয়।
বৎস পদ সম ভৱ সাগৰ তৰয়॥ ১৮০
মেৰুযুক্ত মালা সুহি ভক্তৰ উচিত।
বিষ্ণুপুৰাণত হৰে কহিছা দেৱীত॥
নিত্য নৈমিত্তিক কৰ্ম্ম সমস্তে কৰিব।
বহিৰ্দ্দেশ মাটি জলে শুদ্ধ কৰি লৈব॥ ১৮১
অন্তশুদ্ধি হৈব ৰাগ লোভ মোহ এড়ি।
তেবে মালা জপিবেক জানা নিষ্ঠ কৰি॥
বদতি শঙ্কৰ নিষ্ঠে বিষ্ণু বিষ্ণু ৰাম।
সকলো ভকতে জপিবেক অবিশ্ৰাম॥ ১৮২
মাধৱ বদতি বিষ্ণু দুহিকন্ত ভিন্ন।
ওষ্ঠৰ ফিৰণ হেতু বিষ্ণুও কঠিন॥
কৃষ্ণ মাত্ৰ বুলিবাক লাগয় দুইবাৰ।
কিঞ্চিতো কঠিন ফিৰে নপাকয় আৰ॥ ১৮৩
শুনিয়া শঙ্কৰে বুলিলন্ত এহি হোক।
এহি ভাৱে সমস্তে কীৰ্ত্তন কৰিয়োক॥
এবে ৰামদাসে প্ৰসাদক বিলায়োক।
ব্ৰাহ্মণক দিয়া আগে পাছে দিবা মোক॥ ১৮৪
শুনি ৰামদাসে প্ৰসাদক বিলাইলন্ত।
শঙ্কৰক নমি সবে গৃহক গৈলন্ত॥
মাধৱো গৃহক গৈয়া মনে চিন্তিলন্ত।
দ্ৰব্য সব আনি ঈশ্বৰক পূজিলন্ত॥ ১৮৫
তাৰ অৰ্দ্ধখানি প্ৰসাদক হাতে লোই।
শঙ্কৰ দেৱক সেবা কৰিলন্ত গই॥
বুলিলা শঙ্কৰে দেখি কৰিয়া বিষাদ।
অষ্টমীৰ দিনা কেনে আনিলা প্ৰসাদ॥ ১৮৬
দেৱীৰ অষ্টমী চতুৰ্দ্দশী মহেশৰ।
একাদশী তিথি জানা ঈশ্বৰ কৃষ্ণৰ॥

দশমী তিথিত পূজা বিসৰ্জ্জিব পাই।
অষ্টমীত ডাঙ্গি কেনে কৰিলা অন্যাই॥ ১৮৭
মাধৱে বোলন্ত বাপ ঈশ্বৰ আগত।
শিব দুৰ্গাদিৰ কাৰো নঘটে মহত্ত॥
ৰাজ্জা আগে পাত্ৰৰ মহত্ব সবে ব্যৰ্থ।
কৃষ্ণক পূজিলো তাতে জানি নিজ অৰ্থ॥ ১৮৮
শুনিয়া শঙ্কৰে বোলে পৰীক্ষিয়া চাইলো।
তোমাৰ বচন শুনি আনন্দক পাইলো॥
এক দিনা শুনি তুমি ধৰিলা মনত।
দেৱী পূজা কৰে দেখো আমাৰ ঘৰত॥ ১৮৯
দিয়ো তুমি হাক মিছা কাৰ্য্যে পূজি মৰে।
শুনিয়া মাধৱে প্ৰবেশিলা অভ্যান্তৰে॥
বোলন্ত গোসানী তুমি কি কাম কৰিলা।
অষ্টমীত কি কাৰণে নৈবেদ্য কৰিলা॥ ১৯০
অষ্টমীত যত দ্ৰব্য হৰিক দিৱয়।
সমস্তে দেৱীৰ হোৱে জানিবা নিশ্চয়॥
গোসানী বোলন্ত যদি তাত দোষ হয়
নকৰোহোঁ পূজা তেবে কহিলো নিশ্চয়॥ ১৯১
মাধৱে বোলন্ত আই গুচাইলেসে ভাল।
শুনিয়া গোসানী গুচাইলন্ত তত কাল॥
দেখিয়া মাধৱে অতিশয় তুষ্ট ভৈলা।
পৰম আনন্দে শঙ্কৰৰ আগে কৈলা॥ ১৯২
শুনিয়া শঙ্কৰে বহু প্ৰশংসা কৰিলা।
নমস্কাৰ কৰি বৈনাইৰ গৃহে গৈলা॥
যিবা কিছু দ্ৰব্য তৈতে আছে আপোনাৰ।
তাক লৈয়া একে আসিলন্ত পুনৰ্বাৰ॥ ১৯৩
জানিলা সংসাৰ সবে সপোনৰ সৰি।
থাকিলা আনন্দে শঙ্কৰক সেৱা কৰি॥
খুজিলন্ত কন্যা যিবা তাকো এৰিলন্ত।
খাৰু মণি সব উলটাই আনিলন্ত॥ ১৯৪
ভকতি ধৰ্ম্মত তেন্তে পৰম নিপুন।
মই মন্দমতি কি কহিবো তান গুণ॥
দিনেক মাধৱে বোলে কৰিয়া প্ৰণাম।
পাতিয়ো প্ৰসঙ্গ বাপ গাৱোঁ সবে নাম॥ ১৯৫



বুঢ়ায়ো লড়িব নাম জানি মহাধন।
বিষয়ী কৰিব তিনি বেলাত কীৰ্ত্তন॥
উত্তমে গাইবেক শুনিবেক তিনি বেলা।
মধ্যমেয়ো কীৰ্ত্তন কৰিবে দুই বেলা॥ ১৯৬
প্ৰাকৃত সকলো বসিবেক একবাৰ।
নবসিলে নিষ্ঠে প্ৰত্যবায় সিজে তাৰ॥
তিনিয়ো প্ৰসঙ্গে নবসয় যিটো নৰে।
ভকতৰ মাজে দুঃখী নাহি তাত পৰে॥ ১৯৭
যেন সুখী নৰে তিনি সন্ধ্যা খাই অন্ন।
মধ্যাহ্নতো দুগ্ধ চিৰা কৰয় ভোজন॥
সামান্যেয়ো ভোজন কৰয় দুইবাৰ।
দুঃখীতকো একবাৰ লাগয় আহাৰ॥ ১৯৮
সমুদায় সুভূঞ্জিলে দেহ নৰহয়।
ভক্তৰ জীৱন নাম জানিবা তেহ্নয়॥
শুনিয়া শঙ্কৰে ৰঙ্গে অনুমতি দিলা।
পৰম আনন্দে তিনি প্ৰসঙ্গ পাতিলা॥ ১৯৯
কলাঠহৰাৰ কঠ কৰি ভাল মতে।
বসিবাক লাগি সাজি আনিলা সমস্তে॥
নামে লগাৱয় মাধৱ আতা তিনি বেলা।
কিঞ্চিতেকো প্ৰসঙ্গক নকৰন্ত হেলা॥ ২০০
একে ঈশ্বৰে আসি দুই ৰূপ ধৰি।
গুৰু শিষ্যৰ ভাব দেখাইলন্ত হৰি॥
অহৰ্নিশে কেৱলেসে হৰি গুণ গান্ত।
কামক জিনিয়া মন ভৈলা উপশান্ত॥ ২০১
সহনে পৃথিবী সম উদাসে নাৰদ।
ধৈৰ্য্যে বলিৰায় সম ভক্তিত প্ৰহ্লাদ॥
গুৰুৰ সেৱাত লক্ষ্মণৰ সম সৰ।
কৃপাগুণে সাক্ষাত যেহেন মহেশ্বৰ॥ ২০২
বুদ্ধি মন্ত্ৰনাত ভৈলা যেহেন উদ্ধৱ।
পীৰিতি সুখত যেন পঞ্চম পাণ্ডৱ॥
হেনয় মাধৱ শঙ্কৰৰ শিষ্য ভৈলা।
দেখিয়া শঙ্কৰে বড় আনন্দ লভিলা॥ ২০৩
মাধৱক পাই গুৰু মহাতুষ্ট ভৈলা।
বাৰীক পণ্ডিত যত লীলায়ে ভঙ্গাইলা॥

শ্ৰীমদন গোপাল নামে মূৰ্ত্তিক নিৰ্ম্মিলা।
প্ৰতিষ্ঠা কৰায়া বিপ্ৰসবক তুষিলা॥ ২০৪
বেলগুৰি থানে পাতিলন্ত ব্ৰহ্ম সত্ৰ।
আবৰি থাকন্ত ভক্তে যেন পদ্ম পত্ৰ॥
ৰাম ৰাম ভাস্কৰ মাধৱ হৰিৰাম।
পৰমানন্দ ৰামদাস সৰ্ব্বজয় নাম॥ ২০৫
বুঢ়া দৈবজ্ঞ হৰিদাস কাৰোলা বাঢ়ৈ।
ইসব প্ৰমুখ্যে সবে আবৰি থাকই॥
পৰম বৈষ্ণৱ সন্ত সবে মহা মুনি।
পৰম আনন্দে থাকা হৰি কথা শুনি॥ ২০৬
সবাকো সম্বোধি কন্ত গুৰু কৃপাময়।
কৃষ্ণ ভবি কৃষ্ণ কথা সমস্তে শুনয়॥
প্ৰেমে পুলকিত হোৱে সমস্তৰে কায়।
শিহৰে শৰীৰ নেত্ৰে নীৰ বহি যায়॥ ২০৭
মাধৱে পুছন্ত দেন্ত শঙ্কৰে সিদ্ধান্ত।
কথা অমৃতৰ যেন নদী বহি যান্ত॥
কৃষ্ণৰ চৰিত্ৰে মন হোৱয় মগন।
এহিমতে কৃষ্ণৰ কথা কৰন্ত শ্ৰৱণ॥ ২০৮
ৰাম ৰাম গুৰু ঘোষা কীৰ্ত্তন কৰন্ত।
শ্ৰীমন্ত শঙ্কৰ দেৱ সাক্ষাতে থাকন্ত॥
তাহাঙ্ক নিৰখি অতি পৰম হৰিষে।
কৰন্ত কীৰ্ত্তন যেন অমৃত বৰিষে॥ ২০৯
মাধৱদেৱ ডাহিনে বামত ৰামদাস।
গুণ গাই সংসাৰৰ শক্ৰ কৰে নাশ॥
আনন্দত মজি গান্ত হোন্ত আকুলিত।
শুনি মহাপুৰুষৰো দ্ৰৱ হোৱে চিত্ত॥ ২১০
শিহৰে শৰীৰ নীৰ নেত্ৰৰ নিগৰে।
প্ৰেম সমুদ্ৰত মজি মাটিত বাগৰে॥
ভকত সবকো যাই প্ৰেমে পৰশয়।
পুনৰপি উঠি গুৰু কীৰ্ত্তন কৰয়॥ ২১১
আনন্দ সমুদ্ৰে মন হোৱয় মগন।
এহি মতে হৰি গুণ কৰন্ত কীৰ্ত্তন॥
হেন ভক্তি ভাৱে দিন গোট বহি যায়।
হৰি ভকতিত পৰে আন চিন্তা নাই॥ ২১২

পঞ্চমাস পোন্ধৰ বছৰ তৈতে ভৈলা।
হাথি ধৰা জগৰত ভাটিআই গৈলা॥
সপ্তাসি বছৰ ইৰাজ্যত আছিলন্ত।
বনন্তৰে কামৰূপ ৰাজ্যক গৈলন্ত॥ ২১৩
ক্ষেত্ৰ বিলাইভট চয় মাস আছিলন্ত।
তৈৰ পৰা পাছে বৰপেতাক গৈলন্ত॥
অশ্বত্থ বৃক্ষ মুলে পালান্দিত ৰৈলা।
নাৰায়ন ঠাকুৰ আসি তৈতে লাগ লৈলা॥ ২১৪
মহাপুৰুষৰ পাৱে শৰণ পসিলা।
আদি অন্ত কথা সিটো তাহাতে কহিলা॥
চঅ মাস মাত্ৰ তৈতে নিবাস কৰিলা।
অনন্তৰে কুমাৰকুছিত আসি ৰৈলা॥ ২১৫
গোবিন্দ আতৈই তৈতে শৰণ লৈলন্ত।
এক বছৰ মাত্ৰ তৈতে ৰহিলন্ত॥
অনন্তৰে পাটবাউসী আসি ৰহিলা।
ৰামৰাম গুৰু সমে তহিতে ৰক্ষিলা॥ ২১৬
কৃষ্ণৰ চৰিত্ৰ ৰঙ্গে কহন্ত সদাই।
নাৰায়ণ ভক্তে আনি মিলালা সিঠাই॥
সুনা সৰ্ব্বজনে ইটো গুৰুৰ চৰিত্ৰ।
এহিসে পৰম ধৰ্ম্ম জানিবা কলিত॥ ২১৭
বৈষ্ণবেসে বিষ্ণু বুলি কহন্ত শাস্ত্ৰত।
জানিয়া অসুয়া এৰি শুনিয়ো সতত॥
হে হৰি আমি তযু অংশ জীৱ চয়।
ধৰি আছোঁ বিষয় ঘুমতি অতিশয়॥ ২১৮
নাম অন্ন খৱায়োক জীৱক জগাই।
ভকতি শৰীৰ যেন পুষ্ট হৈয়া যাই॥
হে প্ৰভু পুৰ্ব্বে মই আছিলোহোঁ শিৱ।
মনৰ লগত থাকি আৱে ভৈলো জীৱ॥ ২১৯
ইটো মন গজ মোৰ ভৈলা মহা দুষ্ট।
দম্ভ ঘেৰে ইহাৰ শৰীৰ ভৈলা পুষ্ট॥
কাম ক্ৰোধ লোভ মোহ চাৰিটা চৰণে।
পশি সুখ দুঃখ খাই ফুৰে ত্ৰিভুবনে॥ ২২০
ইন্দ্ৰিয় গজিনী সবাহাৰ যে লগত।
কতো বেলি মজে খাই পৰৰ জলত॥
ৰূপ ৰস আদি ইক্ষু কলা ভাঙ্গি খাই।
পতনৰ শবদে মানুষে মাৰে ধাই॥ ২২১
অসন্তোষে মদ জল সদায়ে বহয়।
জ্ঞান অঙ্কুৰৰ ঘাৱে থনিকে তন্ময়॥
সঙ্কল্প বিকল্প তাৰ বেগ অদভুত।
মই জীৱ ভৈলো তাৰ পীৰিতি মাহুত॥ ২২২
অসূয়া হস্তাৰ ঘাই দশন সুহাই।
জীৱ মাহুতক তাৰ গণাগণো নাই॥
মত্ত কুঞ্জৰৰ লোকে নেদেখয় দোষ।
বোলয় মাহুতে টিপি মাৰয় মানুষ॥ ২২৩
এহি বুলি অঙ্কে অন্যে মাহুতক ধৰি।
নৰক যাতনা কিল ভুকু মাৰে ধৰি॥
মহা আৰ্ত্ত হুয়া মই জীৱে বোলো বাণী।
পশিলোঁ শৰণ কৃপা কৰা চক্ৰপাণী॥ ২২৪
সসাঙ্গে তোমাৰ কথা ব্ৰজ হাতে হানি।
শ্ৰদ্ধা যেৱে পশে জ্ঞান অঙ্কুশেৱে আনি॥
হে প্ৰভু তযু যেৱে অনুগ্ৰহ পাঁও।
প্ৰীতি ধৰ্ম্ম ৰজ্জুয়ে মন মাতঙ্গ বান্ধায়ো॥ ২২৫
ভকতৰ সঙ্গে পদ্ম মৃণালক খায়া।
লভিবোঁ সন্তোষ গৰ্ব্ব মদক ভেদিয়া॥
তোমাৰ পাৱত মন বন্দী ভৈলা যেৱে।
তোমাৰ কথাক কৰ্ণে শুনিবেক তেৱে॥ ২২৬
অপ্ৰয়াসে যাইবো তেৱে সংসাৰক তৰি।
এহি সিদ্ধি হোক ডাকি বোলা হৰি হৰি॥

ঘোষা॥ প্ৰনামো পৰম পুৰুষ ৰাম।
গুণ্ডছোক মুখে মাধৱ নাম॥

মুক্তাবলী॥ শুনা সৰ্ব্বজনে ভক্তৰ নাম।
শুনন্তে সুখ মিলে অনুপাম॥
শ্ৰীৰাম আতৈ আৰো বলোৰাম।
উদাৰ গোবিন্দ আৰো কালিৰাম॥ ২২৭
শ্ৰীৰাম বলোৰাম দুই ভাই।
তাসম্বাক আনিলন্ত মেলাই॥



খিৰা মণ্ডলিয়াৰ তিনি ভাই।
তাৰা সকলকো আনিলা যাই॥ ২২৮
পৰমানন্দ গোকুল চান্দ।
আনিলা মায়াৰ ভাঙ্গিয়া ফান্দ॥
মাধৱ বলোভদ্ৰ জটিৰাম।
আনিলা সবাকো মাগিয়া কাম॥ ২২৯
পূৰ্ব্ব ভক্ত সমে একত্ৰ ভৈলা।
দেখি গুৰুদেৱ আনন্দ পাইলা॥
তথাতে পাতিলন্ত ব্ৰহ্ম সত্ৰ।
আবৰি থাকে যেন পদ্ম পত্ৰ॥ ২৩০
পৰম হংস মহা বৈষ্ণব গুণী।
আনন্দে থাকা হৰি কথা শুনি॥
কহয় দেৱ গুৰু কৃপাময়।
কথা অমৃতৰ নদী বহয়॥ ২৩১
মাধৱে কথা পুছে পুনু পুনু।
কহে গুৰুদেৱ শিহৰে তনু।
বহয় লোতক আনন্দ ময়।
শুনিয়া সবাৰো চিত্ত দ্ৰৱয়॥ ২৩২
কৃষ্ণ কথা ৰসে মন মগন।
এহিমতে কৰা কথা শ্ৰৱণ॥
ৰাম ৰাম গুৰু বৈষ্ণৱ সন্ত।
আনন্দে উঠি হৰি গুণ গান্ত॥ ২৩৩
মাধৱ ৰামদাস মহাজন।
পালি হুয়া কৰা ঘোষা কীৰ্ত্তণ॥
ভকত সব হুয়া দুই সাৰি।
গাৱন্ত ঘোষা হাতে তাল ধৰি॥ ২৩৪
শ্ৰীমন্ত শঙ্কৰে থাকন্ত চাই।
প্ৰেমভৰে হোৱে পুলক কাই॥
কমল নেত্ৰৰ নিৰ বহয়।
ব্ৰহ্মানন্দ সুখে মজি ৰহয়॥ ২৩৫
মহা পুৰুষক দেখি সদাই।।
সবাৰো আনন্দৰ পাৰ নাই॥
প্ৰেমানন্দ সুখে মন মগন।
এহিমতে কৰা ঘোষা কীৰ্ত্তন॥ ২৩৬
তথাতে মহা ব্ৰহ্ম সত্ৰ পাতি।
প্ৰবৰ্ত্তাইলা ভক্তি দিনে ৰাতি॥
পুনু তীৰ্থ ক্ষেত্ৰ ফুৰি আসিলা।
জগত যুৰি হৰি নাম থৈলা॥ ২৩৭
শুনা সৰ্ব্বজনে গুৰু চৰিত্ৰ।
এহিসে জানা পৰলোক বিত্ত॥
জানি গুৰু পদ শিৰত ধৰি।
ছাড়োক পাপ বোলা হৰি হৰি॥ ২৩৮

পদ। এহিমতে মহাৰঙ্গে আছন্ত শঙ্কৰ।
তিনিজন পুত্ৰ তান মহা মনোহৰ॥
হোৱন্ত সদৃশ মহাগুৰু শঙ্কৰৰ।
তিনিৰো বিবাহ শুনিয়োক আতপৰ॥ ২৩৯
কাম চৌধাৰিৰ জিউ সুমতী সুন্দৰী।
ৰামানন্দ বিহা তাঙ্ক কৈলা ৰঙ্গ কৰি॥
জ্যোতিচান্দ চৌধাৰিৰ জিউ সুলচনা।
কমললোচনে তাঙ্ক আনন্দে বিহাইলা॥ ২৪০
ৰানদাস নন্দিনী ৰামপুৰী নাম খ্যাত।
হৰিচৰণে বিহা কৰিলা সাক্ষাত॥
ৰামানন্দ সুত পুৰুষোত্তম নামে খ্যাত।
হৰিচৰণত চতুৰ্ভুজ ভৈলা জাত॥ ২৪১
আৰ দুই ঝীউ হৰিচৰণৰ ভৈলা।
গোবিন্দপুৰীয়া কান্তি দুইৰো নাম থৈলা॥
বেলতলা গ্ৰামে এক কায়স্থ আছয়।
হৰিহৰ নাম তাঙ্ক জগতে জানয়॥ ২৪২
পিতৃধনে বহুতৰ ধাৰ লগাইলন্ত।
ঠাকুৰ সি সব ধাৰ সবে সুজিলন্ত॥
জামাই বোধে আপোনাৰ লগত লৈলন্ত।
গোবিন্দপুৰীক তাঙ্কে বিবাহ দিলন্ত॥ ২৪৩
নতু পুষ্পোৎসবে হস্তে তেহে নষ্ট ভৈলা।
দেখিয়া ঠাকুৰে পাছে বুলিবাক লৈলা॥
শুনিয়ো জামাই আপোনাৰ থানে যাহা।
আপুনি বিচাৰি কন্যা বিবাহ কৰাহা॥ ২৪৪

শুনি হৰিহৰে বোলে নযাইবোহোঁ আৰ।
থাকিবোহোঁ নিষ্ঠে মই লগত তোমাৰ॥
শুনিয়া ঠাকুৰে চৌধাৰিৰ কন্যা আনি।
ক্ষীৰ বোধে তাঙ্কে বিহা দিলা মহামানী॥ ২৪৫
হৰি পুৰীয়া নামে জগত প্ৰখ্যাত।
ভোলাই নামে তাঙ্ক পুত্ৰ এক ভৈলা জাত॥
দামোদৰ নাম পাছে শাস্থন পৈলা।
আৰু এক চৌধাৰিত কান্তি আইক দিলা॥ ২৪৬
কৰ্ম্মদোষে কান্তি আইৰ সুখ নিমিলিলা।
শুনা অনন্তৰে আৰো যেন কথা ভৈলা॥
শঙ্কৰৰ পিতামহ হলায়ুধ নাম।
জলে নামি জপে সূৰ্য্য মন্ত্ৰ অনুপাম॥ ২৪৭
সেহি বেলা ৰামানন্দ শম্ভুৰৰ ঘৰে।
ভোজন কৰিয়া ঘৰে আসন্ত শঙ্কৰে।
বৈঠাৰ পানীৰে সিটো জলা কলা ভৈল।
তীৰত উঠিয়া কোপে শাপ দিবে লৈল॥ ২৪৮
সূৰ্য্যৰ ধ্যানক ভঙ্গ কৰিলিহি মোৰ।
দিলোঁ মই শাপ বংশ ছেদ হোক তোৰ॥
শুনি শঙ্কৰৰ মনে বিষাদ মিলিল।
হেন দেখি ক্ৰুৰ বোৰে মাধৱে বুলিল॥২৪৯
বোলন্ত মাধৱে বাপ ভৈল বিসঙ্গতি।
কোন ৰাখিবেক পাছে কৃষ্ণৰ ভকতি॥
শঙ্কৰে বোলন্ত শাপ দিলন্ত যদ্যপি।
মোৰ ঝীউ নাতি ধৰ্ম্ম ৰাখিবে তথাপি॥২৫০
চতুৰ্ভুজ হস্তে তিনি দুহিতা জন্মিব।
তাহান তনয়ে মোৰ ধৰ্ম্মক ধৰিব॥
এহি বুলি মহা ৰঙ্গে ৰহিলা শঙ্কৰ।
পাট বাউসী সত্ৰে আছা ষোড়শ বছৰ॥ ২৫১
দয়াশীল নামে এক ব্ৰাহ্মণ আছিল।
তাহান তনয় দামোদৰ সন্ত শীল॥
মহা জ্ঞানৱন্ত ধৈৰ্য্যৱন্ত শুদ্ধাশয়।
আছিলেক মাত্ৰ তেহে গৈল যমালয়॥ ২৫২
ভাৰ্য্যায়ো মৰিল পাছে দুইৰ ভৈলা দুঃখ।
শঙ্কৰৰ সঙ্গে ভৈলা হৰিক সন্মুখ॥

নাহি আন্ত চিন্তা গান্ত চৰিত্ৰ কৃষ্ণৰ।
দেখি আতিশয় স্নেহ ভৈলা শঙ্কৰৰ॥ ২৫৩
ব্ৰাহ্মণ সবৰ মেধি তাহাঙ্ক পাতিলা।
পাটবাউসী নদী তীৰে সত্ৰ কৰি দিলা॥
আৰু কাল পণ্ডিতৰ পুত্ৰ যোগেশ্বৰ।
যোগেশ্বৰৰ পুত্ৰ নৰোত্তম দ্বিজবৰ॥ ২৫৪
নৰোত্তম সুত মৃত্যুঞ্জয় নামে খ্যাত।
তান পুত্ৰ ৰঘুবৰ জগতে প্ৰখ্যাত।
ৰঘুবৰৰ পুত্ৰ ৰামৰাম গুৰু ভৈলা।
তাঙ্কো উপদেশ দিবে শঙ্কৰে বুলিলা॥ ২৫৫
আৰৰ সুৰাইৰ পুত্ৰ আছিল সগৰ।
সুগাৰত সুপাঁশ্চ সুপৰ্ব্বত যশধৰ॥
যশধৰ হস্তে ৰূপধৰ যাৰ নাম।
ৰূপধৰ পুত্ৰ মনোহৰ অনুপাম॥ ২৫৬
মনোহৰ হস্তে ধৰ্ম্ম নামে ভৈলা-জাত।
ধৰ্ম্মৰ তনয় ভৱানন্দ নামে খ্যাত॥
নাৰায়ণ নাম পাছে দিলন্ত শঙ্কৰ।
ধৰ্ম্ম উপদেশ দিবে আদেশ কৰিল॥ ২৫৭
এহিমতে মহাৰঙ্গে আছন্ত শঙ্কৰ।
পঞ্চাধিক ভৈলা জানা শতেক বছৰ॥
বৰদোৱা গাঙ্গমৌ বেলগুৰি সত্ৰ।
পালান্দি কুমাৰকুছি পাটবাউসী ক্ষেত্ৰ॥ ২৫৮
গণককুছি তান্তীকুছি সুন্দৰীদিয়া।
মধুপুৰ সমে আৰো ভৈলযে জনীয়া॥
ইসব থানত ভক্তি ধৰ্ম্ম প্ৰকাশিলা।
জগত যুড়িয়া ভক্তি দীপ লগাই থৈলা॥ ২৫৯
হৰি ভকতিৰ আৰে পাতি মহা হাট।
মনে ইচ্ছা কৰি পাছে সম্বৰিবে নাট॥
দিশ বিদিশত যত ভকত আছিলা॥
সবাহাকে মাতি আনি একত্ৰ কৰিলা॥ ২৬০
কহিলা সবাৰো আগে মধুৰ বচনে।
ক্ষেত্ৰক চলিয়া মই যাইবো এতিক্ষণে
তোৰা সবে মানা যদি মোৰ বচনক।
মই নাসো মানে মানিবাহা মাধৱক॥ ২৬১



এহি বুলি মাধৱৰ মাথে ঢোপ দিলা।
আচাৰ্য্য পাতিলোঁ বুলি সবাতে কহিলা॥
শুনিয়া সবাৰো মনে বিষাদ মিলিলা।
প্ৰবোধ বচনে গুৰু সবাকো তুষিলা॥ ২৬২
বস্ত্ৰ তাম্বুলক দিলা ভকত পঠাই।
গণককুছিত যাত্ৰা কৰিলন্ত যাই॥
গোসানীৰ দেখি সন্তাপৰ পাৰ নাই।
কান্দন্ত পাৰত পড়ি ৰুক্মিণী আইয়াই॥ ২৬৩
আনো ভক্ত সবৰ শোকৰ পাৰ নাই।
সবাকো সম্বোধি গৈলা মাধৱৰ ঠাই॥
মাধৱো বৈসায়া নিয়া পখালিলা তৰি।
ভকত সবক ঠাই দিলন্ত সাদৰি॥ ২৬৪
সমস্ত ভকতে পাছে ভোজন কৰিলা।
মাধৱক চাই পাছে শঙ্কৰে বুলিলা॥
ভুঞ্জিবো তোমাৰ হাতে ৰান্ধা গৈয়া অন্ন।
শুনিয়া মাধৱে দুঃখে বুলিলা বচন॥ ২৬৫
জাতি মিত্ৰ বন্ধু তথু আছে যত জন।
কাৰো হাতে অন্ন তুমি নকৰা ভোজন॥
বুলিবে মাধৱ কৰণীয়া উদাসীন।
তাং হাতে খাই আমি তাতো কৰি হীন॥ ২৬৬
আমাত কৰিয়া সিটো কোন বৰ লোক।
এহি বুলি নিন্দা কৰিবেক সব লোক॥
কদাচিতো ইটো কৰ্ম্ম কৰিবে নপাৰো।
ক্ষমা কৰা বাপ তথু চৰণত ধৰো॥ ২৬৭
হেন শুনি ৰামানন্দে অন্ন ৰান্ধিলন্ত।
ততো মাধৱৰ অন্ন শঙ্কৰে খাইলন্ত॥
এহিমতে তিনিজনে অন্ন ভুঞ্জিলন্ত।
মুখ শুদ্ধি কৰি শয্যা মাঝে বসিলন্ত॥ ২৬৮
সকলো ভকত যেবে নিদ্ৰাই পীড়িলন্ত।
শঙ্কৰৰ পাৱে পৰি মাধৱে সোধন্ত॥
শৰণ ভজন বাপ দঢ়াই কহিয়োক।
হৰি ভক্তি মহা ৰত্ন দাসক দিয়োক॥ ২৬৯
শুনিয়া শঙ্কৰে মাধৱক ধৰি আনি।
আপোন আসনে বসুয়াইলা মহামানী॥

আলিঙ্গতে দুয়ো পাছে ভৈলা এক ঠাই।
পৰম বিস্ময়ে ৰামানন্দে আছা চাই॥ ২৭০
মনে মনে যাই সবে ভক্তত কহিলা।
শুনিয়া ভক্তৰ মনে বিস্ময় মিলিলা॥
কতোক্ষণে দুয়োজনে আবিৰ্ভাব ভৈলা।
মাধৱক চাহি গুৰু কহিবাক লৈলা॥ ২৭১
শুনিয়ো মাধৱ বড় গৃহ নকৰিবা।
ননচাইবা নাস্তিকা বিপ্ৰকুল নিহিংসিবা॥
আপুনি ঈশ্বৰে বোলে বিপ্ৰৰ সেৱাত।
লক্ষ্মী সমে ময়ো ভৃত্য ভৈলোহোঁ সাক্ষাত॥ ২৭২
এতেকে ব্ৰাহ্মণ কুল কৰিবা আদৰ।
অধোমুখ অধোহস্ত হৈবা সৰ্ব্বত্ৰৰ॥
হৰি ভক্তি মহাৰত্ন হৃদয়ে ৰাখিবা।
নাতি পুৰোষত্তমক আপুনি তুমি দিবা॥ ২৭৩
চাৰি শৰণৰ চাৰি নামৰ অন্বয়।
সাত বৈকুণ্ঠৰ আৰো কহিলা আশয়॥
অষ্ট পুৰুষাৰ্থ ভক্তি দ্বাৰ চাৰি থান।
দেহাত্মা বিবেক আৰো কহিলা বিজ্ঞান॥ ২৭৪
দশ হেজাৰ বৈকুণ্ঠৰ দশ সহস্ৰ ঈশ্বৰ।
ইসব সকলো ভেদ কৰিলা শঙ্কৰ॥
বোলন্ত মাধৱ মই কহো সাৰ তত্ত্ব।
ঘোষা নামে এক পুথি কৰিবা পাছত॥ ২৭৫
তাহাৰ শেষত দহ সহস্ৰ ঈশ্বৰ।
নাম কৰি লিখি তুমি থৈবা সিসবৰ॥
পদ দুলড়ী তুতি প্ৰশংসা ভজন।
ছন্দ লেচাৰী নিন্দা কাৰুণ্য বচন॥ ২৭৬
নমস্কাৰ অনুবৃত্তা বস্তু উপদেশ।
ইসব পটল দিবা ঘোষাত নিশেষ॥
তাৰ দুই ঘোষা আছে আদন্দি কৰিলা।
আনো গুহ্য কথা যত সমস্তে কহিলা॥ ২৭৭
পাছে ৰামানন্দ সমে ভক্ত সাত জন।
লৈয়া বেহাৰক চলি গৈলা ততিক্ষণ॥
নৰনাৰায়ণ ৰাজা অতি শুদ্ধ মন।
শঙ্কৰক দেখি তেহোঁ ভৈলা ৰঙ্গ মন॥ ২৭৮

ঘোলন্ত শঙ্কৰ মোক কৰায়ো শৰণ।
শুনিয়া শঙ্কৰ হেন বুলিলা বচন॥
জগন্নাথ চান্দ মুখ আনন্দে দেখিবোঁ।
তৈব পৰা অল্পকালে ফিৰিয়া আসিবোঁ॥ ২৭৯
এতিক্ষণে তুমি নকৰিবা উৎপাত।
শুনি ৰাজা বুলিলন্ত কৰি যোৰ হাত॥
এহি মতে ভাণ্ডি মোক যোৱা বাৰম্বাৰ।
ইবেলি এড়িয়া নপঠাবোঁ মই আৰ॥ ২৮০
শঙ্কৰে বোলন্ত ৰাজা তুমি কি কৰিবা।
অন্য দেৱ সেৱা তুমি কিমতে এৰিবা॥
ইসব নেড়িলে কেনে হুইবাহা ভকত।
শুনি ৰাজা বোলে মই এড়িবো সমস্ত॥ ২৮১
এহি বুলি ভেলা দোৱাৰত ঠাই দিলা।
শঙ্কৰেয়ো মনে পাছে চিন্তিবে লাগিলা॥
শৰণ নলৈলেয়ো ইটো এড়ি নপঠায়।
শৰণ কৰালে মোৰ হৈবেক অন্যায়॥ ২৮২
কেনমতে ইটো ৰাজ নীতিক এড়িব।
কৃষ্ণৰ ভকতি ইটো কিমতে ৰাখিব॥
পূৰ্ব্বে ৰাজা মন্ত্ৰ কৰি পূজে দেৱ হৰি।
ইটো পূজে দেবী হংস ছাগ ছেদ কৰি॥ ২৮৩
ঘোৰ আসুৰিং কৰ্ম্ম কৰে আসবিস।
কৃষ্ণৰ ভকত হই কৰিবেক কিস॥
কদাচিত আত শৰণক নাচৰিবোঁ।
আপোনাৰ দেহ মই আপুনি এড়িবো॥ ২৮৪
দেখি ইটো খেদ পাছে কৰিব বিস্তৰ।
সেহি দ্বাৰে পাইব গতি বৈষ্ণৱ জনৰ॥
হেন হিত চিন্তি মৌন ধৰিয়া বসিলা।
শৰীৰ দুৰ্ব্বল বুলি লোকত কহিলা॥ ৩৮৫
ৰামানন্দে দেখি ভক্তি ধন প্ৰাৰ্থিলন্ত।
লৈবা মাধৱত সুধি আজ্ঞা কৰিলন্ত॥
কৈবা সবাহাতে মাধৱক মানিবন্ত।
এহি বুলি মালা ৰামানন্দক দিলন্ত॥ ২৮৬
ভাদ্ৰ মাসে শুকুলা দ্বিতীয়া তিথি ভৈলা।
নৰ দেহা এড়ি বৈকুণ্ঠক চলি গৈলা॥

দেখি ৰাজা বহুতৰ বিলাপ কৰিলা।
তোৰোচা নদীৰ তীৰে চিতাক নিৰ্ম্মিলা॥ ২৮৭
দহন বহন ৰামানন্দে কৰিলন্ত।
উজাই আসিয়া মাধৱত কহিলন্ত॥
শুনাই মাধবে বহু বিলাপ কৰিলা।
আই গোসাণীৰ তাপ আতি জ্বলি গৈলা॥ ২৮৮
তিনি গোটা ঘোষা ক্ৰন্দনতে বিৰচিল।
দিশ দিশান্তৰ ভক্ত আসিয়া মিলিল॥
দশ পিণ্ড মাসেকিয়া কৰ্ম্ম সমাপিলা।
সকলো ভকতে ৰামানন্দত পুছিলা॥ ২৮৯
কহিয়ো ঠাকুৰ গুৰু কাক কি বুলিলা।
ধৰ্ম্মৰ আচাৰ্য্য গুৰু কাহাক পাতিলা॥
শুনি ৰামানন্দে পাছে দিলন্ত উত্তৰ।
মাধৱক পাতিলন্ত আচাৰ্য্য ধৰ্ম্মৰ॥ ২৯০
পিতৃৰ সমান কৰি মানা মাধৱক।
শুনি প্ৰেমে পৰশিল সমস্ত ভকতক॥
ধন্য শঙ্কৰৰ পুত্ৰ সাৰ্থক জীৱন।
ইহেন সময়ে সত্য কহিলা বচন॥ ২৯১
এহি বুলি মাধৱক সবে প্ৰণামিলা।
ঠাকুৰক নমি গোসানীক প্ৰণামিলা॥
অনুজ্ঞা মাগিয়া সবে গৃহে চলি গৈলা।
শুনা আত পৰে আৰো মাধৱৰ লীলা॥ ২৯২
শঙ্কৰৰ আজ্ঞা পাছে মাধবে ধৰিয়া।
গুচাইলা অজ্ঞান ভক্তি উপদেশ দিয়া॥
আতি মহাৰঙ্গে চৈধ্য প্ৰসঙ্গক পাতি।
হৰি ভকতিক প্ৰৱৰ্ত্তাইলা দিনে ৰাতি॥ ২৯৩
ভটিমা, চপয়, গুণমালা, লীলামালা।
তাৎপৰ্য্য গীত পদ ঘোষা নিবন্ধিল॥
নাম পাঠ ভাগৱত জয় হৰি ধ্বনি।
কথা সমে চৈধ্যয় প্ৰসঙ্গ ভিনি ভিনি॥ ২৯৪
এহি চৈধ্য প্ৰসঙ্গক পাতিলা মাধব।
দেখি ভকতৰ ভৈলা পৰম উৎসৱ॥
পাছে শঙ্কৰৰ বৎসৰিকা কৰ্ম্ম কৈলা।
এতেকতে ৰামানন্দ বৈকুণ্ঠক গৈলা॥ ২৯৫



আশ্বিনৰ শুক্লা তৃতীয়া তিথি ভৈলা।
নৰ দেহ এৰি নিজ থানে থিত ভৈলা॥
দেখি আই গোসানীৰ চিত্ত আকুলিত।
মাধৱৰ প্ৰবোধত শান্ত ভৈলা চিত॥ ২৯৬
পাছে পুৰোষত্তম হৰিচৰণৰ সঙ্গে।
গোসানী সহিতে থাকিলন্ত মন ৰঙ্গে॥
এহিমতে তৈতে ৰঙ্গে মাধৱ মহন্ত।
পঞ্চকুচিত তেৰ বৎসৰ আছন্ত॥ ২৯৭
পাছে দুষ্ট সবে তাঙ্ক দিলে অপবাদ।
মূৰ্চ্ছিক গৈলা মনে কৰিয়া বিষাদ॥
আই গোসানীত বহু প্ৰবোধ বুলিলা।
তাতো মাধৱৰ মনে সান্ত নলভিলা॥ ২৯৮
মৰণতো কৰি অপবাদ দুঃখ বড়।
আমি কোন সব দুঃখ দেখিয়ো ৰামৰ॥
দুষ্ট ঘোৰা অপবাদ দিলন্ত ৰামক।
গৰ্ভে সমে সীতা সতী ৰামে তেজিলেক॥ ২৯৯
তুমি গুৰু পত্নী মোৰ সিৰৰ ভূষণ।
তোমাৰ চৰণ দুই মোৰ মহা ধন॥
এহি বুলি চৰণত পৰি প্ৰণামিলা।
মূৰ্চ্ছিত গৈয়া ঘোষা নামে শাস্ত্ৰ কৈলা॥ ৩০০
শঙ্কৰৰ নাতি পুৰুষোত্তম শুদ্ধ মন।
পৰম সুন্দৰ দেহা যেহেন মদন॥
আতা মাধৱৰ ঠাই সদায়ে আসন্ত।
মাধৱে দুৰতে দেখি আনন্দে উঠন্ত॥ ৩০১
শঙ্কৰক স্মৰি মনে চাহিয়া থাকন্ত।
আসা আসা বাপু বলি আসনে বৈসান্ত॥
বোলন্ত মাধৱে পাছে বাক্য ঠাকুৰক।
তোমাক দেখিলে বাপু দেখো শঙ্কৰক॥ ৩০২
সেহি বেলা আসমৰ ভক্ত এক জনে।
সুবৰ্ণৰ মনি ধাৰি লৈয়া ৰঙ্গ মনে॥

মাধৱদেৱক দিয়া সেৱা কৰিলেক।
আনন্দে মাধৱে ঠাকুৰক পিন্ধাইলেক॥ ৩০৩
মনি পিন্ধাই মাধদেৱে চাহিয়া আচন্ত।
শ্ৰীৰাম আতই দেখি বাক্য বুলিলন্ত॥
আৰু দুই পাতি আতা কঙ্কন পিন্ধায়ো।
আগত বৈশায়া ৰঙ্গে চাহিয়া থাকিয়ো॥ ৩০৪
মাধবে বোলন্ত ভাল বুলিলা শ্ৰীৰাম।
মোহোৰ লগত থাকিবাৰ এহি কাম॥
দেখিয়ো ভকত কেনে বুঢ়াৰ আসয়।
সকলে সৰ্ব্বংস মোৰ দিবাক বোলয়॥ ৩০৫
জানিলোহো মই আৰে শ্ৰীৰামৰ আস।
শঙ্কৰত পৰে কাতো নাহিকে বিশ্বাস॥
এহি বুলি মনে অনুভৱ কৰিলন্ত।
ঠাকুৰক পাছে সৰ্ব্বশাস্ত্ৰ পঢ়াইলন্ত॥ ৩০৬
ঠাকুৰে মনিক ভঙ্গাই কম্বল কিনিলা।
সজ্জ সজ্জ বুলিয়া মাধৱে প্ৰসংশিলা॥
এহিমতে মহাৰঙ্গে মাধৱ মহন্ত।
পুৰুষোত্তমক সৰ্ব্ব শাস্ত্ৰ পঢ়াইলন্ত॥ ৩০৭
সকলো শাস্ত্ৰত আতা ভৈলন্ত পণ্ডিৎ।
দেখি মাধৱৰ আতি আনন্দিত চিত॥
এক দিনা পুৰুষোত্তম মাধৱৰ কাছে।
বসি আসি কতো বেলি গৃহে গৈলা পাছে॥ ৩০৮
জাহান্তে দেখয় খৰি মাটি মুণাবন্ত।
তাৰ এক খণ্ড হাতে তুলিয়া লৈলন্ত॥
নলৈবা নলৈবা বুলি ভণ্ডাৰি ৰাখিলা
তথাপি ঠাকুৰে খৰি মাটিক নেৰিলা॥ ৩০৯
পাচে মনপুৰে মাধৱৰ আগে কৈলা।
ঠাকুৰে আপুনি খৰি মাটি লৈয়া গৈলা॥
শুনিয়া মাধৱে বোলে আমাক ভাণ্ডিলি।
আগতে নিলেক মাত্ৰি তভো নবাধিলি॥ ৩১০

—•⁘•—

তদ্ধিত বিভাগত :—

অনহেলিতভীমবিক্রমশ্রী নবনাৰায়ণদেৱদেশিতেন।

অনবদ্যিতত্তদ্ধিতপ্রবন্ধো ৰচিতঃ শ্রীপুৰুষোত্তমেন তেন॥

আন আন প্ৰসিদ্ধ ব্যাকৰণৰ নিচিনাকৈ এই ব্যাকৰণৰো কেবাখনো উপাদেয় টীকাগ্ৰন্থ ৰচিত হৈছে। সেই বিলাকৰ ভিতৰত জয়কৃষ্ণ ভট্টাচাৰ্য্য বিৰচিত প্ৰভাপ্ৰকাশিকা, মহেশ ভট্টাচাৰ্য্যবিৰচিত কৃৎপ্ৰদীপিকা আৰু তদ্ধিত পঞ্জিকা—এই কেইখনেই সৰ্ব্বপ্ৰধান।

শ্ৰীজয়কৃষ্ণ মিশ্ৰ।

---

# সাত্বত-তন্ত্ৰৰ পৰিচয়।

সাত্বত-তন্ত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ সম্পৰ্কে অতি পুৰণি পুথি ইয়াৰ আন এটা নাম পঞ্চৰাত্ৰ। কীৰ্ত্তনৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনাত আছে—

ভৈলাহা নাৰদ ঋষি নামে অৱতাৰ।
পঞ্চৰাত্ৰ নামে তন্ত্ৰ কৰিলা প্ৰচাৰ॥

কিন্তু বৰ আচৰিত কথা যে সাত্বত-তন্ত্ৰ পুথি উত্তৰ ভাৰতৰ পৰা প্ৰায় লোপ পাইছিল। প্ৰথমতে দক্ষিণ ভাৰতত এই পুথিৰ আৱিষ্কাৰ হয়।

সাত্বত-তন্ত্ৰ এখন পুথি নহয়। কেই বছৰ মানৰ আগতেকে ১০৮ খন সাত্বত তন্ত্ৰ আৱিষ্কাৰ হৈছিল। যোৱা কেই বছৰত আৰু নতুন পুথি ওলাইছে নে নাই কব নোৱাৰোঁ।

আমাৰ এই পুথিখনি কোনো এখন বিশেষ গ্ৰন্থৰ অনুবাদ নহয়। সাত্বত তন্ত্ৰত থকা কথাবিলাকৰ সংকলন নিচিনা।

সম্প্ৰতি প্ৰফেচাৰ শ্ৰীমান উমাকান্ত গোস্বামীৰ পৰা সংস্কৃতত লিখা এখন সাত্বতন্ত্ৰ পুথি পাইছোঁ। কিন্তু দুয়োখন পুথি মিলাই চাবলৈ মোৰ সময় হোৱা নাই।

অসমীয়া ভাষাত এনে এখন পুথিৰ অনুবাদ থকা টোৱে দেখুৱায় অসমীয়া প্ৰাচীন সাহিত্য কেনে বিস্তৃত আছিল।

সময়ত সুযোগ বুজি সাত্বত-তন্ত্ৰৰ ভাল উপক্ৰমণিকা লিখিবৰ ইচ্ছা আছে। এই ইচ্ছা বহুদিনৰ। কিন্তু কেতিয়া পূৰ্ণ হয় কব নোৱাৰোঁ।

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী।